তিনিমহীয়া আলোচনী

প্ৰথম সংখ্যা]

আহিন, ১৮৮০ শক

[প্ৰথম বছৰ

সম্পাদক :—শ্ৰীনাৰায়ণ মহন্ত

- সম্পাদকৰ ক'ৰবলগীয়া -

—:০:—

: ডিব্ৰুগড় গভৰ্ণমেণ্ট হাইস্কুলৰ ছাত্ৰ শ্ৰীমান কৃষ্ণ ৰাজবংশীয়ে বেটুপাতৰ সৌষ্ঠব বঢ়াবৰ কাৰণে যি তুলিকা চলালে তাৰ বাবে তেওঁক ধন্যবাদ জনাইছো। কানৈ কলেজৰ ছাত্ৰ শ্ৰীমান ভৰত চন্দ্ৰ গোস্বামীয়ে এই কামত আগভাগ নোলোৱা হলে ইও সম্ভৱপৰ হৈ নুঠিল হেতেন। বিকশিত হ'ব খোজা শিল্পী কলিটিৰ পূৰ্ণবিকাশত সুন্দৰৰ সুন্দৰ কৰুণাৰ সৌৰভে যেন আমোলমোলাই যাওক!

: মূলধন আৰু উপযুক্ত ছাপাখানাৰ লগতে নিস্বাৰ্থ ব্যক্তিগত প্ৰচেষ্টাৰ অভাৱত অসময়ত আলোচনীবোৰে ইহলীলা সম্বৰণ কৰে। সেই বাবে মাহেকীয়া কৰিম বুলি কব নোৱাৰিলেও অলপাতে মাহেকীয়া কৰাৰ ইচ্ছা থাকিল। লগতে পঢ়ুৱৈ সমাজে যাৱতীয় ভুল আৰু ত্ৰুটিবোৰ আঙুলিয়াই দি ভৱিষ্যতৰ প্ৰকাশনত সহায় কৰিব বুলি অনুৰোধ জনোৱা হল।

: অসম গভৰ্ণমেণ্টে আলোচনীখন সোনকালেই ৰেজিষ্টাৰ্ড কৰি দি ভাষা আৰু সাহিত্যৰ সেৱাত উদগনি দিব বুলি আশা পালি বাট চাই থকা হল।

: প্ৰৱন্ধপাতিৰ অভাৱত যাতে আলোচনী খন মৰি নাযায়, তাৰ বাবে সহৃদয় লিখক লিখিকা সকলে চকু দিব বুলি অনুৰোধ জনোৱা হল।

: স্বভাৱ-কবি চেতিয়া ফুকন দেৱৰ কবিতাটো একেবাৰেই শেহত পোৱাত পৃষ্ঠা নম্বৰৰ ভিতৰত ভৰাই দিব পৰা নহল।

: ছাপাখানাৰ ভূত যে ইমান বেচি হব অনুমানেই কৰিব নোৱাৰিছিলো। আলোচনী প্ৰকাশৰ বাটত প্ৰৱন্ধ-পাতি, উপযুক্ত ছাপাখানাৰ অভাৱ আৰু মূলধন এই কেইটাই প্ৰধান অন্তৰায় নোহোৱা হলে কেতিয়াবাই প্ৰকাশ কৰিবলৈ সক্ষম হলোহেঁতেন। প্ৰুফ চাব নোৱাৰাৰ কাৰণে পাঠক-পাঠিকা সকলে এইবাৰৰ কাৰণে ক্ষমা কৰিব। অহাৰ বাবে নিজে প্ৰুফ চাই নিৰ্ভুল কৰিবলৈ চেষ্টা কৰিম।

: অহা সংখ্যাত বহুতো কবিতা আৰু গল্পৰে সৈতে শিশু-চ'ৰাৰ কলেৱৰ বঢ়োৱা হব।

: খ্যাতনামা লিখক-লিখিকা সকলৰ লিখনিৰে সৈতে অহা সংখ্যাৰ কলেৱৰ দুগুণে বঢ়োৱা হব। তাৰোপৰি মনোগ্ৰাহী কৰিবৰ কাৰণে কেইবাটাও চিত্ৰৰ ব্লক কৰা হৈছে। দুই এজন লিখকৰো ব্লক দিবলৈ চেষ্টা কৰিছো।

STATEMENT ABOUT OWNERSHIP AND OTHER PARTICULARS ABOUT NEWSPAPER

(RODALI)

to be Published in the first issue every year after the last day of February.

FORM IV

1.	Place of Publication ;—	P O. Sarvodaya, Dibrugarh.
2.	Periodicity of its Publication—	Once in three months
3.	Printer's Name—	Saradasankar Dutt.
	Nationality—	Indian,
	Address—	Dibrugarh, Hindusthan Press.
4.	Publisher's Name—	Narayan Mahanta.
	Nationality—	Indian.
	Address—	Sarvodaya, Dibrugarh.
5.	Editor's Name—	Narayan Mahanta.
	Nationality—	Indian.
	Address—	P. O. Sarvodaya, Dibrugarh.

6. Name and address of individuals who own the magazine and partners or share-holders holding more than one per cent of the total capital.

Narayan Mahanta,
Sarvodaya, Dibrugarh.

I, Narayan Mahanta, hereby declare that the particulars given above are true to the best of my knowledge and belief.

Sd/ Narayan Mahanta,
Signature of Publishers.

"সূচী-পত্ৰ"

বিষয়	লিখক	পৃষ্ঠা
কবিতাংশত :—		
: ৰ'দালি	শ্ৰীঅম্বেশ্বৰ চেতীয়া ফুকন	
: আশীষ বাণী	শ্ৰীযতীন্দ্ৰ নাথ দুৱৰা	১
: ৰ'দালি	—নীৰৱ কুমাৰ	২
: সোণৰ অসম আমিয়ে গঢ়িম	—লীলাধৰ হাতীশইকীয়া	৪
: ফাকুৰা	—নীৰৱ কুমাৰ	৫
: কবিতা	—পুষ্প কোৱঁৰ	৬
: সপোন চেৰাল	—কোৱঁৰ	৭
: ভাব পূজা	—নীৰৱ কুমাৰ	১০
গদ্যাংশত :—		
: উইলিয়াম ওৱৰ্ডচ্‌ৱৰ্থ (অনুবাদ জীৱনী)	—নিমাতী দেৱী	১১
: আইনষ্টাইন্ (অনুবাদ জীৱনী)	—নিমাতী দেৱী	১৩
: নিৰঞ্জনৰ সংসাৰ (নাটকীয় দৃশ্য)	—নবিন কুমাৰ	১৭
: লকৰাৰ বিপৰ্য্যয় (খেমেলীয়া নাটকীয় দৃশ্য)	—নবিন কুমাৰ	১৯
: জন-সেৱা (সামাজিক নাটকীয় দৃশ্য)	—নবিন কুমাৰ	২৬
: পাঁচ-মিনিট (অনুবাদ গল্প)	—তিলক চন্দ্ৰ শৰ্ম্মা শাস্ত্ৰী	৩০
: আৰবৰ সকলৰ সামাজিক জীৱন (প্ৰবন্ধ)	—গণেশ চন্দ্ৰ মজুমদাৰ	৩৭
: ট্ৰজান যুদ্ধ (অনুবাদ গল্প)	—	৪১
: চাবোন তৈয়াৰ কৰাৰ প্ৰণালী (প্ৰবন্ধ)	—অনুবাদ	৪৭
: বিহু-গামোচা খন (গল্প)	—নাৰায়ণ মহন্ত	৫০
: কলমৰ চকুৰালি (গল্প)	—	৫৩
: অকনমান অকনমানীৰ বিয়া (গল্প)	—নাৰায়ণ মহন্ত	৫৫
: ইণ্ডোচীনীয় সাহিত্য (প্ৰবন্ধ)	—অনুবাদ	৫৮
: সম্পাদকীয়		
: শিশু-চ'ৰা		



ওঁ

'যদা যদা হি ধর্ম্মস্য গ্লানির্ভবতি ভারত।
অভ্যুত্থানমধর্ম্মস্য তদাত্মানং সৃজাম্যহম্॥
পরিত্রাণায় সাধূনাং বিনাশায়চ দুষ্কৃতাম্।
ধর্ম্ম সংস্থাপনার্থায় সম্ভবামি যুগে যুগে॥"



—ৰ'দালি—

শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন

আজি মোৰ অসমৰ পৰ্ব্বতে-ভৈয়ামে
ৰূপ-জ্যোতি ঢালি দিয়ে ৰ'দালিয়ে আহি,
জিলিকিছে লুইতৰ ৰূপোৱালী পাৰ
বাজে নিতে নৱ সুৰে মিলনৰ বাঁহী।
নীহাৰিকা ভেদি উঠে শব্দ-ব্ৰহ্ম "ওঁম্"
আদি সৃষ্টি পাতনিৰ সনাতন সুৰ—
প্ৰাক্ জ্যোতিষৰ নাচে মুক্ত আকাশত
জোন-বেলি-তাৰকাৰ জেউতি মধুৰ।
শৰৎ-হেমন্ত-শীত-বৰ্ষা—বসন্তই
ৰূপৰ পোহাৰ পাতে জ্যোতি-স্নান কৰি।
কাম-ৰত্ন-স্বৰ্ণ এই সোমাৰ পীঠত
জাতি-উপজাতি আহি ৰচে স্বৰ্গ-পুৰী।
ৰ'দালিয়ে সপোনৰ সাজি ৰংঘৰ—
উদ্ধাৰিব ভাষা-কৃষ্টি মোৰ অসমৰ।

আশীষ বাণী

(শুক্ল যজুৰ্বেদ)

শ্ৰীযতীন্দ্ৰ নাথ দুৱৰা

দেখিম চকুৰে শতেক সৰ
ধৰণী সুখেৰে ভৰা,
থাকিম লগেৰে সতেক সৰ
পৰাণ উলাহ কৰা।
কাণেৰে শুনিম শত শৰতৰ
শুৱলা মধুৰ ধ্বনি,
স্পন্দিত হওক শতেক সৰ
শুনি তেজোময় বাণী।
অদীন আতমা শতেক শৰতে
কৰিব বীৰ্য্যবান,
শত শৰতৰ পাচতো পুনৰ
থাকিব পূৰ্ণ প্ৰাণ।

"ৰ'দালি"

—নীৰৱ কুমাৰ

জ্যোতির্ম্ময় সোনালী সবিতা,
অনন্তৰ দিগন্তত
নীলিমাৰ সীমান্তত
বিলোৱা অনন্ত কাল জ্ঞানৰ গৰিমা,
আমি মাটিৰ মানুহ মিলি যাম মাটিতেই
তোমাৰেই কিৰণৰ কিৰণ বিচাৰি,
কিন্তু, তুমিয়েই প্ৰাণ তুমিয়েই বিশ্বজ্ঞান
কালান্তক বিশ্বৰূপ কুৰু সমৰৰ।
শান্ত সৌম্য তীব্ৰ উষ্ণ তোমাৰ কিৰণ ৰাশি
বিলোৱা বিলোৱা এই মৰুৰ মাজত,
ভেদাভেদ সকৰৰ উচ্চ নীচ অৱহেল্য
কিৰণৰ পৰশত উন্মুক্ত জগত।

শিকোৱা শিকোৱা মোক হে সোণালী সবিতা
প্ৰেমময় জ্ঞানময় জ্ঞানৰ মহিমা,
গৰ্ব্ব দ্বেষ অহঙ্কাৰ মাটিৰ এই সজাটোৰ
হকগৈ অনন্তত নীলিমত লীন;
পঠোৱা পঠোৱা সেই প্ৰেম সত্য অহিংসাৰ
সত্য শিৱ সুন্দৰৰ ভাতৃত্বৰ দান।
হে মোৰ প্ৰাণৰ সবিতা!
তুমি কি অমাতৰ মাত,
নহয় নহয় তুমি,
তুমি মোৰ ৰ'দালি।
আমি শান্তিৰ পথিক বিচাৰিছো শান্তিৰ পৰশ
দিয়া ৰ'দ—
আৰু এই ৰ'দৰ পৰশত
ফুলি উঠ কমলীৰ আধা ফুটা আধা কলি
বিলৰ মাজত।



সোণৰ অসম আমিয়ে গঢ়িম

—লীলাধৰ হাতীশইকীয়া

জাগা অ' জাগা
জাগা অ' দেশৰে
ডেকা গাভৰু গণ,
সোণৰ অসমৰ
আত্ম ৰক্ষাত
আমিয়েই কৰিমা ৰণ।
গাৰেঁ ভুঁইয়ে
নগৰে নগৰে
জ্ঞানৰ বন্তি জ্বলাম,
জুকলা জুপুৰা
ভাই অসমীয়াক
নতুন সাজেৰে সজাম।
আমি পঢ়িম
জ্ঞান বিজ্ঞান
নিৰক্ষৰতা দূৰ কৰিম,
শিক্ষা স্বাস্থ্য
কৃষি শিল্প
সৰ্ব্ব উন্নতি সাধিম।

অসমীয়া ভাষা
শঙ্কৰী ক'লা
সাহিত্যৰ ভেঁটি বান্ধিম,
দেশৰ শাসক
দেশৰ নাগৰিক
নতুন সাজেৰে সজাম।
সোণৰ অসম
আমাৰ অসম
অসমীৰ চকু-লোঁ মুচিম,
অসমৰ দুৰ্গতি
মধিমুৰ কৰিম
নতুন অসম গঢ়িম।
অ' যোৱা আগবাঢ়ি
অসমীৰ সন্ততি
ডেকা গাভৰু গণ,
জ্ঞান বিজ্ঞানৰ ৰংঘৰত
পৃথিৱীৰ নতুন যুগত
অসমীয়াৰ ৰাখিম জীৱন।

ফাকুৱা

—নীৰৱ কুমাৰ

হে বসন্ত যৌৱন মত্ত
কাৰ ইঙ্গিতত উথলা প্ৰাণ,
নহও মই ৰতি মদনৰ পত্নী
শুনিম তোৰ আহ্বান।
নহও তিলো সুন্দ উপসুন্দ বধি
ৰাখিম দেৱৰ মান
নহও মই ৰম্ভা মেনকা উৰ্বশী
কৰিবি বলিয়া প্ৰাণ।
বিশ্বামিত্ৰ ঋষি হওক বলিয়া
ভাগক তপস্যা বৰ,
পঞ্চম বিৰহ মাদকতাৰ ঢলে
আন দিবি মদনৰ।

শুনিছনে বাক শিৱৰ উদাস
পৰাজয় মদনৰ,
সতীৰ বিচ্ছেদে দগধ পৰাণ
ভোলানাথ যোগীবৰ।
শুনিছো শুনিছো ভঙুৱা বলিয়া
উমাপতি মহেশ্বৰ,
বাঘছাল থৈ কামিনীৰ সঙ্গে
ঘুৰি ফুৰা শঙ্কৰৰ।
বুজিব কি ৰতিৰ ৰিনিনি
আবেগী দেৱতাজনে,
উমা বিৰহত বিগলিত হোৱা
জটাধাৰী যোগী মনে।

পুৰুষেহে জানে প্ৰেমৰ মিলন
প্ৰকৃতিৰ আহ্বাহন,
জগন্নাথে জানে ঘুমুচাৰ কথা
দাৰুব্ৰহ্ম সনাতন।
মাদকতা ময় ধৰণীয়ে জানে
পঞ্চম সুৰৰ তান,
গোকুলৰ গোপী অলিয়া বলিয়া
প্ৰেমতে উতলা মন।
নাবাবি নাবাবি বলিয়া বাঁহী তোৰ
কলিয়া কপটী হিয়া,
যমুনা ওভটে হৰিণী নলবে
মদন বিভোৰা ধৰা।
নালাগে ফাকু তোৰ নালাগে মৰম তোৰ
ভিতৰে বাহিৰে ক'লা,
বাঁহীও বলিয়া যাদুকৰ হেৰ
গোপিনী প্ৰেম বিহ্বলা।
হে আই প্ৰকৃতি তোমাৰ ই আকৌ
কিহৰ নতুন মেলা,
কুঞ্জ মুকলিত পল্লৱ শোভিত
জয় জয় প্ৰকৃতি বালা।

কবিতা

—থুল কোঁৱৰ

হয়তো নোৱাৰো মই কবিতাৰে আঁকি দিব
শিৱ সত্য সুন্দৰৰ ছবি বিতোপন,
তথাপিতো কৰো মই সুন্দৰৰ আৰাধনা
যাচি যাচি আঁচলৰ সাঁচতীয়া ধন।
শেষ নিশা আকাশৰ ৰূপালি জেউতি আহি
আকুল মনক মোৰ কৰে বিয়াকুল,
মনৰ আঁৰত থকা চকামকা পোহৰত
বিধে বিধে দেখো মই কবিতাৰ ফুল।
মনৰ জাৰণি ভাঙি কবিতাৰ জুৰি বয়
সেউজীয়া পৃথিবীৰ ৰূপক বিচাৰি,
চিকিমিকি পোহৰেৰে ৰূপৰ জেউতি আহে
পুলকতে যাওঁ মই আপোন পাহৰি,
আধাফুটা ভাষাৰেই ৰূপৰ ছবিটি আঁকো
ইয়ে মোৰ মৰমৰ আপোন কবিতা,
মায়াময় পৃথিবীৰ ৰূপৰ সপোন দেখো
ইয়ে মোক দিয়ে আনি সৰগ বাৰতা,
জীৱন পোহৰ কৰা উজ্জ্বল সবিতা।

'সপোন হেৰাল'

—কোৱঁৰ

(১)

প্ৰেম ৰঙা সুকযৰ ৰঙালি কিৰণ পৰি
দীনতাৰ ক'লা ৰেখা হয় আলোকিত,
"কেতিয়া আহিব মোৰ" মৰমী কুৰঁৰী সখি
কোৱঁৰে তাকেই ভাবে পুৱা গধুলিত।

(২)

সঁচাই কুৰঁৰী মোৰ সঘনে বুকুত বাজে
দেখা নাই যদিওবা ছবিটি তোমাৰ,
কল্পনাই আঁকি দিয়ে নিজে চিত্ৰলেখা হই
সদায়ে বিচাৰি ফুৰা ছবিটি প্ৰিয়াৰ।

(৩)

আশা ভৰা হুচকুৰে সদয়ে বিচাৰি ফুৰে
নিজৰি বাগৰে য'ত সৌন্দৰ্য্য আকৰ,
ৰাহুৰে বিচাৰি ফুৰে প্ৰিয়াক সাবটি যেন
নউসনা চুমা দিব দুটি অধৰৰ।

(৪)

আধা ফুলা পদুমীৰ বুকুৰ পদুম কলি
কোমল পৰশে যেন দুগুণে ফুলাম,
গোলাপী গালক যেন দুগুণে ৰাঙলি কৰি
শতেক চুমাৰে ৰই গাল ওপচাম!

(৫)

নিৰল নিজান ঠাই এডোখৰি বাচি লই
পাতিম এখনি তাত সেউজীয়া পাম,
দুবৰি দলিচা পাতি বহি লই দুয়োটিয়ে
কবিতাৰে মালা গাঠি দুয়ো গীত গাম।

(৬)

কামিনী কাঞ্চন দুটি হিয়া ফুলনি ফুলে
যৌৱনৰ মহাভাৱ সহিব নোৱাৰি,
ভুলতো এবাৰ নৰে পাছে পাছে ঘুৰি ফুৰে
বুকুৰ অমৃত ৰাশি বিচাৰি বিচাৰি।

(৭)

দুখে ভৰা জীৱনৰ   ফুলনি খনিত মোৰ
সুফুলে গোলাপ মাথো ফুলিছে সদাৰ,
দুপুৱায় দুপুৱায়   দুখৰ আন্ধাৰ বাতি
ভাবিলে কি হ'ব যদি নাই পাৰাপাৰ।

(৮)

দৈন্যতাৰ মহাভাৰ   লই যদি জনমিলো
ববই লাগিব তেনে এই মহাভাৰ,
ভাবিলে গুণিলে একো   নাই তাত লাভা লাভ
যদিও জীৱন মোৰ তেনেই অসাৰ।

(৯)

তথাপিতো পৃথিবীত   পঞ্চভূতি দেহা লই
নৰৰ জনম যদি ললো ধৰণীত,
তেনেতো নিশ্চয় মই   মানুহ হিচাবে থাকি
ফুলাম ইপাহি ফুল হৃদি ফুলনিত।

(১০)

গছে গছে পাতে পাতে   লতাই লতাই দেখো
মোহিনীৰ মায়াজালে ধৰণী ঢাকিছে,
ৰূপক বিচাৰি ফুৰি   কত যে ৰূপহী কবি
ৰূপহীৰ ৰূপ চাই ছবিটি আকিছে।

(১১)

নাজানে সিহঁতে দেহি   মায়াৰ ডোলেৰে বন্ধা
খন্তেকীয়া ছায়া বাজী আহি গুচি যায়,
মোহিনীৰ ৰূপ দেখি   মখিচীকা খেদি খেদি
নিজৰ দেহাত মাথো ভাগৰ লগায়।

(১২)

মোহময়ী মৰমীয়ে   সানি লয় দুগালত
হিমানী কুঙ্কুম ৰাশি আমিজ আবিৰ,
কবিতা ছন্দিতা হই   দেখা দিয়ে দুচকুত
কবিৰ আগত আহি কবি তিৰবিৰ।

(১৩)

দৈন্যতাৰ ভাৱ'ৰীয়া   আকাশতো দেখা দিয়ে
আকাশৰ এখনি ছবি বিজুলিৰ দৰে,
মৰমী কবিয়ে দেহি   মৰমতে আকোৱালি
ওঠৰ চুমাটি যাচে অতি হেপাহেৰে।

(১৪)

ইদৰে ওঠৰ চুমা   কত যে লেৰেলি যায়
কত যে শেৱালী ফুল, ফুলি সৰিপৰে,
জীৱনৰ ভুলবোৰে   আকউ ভুলকে কৰে
যদিও নতুন পথ বাচিব নোৱাৰে।

(১৫)

সুবিশাল লুইতৰ   জীৱন বেহানি কৰা
অহা যোৱা কৰোতেই বাটত সদায়,
অজানিতে কৰবাৰ   ৰূপোৱালি ৰূপ এটি
আহি মোৰ অন্তৰত কঁপনি তোলায়।

(১৬)

লাজুকী ভাবেৰে ঢকা   ৰূপহী কুৱ'ৰী সেই
এটি বেকা চাৱনিৰে মোৰ ফালে চায়,
হয়তোবা কিবা এটি   কথা মোক সুধি চাব
গোটেই শৰীৰ মোৰ কঁপি উঠে হায়।

(১৭)

ষোলটি ফাগুণে সজা মলয়াৰ ৰেণু সানি
অপুৰ্ব্ব ৰূপৰ জ্যোতি চিত্ত বিমোহন,
মধুৰ কাকলি সুৰে গীত গাই আহে ধীৰে
দেখো এটি মৰতৰ ছবি বিতোপন।

(১৮)

জ্ঞানেন্দ্র নহও মই ইন্দ্রিয়ৰ দুৱাৰেদি
ৰূপৰো ৰূপক মই বাচি উলিয়াম,
কবিতো নহলো মই কবিতাৰ বোলনেৰে
তোমাৰ ৰূপৰ ছবি আঁকি দেখুৱাম।

(১৯)

ভাব হয় সপোনতে লৰালি কালত দেখা
পদুম বনৰ সেই ছবি বিতোপন,
অৰুণৰ ৰূপ ছবি অন্তৰত জাগি উঠা
উদয়াচলৰ সেই কনক কিৰণ।

(২০)

স্বভাৱ লাজুকী বালা অনন্ত মাধুৰী সনা
লাৱনী দেহাটি যেন শৰতৰ জোন,
মউসনা মিঠামাতে কাষ চাপি আহি মাতে
পুলকিত কৰি মোক মোহময়ী কোন?

(২১)

কাৰনো গীতত সখি হৰষিত প্ৰাণ মোৰ
স্ফটিকৰ বাৰি ধাৰা ধীৰে বই যায়,
সোণালী দলিচা পাৰি কৃষ্ণ. বিমোহনসুৰে
ৰূপৰ কোৰঁৰে নেকি মুৰুলী বজায়।

(২২)

জীৱনৰ মহাভাৰ সকলো পাহৰি মই
মাথো যেন চাই থাকো ছবিটি তোমাৰ,
এনেখনি ৰূপ ছবি সদায় লভিম যদি
আঁতৰিব শত জ্বালা চিৰ বেদনাৰ,

(২৩)

মনোৰমা ৰূপ ধৰি ৰূপত বুৰালা মোক
গীতেৰে বুৰাই যিটি দিলা সমিধান,
যদিওবা সপোনতে দেখিছো তোমাৰ ছবি
দিঠকতো পাও যেন একে সুৰ তান,

(২৪)

আহা তেনে কাষ চাপি দেবী বা মানবী প্ৰিয়া
দিঠকতে চাই লও ছবিটি তোমাৰ,
অন্তৰৰ শত ঢউ খলকনি মাৰ যক
বুকুত সাবটি যাচো চুমা অধৰৰ।

(২৫)

হয়তো তুমিয়ে মোৰ অলকাৰ পুন্যবালা
কল্পনাৰ মনালিচা কোনোবা কবিৰ,
তোমাৰ ৰূপৰ ছবি চকুৰ আগতে দেখি
সেয়েহে হইছো মই অথিৰ অবিৰ।

ক্রমশঃ

"তাৰ পূজা"

—নীৰৱ কুমাৰ

পুঞ্জীভূত বেদনাকে অকলশৰে বুকুত সাবটি ফুৰা
সি নীৰৱ পূজাৰী—
তাৰ শ্ৰান্তি ক্লান্তি একো নাই—
পূজাৰ নৈবেদ্য তাৰ কাৰণে নহয়—
তাকো তৃপ্তি পলাই অতৃপ্ত বাসনাৰে
উপভোগ কৰাৰ তাৰ, নাই অধিকাৰ,
দেৱতাৰ বেদীত, দেৱতাৰ শ্ৰীচৰণত—
দিছে ধূপ ধুনা—আৰু বা ক'ত কি?
তথাপি নিঠুৰ পাষাণী প্ৰতিমাৰ মুখত মাত নাই
সহৃদয়তা নাই
একাষাৰ সুৰদী মাত
নাইবা
বিহুবলীয়া বহাগীৰ আকুল আহ্বান—
একোকে নাই।
তাৰ পৰিবৰ্তে—
পাষাণী মূৰ্ত্তিয়ে তেওঁৰ কাষতে জিৰণি লোৱা
জেবেঙা জেবেঙ হাত ভৰিৰ মহ নামৰ প্ৰাণী কেইটা
পঠিয়াই দিছে—
আকুল সুৰেৰে প্ৰাৰ্থনা কৰা পূজাৰীৰ তেজটোপা
শুহি নিবলৈ।
নিয়া -
পূজাৰীৰ পূজাত অলপ ব্যাঘাত হওঁক।
দীনতা হীনতা ক্লিষ্ট পূজাৰীৰ,
নাই আধুনিক সামগ্ৰী -
নাই ষোড়শোপচাৰ উপহাৰ
সি দুখীয়া—
সেইবাবে তাৰ পূজাৰো আদৰ নাই।
তাৰ পূজা শেষ হ'ব
কিন্তু—
দক্ষিণাহে নালাগে তাক প্ৰসাদো খাবলৈ দিয়া নহয়
চিৰ সুন্দৰৰ এয়ে বিনন্দীয়া লীলা।

“উইলিয়াম ওৱৰ্ডচ্‌ওৱৰ্থ”

অনুবাদ – নিমাতী দেৱী

বাস্তৱবাদী জগতত বাস্তৱৰ আদৰ বেচি। সৰহসংখ্যক জনসাধাৰণেই ওৱৰ্ডচওৱৰ্থৰ কবিতাত ৰসিকতাৰ নিদৰ্শন কম পায় আৰু পবিত্ৰ ধৰ্ম্মোপদেশৰ প্ৰবৃত্তি বেচি বুলি ভাবে। সেইবাবে পশ্চিমীয়া বাস্তৱবাদী সাধাৰণ পঢ়ুৱৈ সমাজৰ মাজত যিমান প্ৰিয় হব লাগিছিল তেওঁৰ কবিতা সিমান প্ৰিয় নহয়। তথাপি তেওঁক এসময়ত বিদ্ৰোহী বুলি ধৰি লোৱা হৈছিল। এইটো ১৮০০ খৃষ্টাব্দত হৈছিল।

তেওঁ লোক-গীতৰ এটা সংগ্ৰহৰ দ্বিতীয় সংস্কৰণৰ নিমিত্তে এখন পাতনি লিখি তেওঁৰ বন্ধু চেমুৱেল টেইলৰ কলেৰিজৰ সৈতে কৃত্ৰিমতাপূৰ্ণ ৰূপসজ্জাৰ কবিতাসমূহক আক্ৰমণ কৰে। তেওঁলোকে সহজ সৰল দৃশ্যাৱলী, নীৰিহ জীৱন, প্ৰতিদিনৰ কথাবৰ্ত্তা, চলন-ফুৰণ আৰু প্ৰকৃতিৰ সূক্ষ্ম দৃষ্টিভঙ্গীৰ লগত হোৱা চিনাকীতেই আটাইত কৈ প্ৰকৃত কবিতাৰ মূল ভিত্তি পোৱা হয় বুলি ঘোষণা কৰিলে। কবি ওৱৰ্ডচওৱৰ্থে সদায় এইটো পাই আহিছিল আৰু বাৰে বাৰে ইয়াক প্ৰমাণো কৰিছে। তেওঁ কবিতাক প্ৰকৃতিৰ ৰাজ্যলৈ লৈ গৈছিল আৰু তাতে সৰলতাও ঘূৰাই পাইছিল।

কম্বাৰলেণ্ড পৰ্ব্বতীয়া অঞ্চলৰ ককাৰমাউথৰ এটা সম্ভ্ৰান্ত জমিদাৰ পৰিয়ালত তেওঁৰ জন্ম হয় ১৭৭০ খৃষ্টাব্দৰ ৭ এপ্ৰিলত লৰালি কালৰে পৰা তেওঁৰ সহজ, সৰল গাৱঁলীয়া জীৱনৰ প্ৰতি এটা গাঢ় আসক্তি আছিল। বিশেষকৈ বসন্তৰ মাধুৰিমাময় উন্মুক্ত প্ৰেমৰ বোল লগা তেওঁ জনা অঞ্চলবোৰ বৰ ভাল পাইছিল। হকশ্যেদ গ্ৰামাৰ স্কুল আৰু কেম্ব্ৰিজৰ চেণ্ট জন্স কলেজত তেওঁ তেওঁৰ শিক্ষা লাভ কৰে।

১৭৯১ খৃষ্টাব্দত তেওঁ ফ্ৰান্স ভ্ৰমণৰ কাৰণে বাহিৰ হয় আৰু অন্তঃকৰণেৰে সৈতে ফৰাচী বিপ্লৱৰ কাৰণ জানিবৰ কাৰণে মনোনিবেশ কৰে তেওঁ প্ৰায় জিৰণ দিন্স বিলাকৰ। The moderate revolutionary party) লগত যোগ দিও

দিও হৈছিল। কিন্তু, পৰিয়ালে এই কথাত অসম্মতি প্ৰকাশ কৰি টকা পঠোৱা বন্ধ কৰিলে যাতে তেওঁ বাধ্য হৈ ঘৰলৈ ওভতে। যদিও তেওঁৰ কবিতা পুস্তক "An evening walk" আৰু "Descriptive sketches" ১৭৯৩ খৃষ্টাব্দত প্ৰকাশ হয়, তথাপি প্ৰায় তেওঁ তিনি বছৰ অস্থিৰতাৰ মাজত কাল অতিবাহিত কৰিছিল। তাৰ পিচত ১৭৯৫ খৃষ্টাব্দত তেওঁ এটা সিদ্ধান্তলৈ আহে আৰু কবিতাময় জীৱন যাপন কৰিবলৈ স্থিৰ কৰি ভনীয়েক ডৰথীৰে সৈতে ডৰছেটৰ ৰেছডাওন নামে ঠাইৰ এটা জুপুৰীত বাস কৰিবলৈ গ'ল।

১৭৯৭ খৃষ্টাব্দত এলফে.ক্সডেন আৰু ছমাৰছেটত কলেৰিজৰ সঙ্গসুখ উপভোগ কৰে। গাঢ় মিলনৰ যোগসূত্ৰত ত্বয়ো আৰম্ভ হৈ কথাবৰ্ত্তা আৰু চলন-ফুৰণৰ মাজেদি কৰ্ত্তব্যৰত হয়। ত্বৰছৰৰ পিছত ওৱৰ্ডচ্ ওৱৰ্থে প্ৰথমতে লেক ডিষ্ট্ৰিক্টৰ গ্ৰাছমিয়েৰলৈ যায় আৰু জীৱনৰ বাকী কেইটাদিন অতিবাহিত কৰা ৰাইডাল মাউণ্টলৈ ১৮১৩ খৃষ্টাব্দত গৈ নিগাজীকৈ বহি লয়। ১৮০২ খৃষ্টাব্দত তেওঁ তেওঁৰ ভনীয়েকৰ বান্ধবী মেৰী হুটচিন্সনৰ পাণি গ্ৰহণ কৰে। ক্ৰমশঃ তেওঁ জনসাধাৰণৰ সমৰ্থন আদায় কৰে আৰু তেওঁ মৃত্যুৰ সাত বছৰৰ আগতেই তেওঁক কবি "ল্যাওৰেট" উপাধিৰে ভুষিত কৰে।

কবি ওৱৰ্ডচওৱৰ্থে কিছুমান সুন্দৰ, ভাষাৰ লালিত্যময়, মধুৰ চৌধ্যশৰীয়া কবিতা ৰচনা কৰে। এইবোৰত তেওঁৰ অধ্যাত্মিকতাৰ অপূৰ্ব্ব বিকাশ হোৱা দেখিবলৈ পোৱা যায়।—

Ne'er saw I, never felt, a calm so deep!

The river glideth at his own sweet will;

Dear God! The very houses seem asleep;

And all that mighty heart is lying still.

প্ৰথমতে যিবোৰ জনসাধাৰণে আদৰ নকৰিছিল, এতিয়া সেইবোৰে জনসাধাৰণৰ নিভৃত কোণ স্পৰ্শ কৰিবলৈ ধৰিলে। মানুহ আৰু প্ৰকৃতিৰ মাজত শান্তি-সৌম্য, আধ্যাত্মিক সম্পৰ্কৰ গুণৰাশিৰ ভিতৰলৈ, প্ৰকৃতিৰ শাৰীৰিক সৌন্দৰ্য্যৰ উৎকৰ্ষতাৰ প্ৰেমৰ নিমিত্তে কেনেকৈ তেওঁৰ লৰালি মন আকৰ্ষিত হৈছিল ইয়াৰ এটা বৰ্ণনা, তেওঁৰ জীৱনৰ বৰ্ণনা থকা দীঘলীয়া কবিতা The Prelude-অত পোৱা হয়। ই মানসিক উৎকৰ্ষতাৰ পৰিচায়ক। লৰালিৰ কবিতা বহীত লিখা তেওঁৰ তলৰ ফাকিটোতে প্ৰকৃতিৰ সনম্ৰ অৱদানৰ এটা সহজ সৰল অথচ নৈতিক শিক্ষা পোৱা হয়। ইয়াতে তেওঁৰ ধৰ্ম্মোপদেশৰ ঔৎস্যকৰ তৎপৰতা ফটফটীয়াকৈ জিলিকি উঠে।

Small service is true service while it lasts;
Of humblest friends, bright creature! Scorn not one.
The daisy, by the shadow that it casts,
Protects the lingering dewdrop from the sun.

ওৱৰ্ডচ্ ওৱৰ্থৰ মতে কবিতা হৈছে শক্তিশালী আবেগৰ স্বতঃস্ফূৰ্ত্ত মূৰ্ত্তপ্ৰকাশ। অৱশ্যে ইয়াৰ উৎপত্তি হৈছে শান্ত সৌম্য সোঁৱৰণৰ প্ৰকৃত আবেগ। বিশেষ গুণ সম্পন্ন তেওঁৰ বিখ্যাত "The Daffodils" কবিতাত ইয়াৰ ধাৰণা ভালকৈয়ে প্ৰকাশ পাইছে, ইয়াত তলৰ ফাকিটো তুলি দিয়া হল।

For oft, when on my couch I lie
In vacant or in pensive mood,
They flash upon that inward eye
Which is the bliss of solitude;
And then my heart with pleasure fills,
And dances with the daffodils.

"পাৰম্পৰিক-যোগসূত্ৰ – অভিমত"ৰ

অধিকৰ্ত্তা আইনষ্টাইন্

অনুবাদ—নিমাতী দেৱী।

আনৱিক শক্তিৰ ভু দিওতা বৈজ্ঞানিক, এলবাৰ্ট আইনষ্টাইনৰ জন্ম হয় ১৮৭৯ খৃষ্টাব্দত জাৰ্ম্মানীৰ ওঁৰটেম্বাৰ্গৰ আলমত। তেওঁৰ পিতা মাতা জাৰ্ম্মান আৰু ইহুদী। সেইভাৰ মিউনিকত থকা বৈদ্যুতিক কাৰখানা এটাৰ গৰাকী আছিল কাৰণেই তেওঁ লৰালি কাল তাতে অতিবাহিত কৰে। পিচত তেওঁ অধ্যয়নৰ কাৰণে চুইজাৰলেণ্ডলৈ যায়। জুৰিক বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ পৰা আৱশ্যকীয় পাঠ (lecture) আহৰণ কৰাৰ লগে লগে নিজক আধুনিক জগতৰ লগত খাপখুৱাই খোজতে খোজ মিলাই চলিবলৈ বুলি অঙ্কশাস্ত্ৰ আৰু পদাৰ্থ বিজ্ঞানৰ শিক্ষণীয় বিষয়বোৰো নিশিকাকৈ নেৰিছিল।

১৯০১ খৃষ্টাব্দত তেওঁ চুইজাৰলেণ্ডৰ স্বত্ব ৰেজিষ্টাৰী কৰা অফিচৰ স্বত্ব ৰেজিষ্টাৰ্ডসকলৰ এজন পৰীক্ষককপে নিযুক্ত হল। তেতিয়াৰে পৰাই তেওঁ আজৰি পোৱা সময় খিনিত অভিমত সম্পৰ্কীয় পদাৰ্থ বিজ্ঞানত (Theoretical physics) মনোনিবেশ কৰে। সদৌশেহত ১৯০৫ খৃষ্টাব্দত তিনিখন ৰচনাৰ প্ৰথমখন প্ৰকাশ কৰে আৰু এই কেইখনেই ৰচয়িতাক পৃথিবীৰ বৈজ্ঞানিক সকলৰ প্ৰথম শাৰীত স্থান দিয়ে।

ইতিমধ্যে তেওঁ চুইজাৰলেণ্ডৰ নাগৰিক হয় আৰু ১৯০৯ খৃষ্টাব্দত জুৰিক বিশ্ববিদ্যালয়ৰ এটা

বিশিষ্ট অধ্যাপকৰ পদবীত নিযুক্তি পায়। ইয়াৰ শেহৰ চাৰি বছৰো তেওঁ প্ৰেগ, বার্ণ আৰু সিভন বিশ্ববিদ্যালয়ত একে ধৰণৰ অধ্যাপকৰ পদকে গ্ৰহণ কৰে। বাৰ্লিনৰ কেইজাৰ উইলহেম পদাৰ্থিক গবেষণাগাৰৰ বিশেষ পৰিচালকৰ পদ তেতিয়া তেওঁৰ কাৰণে সৃষ্টি কৰা হয়। ইয়াত তেওঁ মুক্ত ভাবে সকলোখিনি সময় বৈজ্ঞানিক তথ্যৰ অনুসন্ধানত (Research) অতিবাহিত কৰিব পাৰিছিল। ব্যৱসায়িক পদবীৰ আলৈ-আথুকাল আৰু সৰ্ব্বসাধাৰণ দৈনন্দিন কৰ্ত্তব্যৰ দায়িত্বৰ আমুৰিৰ পৰাও বেহাই দিয়া হৈছিল। এই কাৰণেই একাগ্ৰ চিত্তেৰে অনুসন্ধিৎসু মনক লগাই থাকিবলৈ সুবিধা পাই ১৯১৫ খৃষ্টাব্দত তেওঁ দ্বিতীয়খন ৰচনা প্ৰকাশ কৰে। এইখনেই বিখ্যাত "সাধাৰণ পাৰস্পৰিক যোগসূত্ৰ"ৰ (Theory of relativity) অভিমত, ১৯০৫ চনৰ খনৰ পৰা ই সম্পূৰ্ণ পৃথক আছিল। ইয়াতে পৰমাণুবোমাৰ অন্তৰ্নিহিত আনুমানিক তথ্যৰ আভাস পোৱা হয়।

আইনষ্টাইনে ১৯২০ খৃষ্টাব্দতহে জগতজোৰা যশস্যাৰ অধিকাৰী হব পাৰিছিল। বহুত বিশ্ব-বিদ্যালয়ে সন্মানিত উপাধি প্ৰদান কৰাৰ বাহিৰেও ১৯২১ চনত তেওঁক পদাৰ্থ বিজ্ঞানৰ উৎকৰ্ষৰ কাৰণে "নবেল বঁটা" বিতৰণ কৰা হয়। তাৰোপৰি ৰাজকীয় সমাজৰ (ইংলণ্ডৰ) এজন বিদেশী সভ্য-ৰূপে নিৰ্ব্বাচিত হয়। ১৯৩০ চনৰ আৰম্ভণিতে তেওঁ ইংলণ্ড আৰু আমেৰিকা পৰিভ্ৰমণ কৰে। ইপিনে আমেৰিকাত থাকোতেই ইহুদী-বিদ্বেষী জাৰ্ম্মানীৰ নাজী শাসক মণ্ডলীয়ে কেইজাৰ উইলহেম গবেষণাগাৰৰ পৰিচালনাৰ পদবীৰপৰা বঞ্চিত কৰে। সেইবাবেই আমেৰিকাত নিগাজীকৈ থাকিবলৈ লয় আৰু নিউ জাৰ্চিৰ প্ৰিন্সটনত তেওঁ পৰিবৰ্দ্ধিত অধ্যয়ন বিদ্যালয়ৰ (Institute of advanced study) অধ্যাপক ৰূপে নিযুক্ত হয়। একক ক্ষেত্ৰিক অভিমত সাব্যস্ত কৰিবৰ কাৰণে মাধ্যাকৰ্ষণ আৰু চৌম্বক শক্তিৰ লগত সম্পৰ্ক ৰাখি পাৰস্পৰিক যোগসূত্ৰৰ অভিমতক তাৰু সুদূৰপ্ৰসাৰী কৰিবলৈ গবেষণা আৰম্ভ কৰিলে। তেওঁৰ "সংযুক্ত ক্ষেত্ৰীয় অভিমত"ৰ এটা সমসংখ্যা (Equation) ১৯৫০ চনত প্ৰকাশ হয়।

প্লেঙ্কৰ পৰিমাণিক অভিমত (Quantum theory)ৰ নিদৰ্শন উপলব্ধি কৰা সকলৰ ভিতৰত তেৱেঁই প্ৰথম আৰু পোহৰ বিক্ষিপ্তকৰণ (Radiation) অভিমতৰ প্ৰসাৰণত বিশেষ অংশ গ্ৰহণ কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ আৰম্ভণিতে পৰমাণু বোমাৰ গবেষণাত অগ্ৰসৰ হবলৈ যুক্ত ৰাজ্যৰ গভৰ্ণমেণ্টক উদগনি দিয়া লঘিষ্ঠ বৈজ্ঞানিক দলটোৰ এজন সক্ৰিয় সভ্যও আছিল।

আনৰ কৃতিত্বৰ সূক্ষ্ম ৰাপৰ বিকাশত ঈৰ্ষান্বিত নোহোৱা বৈজ্ঞানিক হিচাবে আইনষ্টাইনৰ প্ৰতিভা প্ৰণিধানযোগ্য। তেওঁ অনুসন্ধিৎসু আৰু কাল্পনিক। তাৰোপৰি ভায়োলিনত যথেষ্ট হাত আছিল। তেওঁ বিবাহিত আৰু লৰাছোৱালী তিনিটাৰ জন্মদাতা।

১৯৫২ চনত ইজৰাইলৰ সভাপতিৰ কাৰণে দিয়া পৰামৰ্শৰ মনোনয়ন গ্ৰহণ কৰিবলৈ আইন-

ষ্টাইনে অস্বীকাৰ কৰে। তেওঁ শান্তিৰ বিশ্বাসত আবেগী আৰু ইয়েই মানৱজাতিৰ ভালৰ কাৰণে পৃথিৱীৰ সংহতিৰ আৱশ্যকীয় প্ৰথম স্তৰ হিচাবে সৰ্ব্বজাতীয় আনবিক শক্তিৰ যাৱতীয় পৰীক্ষা আৰু অস্ত্ৰ-শস্ত্ৰ বন্ধৰ কাৰণে অনুৰোধ জনাবলৈ তেওঁক অনুপ্ৰেৰণা যোগাইছে।

ৰাষ্ট্ৰপতিৰ জীৱনীৰ ধাৰা

১৮৮৪ চনত বিহাৰত জন্ম, ১৯১৭ চনৰ চম্পাৰণ জিলাৰ কৃষক বিদ্ৰোহত অংশ গ্ৰহণ, ১৯২২ আৰু ১৯৩৪ চনৰ গয়া আৰু বোম্বে কংগ্ৰেচৰ সভাপতি, Indian Academy of History—অৰ ১৯৩৬ চনত মঠাধ্যক্ষ, ১৯৪১ চনত জেইল, ১৯৪৬ চনৰ ২ চেপ্টেম্বৰত কেন্দ্ৰীয় মন্ত্ৰী সভাৰ কৃষিমন্ত্ৰী, পিচত Indian Constituent Assembly ৰ অধ্যক্ষ, ভাৰত গণৰাজ্য হোৱাৰ পৰা ৰাষ্ট্ৰপতি।

প্ৰবীণ ৰাজনীতিজ্ঞ ৰাজা গোপাল আচাৰীয়ৰ সোণালী ক্ষণবোৰ

মাদ্ৰাজৰ গোড়া ব্ৰাহ্মণ পৰিয়ালত জন্ম, বয়স প্ৰায় ৭৯ বছৰ, স্ব সত্ত্বা অটুট ৰখা স্বাধীনতা আন্দোলনৰ নিৰ্ভীক সৈনিক, কায়েদে আজম জিন্নাৰ পাকিস্তান দাবীৰ লগত বুজাবুজি হোৱা C R. সূত্ৰ প্ৰণেতা, পশ্চিম বঙ্গৰ গভৰ্ণৰ, প্ৰথম ভাৰতীয় গভৰ্ণৰ জেনেৰেল, কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সভা, পিচত মাদ্ৰাজৰ মুখ্য মন্ত্ৰী, আৰু বৰ্ত্তমান ৰাষ্ট্ৰভ ষা লৈ কৰা বাদ-বিসম্ব দৰ অহৈতুক হোতা



ভাৰতৰ ভাগ্য নিৰ্ণেতা, স্বাধীন ভাৰতৰ সৰ্ব্বপ্ৰথম গুৰিধৰোতা প্ৰধানমন্ত্ৰী শ্ৰীনেহেৰু।

‘নিৰঞ্জনৰ সংসাৰ’

—নবিন কুমাৰ



(নিৰঞ্জন এজন নিম্নাহিত দুখীয়া শিক্ষক। লীলা তেওঁৰ বিবাহিতা স্ত্ৰী। লৰা-ছোৱালী তিনিটা বুলু, থুলু আৰু জালী)

নিৰঞ্জন কতা ধাৰ। কেউপিনেই ধাৰ। বজাৰৰ পিনে যাবা দোকানীক পয়চা লাগে, সেই হুৰিমলটোক দেখিলে যে ধাতুটোৱেই উৰি যায়। স্কুল মেনেজিং কমিটি খনক সিবাৰেই ৰূপ দুশ ধাৰলৈ বিচাৰিছিলো। দিলে জানো? ক'লে Provision নাই। দুখীয়াৰ সংসাৰ আৰু এইদৰে নচলে।

লীলা—চলিব, কেলেই নচলিব। বোলো মানুহে আৰ্জ্জন চাই ভগন কৰিলেহে হয়। উপাৰ্জ্জনৰ পিনে সেই সোপা সিপিনে পোনহৃত তাহকচোন—গোটেই সংসাৰখন তল গলেও পাবলৈ নোহোৱা হব।

বুলু—অই মা, মা,--অই বৰ বেয়া মানুহ অ' দেউতাই গানহে শিকায়। আমি জানো নিশিকো।

থুলু—ওঁ গানহে শিকায়। অই নিশিক যেতিয়া আমাকো নিদিয় শিকিবলৈ।

লীলা—দিম, মাৰে তহঁতক গান শিকিবলৈ। ভালকৈয়ে দিম। সিপিনে ভেহেলা, হাৰমনিয়াম এই সোপা ক'ৰপৰা আহিছে অ'। খাবলৈ নাই কণটো, বহসবাহলৈ মনটো। তহঁতি মনে মনে থাক, এৰে ঢকাই চেপেটা কৰিম।

বুলু ওঁ ঢকা দি চেপেটা কৰিবি? অ' দেউতা, অ', দেউতা, মাই আমাক ঢকা দিব খুজিছে।

নিৰঞ্জন—তোমাৰনো কি হ'ল হে। মোৰে সৈতে চুপতি কৰিছা, কৰিছা—এই কণ কণ লৰা-ছুটাৰ লগত চুপতি কৰিলেনো আকৌ কি লাভ হব?

লীলা—একো লাভ নহয়। আপোনাৰ মুখটো হ'ব। কাৰোবাৰ ঘৰৰ নিমন্ত্ৰণী এটা পালেও পিন্ধি যাবলৈ অলঙ্কাৰ এটা নাই,।

নিৰঞ্জন—অ' সেইটো কথা, বাৰু এইবাৰ কৰাই দিম বুলিছো নহয়, দিমেই।

লীলা—দিবতো, এইদৰে কেই বছৰ পাৰ হ'ল। আৰু বা কত বছৰ যায় ঠিক নাই। যোৰোণত দিয়া অলঙ্কাৰ কেই পদেনো আৰু কিমান দিন যাব?

নিৰঞ্জন--(হুমুনিয়াহ কাঢ়ি) পাটীৰ তিৰোতায়ো দুখ নুবুজা হল ভগবান !

(পোনা, ননী, মনি, গুণ লতিকা ওচৰৰ সৰু লৰাছোৱালী ৫ম, ৬ষ্ঠ মানলৈ পঢ়িছে মাত্র। পোনা অলপমান বুজন। প্রায়ে গান শিকিবলৈ নিৰঞ্জনৰ ওচৰলৈ আহে ।)

আহা পোনাহঁত ! তোমালোকলৈকে বাট চাই আছো-আহা।

বুলু—আমাৰ মাই তোমালোক অহা খং কৰিছে নহয় ?

নিৰঞ্জন—মনে মনে থাক। কিবোৰ গাইছে অ'। (পোনাহঁতক) পিছে মই শিকোৱা গীতটো তোমালোকৰ ভাল হৈছেনে ?

আটাইবোৰ—ওঁ হৈছে। কালি বড়গীত এটা শিকাব খুজিছিলে নহয় ?

পোনা—ওঁ ফাকুৱাৰ বড়গীতটো। কাইলৈ আমি গাব লাগিব নহয় ?

ননী—ওঁ গামটো। লতিকাই মই গাই থাকোতেই ফাকু মাৰিব খুজিছে নহয়।

নিৰঞ্জন – ওঁ গাবা সোণহঁত ! মই হাৰমনিয়মটো ধৰো। তোমালোকে মোৰ লগে লগে গাই যাবা।

"ৰঙে ফাকু খেলে চৈতন্য বনমালী।"

জালী—(ফুটা নুফুটা মাতেৰে দৌৰি সোমাই আহি) অ' দেউতা, মাই বৰকৈ কান্দিছে অ'।

নিৰঞ্জন—এৰা কেচা খৰিৰে জুই ধৰিব পৰা নাই। নহয় জানো ?

থুলু – নহয় দেউতা।

গুণ – কান্দিছে, কেলেই কান্দিছে অ' থুলু।

নিৰঞ্জন—(থুলুলৈ পোন্দোৱাকৈ চাই) নহয় সোণহঁত, কেচাখৰি ফুৰাওতে চকুৰ পানীহে ওলাইছে।

মণি—আমাক বেয়া পাই ছাৰ ! কেবাদিনো আমাক পোন্দোৱাকৈ ধৰিছে।

নিৰঞ্জন—নাই তেওঁ সেনেবুৱাইহে।

লীলা—(ভিতৰৰ পৰা) ভাল ভগবান মোক খালা, এই কণ কণ লৰাছোৱালীবোৰ লৈ মাত্র গানৰ অখৰাবোৰ পাতি থাকিব আৰু ইপিনে ভিতৰ বাহিৰ কেউপিনেই উদং।

পোনা –আমি এতিয়া যাও ছাৰ, আজি আবেলিলৈ আকৌ আহিম—অ' ননী, লতিকা, গুণ—আজিলৈ আমি যাও আহ।

নিৰঞ্জন—এৰা আজিলৈ যোৱা। আবেলিকৈ আহিবা। মই আজৰি হৈ থাকিম।

ননী—মোৰ হলে বড়গীতটো শিকিবৰ মন আছিল।

পোনা – আহ ! আজিলৈ নালাগে। অথনিকৈ শিকিম। (টানি লৈ যায় আৰু আটাই কেইটা ওলাই যায়।)

নিৰঞ্জন—(ভিতৰলৈ গৈ) তোমাৰনো কি হ'ল হে। মোক মোৰ সৰু সৰু ছাত্রৰ আগতো লাজ দিবলৈ নেৰিলা।

লীলা—মইহে আকৌ লাজ দিছো. আপোনাৰনো! এইবোৰ স্কুলতো ছাত্র, ঘৰতো ছাত্র—সকলোতে ছাত্র। নেদেখিছো বোলো—দৰ্ম্মহা দিছে কিমান ? আগে দিয়েই মটৰ গাড়ী লৈ বাপেকহঁত ভোঁ ভোঁ কৰে দৌৰ মাৰিব।

পয়চা এটাও কেতিয়াবা ধাৰলৈ বিচাৰিলে নিদিয়ে। এইবোৰৰ লৰা-ছোৱালীবোৰক গান শিকালে কি হ'ব ?

নিৰঞ্জন—কি হ'ব ! মোৰ যে সিহঁত ছাত্ৰ।

লীলা—ছাত্ৰ মুৰটো। বিপিনকো গান শিকাই-ছিলে নহয়। তেওঁ এতিয়া হাকিম। কিমান পয়চা দি সহায় কৰিছে জনা আছে।

নিৰঞ্জন—এৰা লীলা, তুমিও মোক নুবুজিলা। তোমাৰ শৈশৱ কালত মই যে এদিন গান শিকাইছিলো মনত আছেনে ? তেতিয়া কেনে লাগিছিল।

লীলা-বৰ ভাল লাগিছিল। এই মথাকো বিয়া কৰাই লক।

নিৰঞ্জন—তুমি নুবুজা লীলা। তোমাকো মই বিয়া কৰাবলৈ গান শিকোৱা নাছিলো। সংসাৰৰ জ্বালা-যন্ত্ৰণা, অভাব আৰু অনাটনক্লিষ্ট মন-টোক অলপ শান্তি দিবলৈহে এনে কৰো। গানে মোৰ মনৰপৰা এই চিন্তাবোৰ আঁতৰাই নিয়ে লীলা।

লীলা—ওঁ বুজিছো। সেইবাবে হাৰমনিয়ম, ভেহেলা-এইবোৰ কিনিবলৈ পয়চা ওলায়। এইদৰেই চব অভাব অনাটনবোৰ গুচি যাব! আপুনি এই হাৰমনিয়ম ভেহেলা-এইবোৰ এৰকচোন।

নিৰঞ্জন—এৰিম লীলা লগে লগে বাকীদাৰৰ তৰ্জ্জনা গৰ্জ্জনালৈ মনত পেলাই উচুপি থাকিম তোমাৰদৰেই। তুমি হাঁহিবা।

লীলা—অ,পুনিও মোক বুজা নাই। এইবোৰ এৰি এই সময়খিনি Tution কৰক। হাৰ-মনিয়ম, ভেহেলা এইবোৰ বেচি দি বিশেষকৈ হৰিমলৰ লেঠাটো মাৰক। তাৰ মাতটোত মোৰ শৰীৰ অৱশ হৈ যায়। (হুমুনিয়াহ কাঢ়ে।)

নিৰঞ্জন—কৰিম লীলা-চব কৰিম। পিছে তেতি-য়াও বাকীৰ ঘৰত সদায়েই শূণ্য হ'ব। বাকীদাৰৰো আঁটাইবোৰ লেঠা নমৰে।

লীলা-মৰিব ! আবেলিৰ আজৰি সময়খিনিত কোৰমাৰি ঘৰৰ ওচৰতে শাক পাচলিৰ বাৰী এখন কৰক। বজাৰৰ পৰা আৰু শাক পাচলি কিনিব নলগীয়াত পৰিব। ময়ো সহায় কৰিম। কাপোৰ চিলাই কৰা মেচিন এটা আনি দিয়ক-মই নিজে কাপোৰ চিলাই কৰিম। আৰু আপুনিও পুৱা গধুলি যি এটা পায় তাৰে Tuticn লক।

নিৰঞ্জন—জগত বৰ কঠোৰ লীলা, দুখীয়া শিক্ষ-কৰ প্ৰতি নিয়তিৰ হাঁহি তুমি জানো গুচাব পাৰিবা ?

লীলা—আপুনি সেইবোৰ বাদ দিয়ক।

হৰিমল—(বাহিৰত) কোন আছে। এইফালে ওলাই আহক। আজি ছমাহ হলহি। আজিও পয়চা এটা দিয়া নাই। ভাল ধাৰখোৱা মানুহ অ'। এপয়চা নহয়, দুপয়চা নহয়, একেবাৰেই ২০০৲ দুশ টকা।

(হৰিমল অতীজতে এজন অসমীয়া মানুহ আছিল। বৰ্ত্তমান নগৰত ব্যৱসায় কৰিবলৈ মাৰোৱাৰী বেপাৰীৰ ভাও লৈছে।)

নিৰঞ্জন—কি কৰো লীলা, মই নিৰুপায়।

লীলা—আপুনি ভিতৰতে থাকক। যাব নালাগে। মই যাওঁ।

লীলা—(বাহিৰলৈ গৈ) বহক, হৰিমল বাবু। আপোনাৰ লেঠাটো মাৰিব নোৱাৰি আমি বৰ লাজ পাইছো।

হৰিমল—লাজ পালেই হলনে? মোক যে টকা লাগে।

লীলা—তেখেত আজি নাই, যি কিয়েই নহওক মই আপোনাক আজিৰ পৰা এমাহৰ মূৰত আপোনাৰ ধাৰৰ আমি কিছু টকা পৰিশোধ কৰিম। আৰু তিনি মাহৰ মূৰত সকলো দি শেষ কৰিম। মোক বিশ্বাস কৰক।

হৰিমল—বিশ্বাস আৰু কাক কৰিম। সদায়েই এই ভেকো ভাৱনা।

লীলা—ভেকো ভাৱনা নহয় হৰিমল বাবু! মই আপোনাক আজিলৈকে কাহানিও টকা পৰিশোধ কৰাৰ কথা কোৱা নাই।

হৰিমল—সেইটো হলে হয়।

লীলা—তেনেহলে প্ৰথম মাহত এশ, আৰু বাকী দুমাহত পঞ্চাশ পঞ্চাশকৈ দি শেষ কৰিম।

হৰিমল—কৰিলে ভালেই হয়। গৃহ লক্ষ্মীবুলিহে আইদেউ আপোনাক বিশ্বাস কৰিলো। পিছে সুদখিনি কি হব?

লীলা—আমি বৰ দুখীয়া হৰিমল বাবু! সুদৰ টকা গোটেইখিনি দিব নোৱাৰিম। ইয়াৰ সলনি আপোনাৰ সৰু ছোৱালীজনীক দুমাহ মই চিলাইৰ কাম শিকাই দিম।

হৰিমল—কালিৰে পৰা শিকাব জানো?

লীলা—ওঁ শিকাম। চাৰিটা পুতলি পাৰ হৈ গৈ নিতৌ পিচবেলা ৬ টাৰ পৰা ৭ টালৈ এঘণ্টা শিকাম।

হৰিমল—পিছে অত টকা কি হ'ব?

লীলা—বিশ্বাস কৰক, আপুনি আৰু টকা বিচাৰি এদিনো নাহিব। নিৰ্দ্দিষ্ট দিনমতে আপোনাৰ টকা তেখেতে ঘৰতে দি আহিবগৈ।

হৰিমল—সেয়ে হলে বিশেষ আপত্তি নাই। কিন্তু মাষ্টৰ আহিলেই কিবা এটা কৰিবলৈ কৈ দিব।

লীলা—যাওক হৰিমল বাবু! মই কোৱামতেই কৰিম। (হৰিমল যোৱাৰ পিনে চাই থাকে)

নিৰঞ্জন—(পিছফালৰপৰা) লীলা! আমাৰ প্ৰতি বিধি সুপ্ৰসন্ন নহয় লীলা—ধাৰ কেনেকৈ মাৰিবা।

লীলা—আপুনি মোৰ কথামতে চলকচোন। বস্তুবোৰ ১৫ দিনমানৰ ভিতৰতে বেচিব পাৰিব। ময়েই এই চুবুৰীৰ ভিতৰতে আপোনাৰ টিউশ্যনৰ খবৰ ৰাখিছো। অমল আৰু মীনাৰ দেউতাকে এজন ঘৰুৱা শিক্ষক বিচাৰিছে। মাহে ২০৲ বিশ টকাকৈ দিব।

নিৰঞ্জন—সেয়ে হব লীলা।

লীলা—তাৰোপৰি ঘৰ চলোৱাৰ খৰছ আপুনি নকৰিব। মই নিজেই হিচাব পত্ৰ কৰি ঘৰ চলাম।

নিৰঞ্জন—ময়ো জানো বেচি খৰছ কৰো। কেৱল মাত্ৰ হাৰমনিয়ম আৰু ভেহেলা সোপাতহে খৰছ হৈছিল।

লীলা—ময়োতো তাকেই কৈছিলো।

নিৰঞ্জন—নাজানা লীলা! সেই সোপাও মোৰ উপাৰ্জ্জনৰ টকা নহয়। অলপমানহে মই নিজে খৰছ কৰিছো। বাকীখিনিত বিপিন-ইতে সহায় কৰিছিল।

লীলা—এইবাৰ আপুনি আৰু উপায় উলিয়াই দিলে। আপোনাৰ নাক কাণ ৰখাবলৈ বিপিনহঁতেও জানো সহায় নকৰিব?

নিৰঞ্জন—নাজানা লীলা! ভিক্ষাবৃত্তিৰ সমান বেয়া কাম একো নাই। আজি তোমাক অলঙ্কাৰ দিব পৰা নাই। অলঙ্কাৰ নহয় ভাল কাপোৰ এযোৰকে দিবপৰা নাই, এইবাবেহে লীলা।

লীলা—মোক আপুনি একো দিব নালাগে। ভগবানে আমাক এনেয়ে দিব। কিন্তু এই গাল লৈ দিনে ৰাতি কোৢাল কৰি থাকিলে মোকো অলঙ্কাৰ দিব লাগিব। নহলে মই দেউতাৰ ওচৰলৈ গুচি যামগৈ।

নিৰঞ্জন—যাব নালাগে লীলা! অলপ চেষ্টা কৰিয়েই চাওচোন।

(লীলাই মিচিক কৰে হাঁহি ভিতৰ সোমাই গল)

"লৰুৱাৰ বিপৰ্য্যয়"

—নবিন কুমাৰ।

(এটা গাৱঁলীয়া ৰাস্তাৰ দাঁতিতে খৰুৱাই খৰিকাটি থাকে। ঠাই ডোখৰ নিজান)

খৰুৱা—উস্ এভাৰ খৰিও হোৱা নাই। ইমান গৰম, ৰ'দটোও কম নহয়।

(এটা মাত—অ' সুমথিৰা বৰ ভাল খাবলৈ)

খৰুৱা—হেৰৌ সুমথিৰা কোনে খাইছ। মোকো এটা দে অ'। খৰি ক টি কাটি ভাগৰ লাগিছে

মাত—খাইছোনে, চাইছো অ'? খাবলৈ পোৱা হলে এইদৰে হুমুনিয়াহ কাঢ়ি থাকোনে?

খৰুৱা—হেৰৌ, সুমথিৰাবোৰ বখলিয়াই খাই থলেই হয়। সিহঁতি নাখাবি বুলিবনে? ৰ' ময়ো গৈছো। (খৰুৱাই দৌৰি গৈ লৰুৱাৰ ওচৰ পায়গৈ।) হেৰ, সুদা মানুহটোহে দেখোঁন। একোটো নাই। মূৰে কপালে হাত দিনো কি ভাবিছ অ'।

লৰুৱা—কিনো ভাবিছো, ক'ম কিটো হেৰ' সুমথিৰা, সুমথিৰা, কেনে ভাল নামটো (হাঁহে)

খৰুৱা—হেৰৌ, নামটো শুনিছো। খাবলৈ পালেহে ভাল লাগিব।

লৰুৱা—হেৰৌ, এইদৰে খাবলৈ পোৱা নাযায়।

(মুখ আমোলাই)

খৰুৱা—ওঁ, কি হৈছে ভালকৈয়ে কচোন। কোন ৰূপহীয়েনো তোৰ গাত বান মাৰিলে অ', কচোন ক?

লৰুৱা—হুঃ, তইনো কি জান অ' সুমথিৰা যি সুমথিৰায়েই। গালখন টিক্ টিক্ কৰে ৰঙা, যেনিবা স্বৰ্গৰ অপেস্বৰীহে। নাই, মই— তাই কি কব নোৱাৰো

খৰুৱা—অ' ভেকোলা বুঢ়াৰ জীয়েক সুমথিৰা। তই দেখোন আজি ছমাহে ভেটিভাৰ খুৰাই আছ। বুঢ়াই অত বস্তুবোৰ খাই থাকি তোক ছোৱালীজনী নিদিবনে?

লৰুৱা—হেৰৌ, সদায় কিমান চাই থাকিবি, সুধিলে অন্য কথা উলিয়ায়।

খৰুৱা—বাৰু আজি তয়ো ওলা, ময়ো ওলাওঁ। আবেলিকৈ বুজিছ—সুধি পেলোৱা হক।

লৰুৱা—এৰা পাই। তইহে মোৰ বুকুৰ কুটুম ঐ। মই ওলাই থাকোগৈ বুজিছ।

পট পৰিবৰ্ত্তন

* * * *

(ভেকোলা বুঢ়াই যদু বুঢ়াৰ লগত কথাপাতি থাকে)

যদু—বুজিছে হৰি ভকত। মই এই বছৰৰ জেঠ

বা আহাৰ মাহতে কামটো শেষ কৰিব পাৰিলে ভাল পাওঁ। লৰাও ডাঙৰ হল আৰু আপোনাৰ ছোৱালীও কেচুৱা হৈ থকা নাই!

ভেকোলা—হওঁতে হয়। পিছে মোৰ হাতত ফুটা কড়ি এটাও নাই। বিয়াখন বুলিলেই বিয়াখন পাতিব পাৰি জানো? এহেজাৰ-মান টকা লাগিব। তাৰে যদি সাত শ মান নিদিয়ে মইনো বিয়াখন বুলিলেই বিয়াখন পাতিব পাৰোনে?

যদু আপুনি অলপ বেচি কৰিছে। মইতো পাঁচ শ দিম বুলিছোৱেই। তাত মোৰো একেটি লৰা। তাৰো মনস্থ হৈছে দেখিহে আপো-নাক টানি ধৰিছো। নহলে আন্য ঠাইলৈহে যাম বুলি ভাবিছিলো।

ভেকোলা—নহয় হৰি ভকত। মই টকা লব খোজা নাই। ছোৱালী আপোনাৰহে। গতিকে বিয়াখন পাতি যদি নিব পাৰে মোৰ কবলৈ একো নাই। মোৰ হাতত যে এটা পয়চাও নাই। আপোনাক ভগ-বানে ধান, চাউল, গৰু-ম'হ বেটি-বান্দী আটাইবোৰ দিছে। নিজৰ জীক বিয়া দিয়াৰদৰেই বিয়াখনক পাতি নিয়কচোন।

যদু—পিছে হৰি ভকত, বিয়াখন নোহোৱালৈকে ছোৱালী মোৰ নহয়। আপুনি বিয়া দিয়াৰ পিচতহে এই কথা খাটিব।

ভেকোলা—সেয়ে হলেও আপুনিয়েই গৰাকী। কোমল চাউল আঠপুৰামান, দৈৰ টেকেলি ত্ৰিশটা মানকে দিয়কচোন। অলপমান সকাহ পাওঁ। এই ইমান ডাঙৰ গঞা খননো কেনেকৈ সুধিম। আপুনিয়ে ময়ে একেখন গাৱঁৰে বুলিহে অলপ ৰক্ষা।

যদু—বাৰু সেয়ে হব। মই চোৱায়েই আহিছো এইখন কাগজ। অহা জেঠৰ ১৫ তাৰিখে বিয়া হব।

ভেকোলা—মই না নকৰো। আপোনাৰ ইচ্ছা—

যদু—পৰহিলৈ মই বিয়া সোধা ভাৰ পেলাম। এতিয়া যাওঁহে।

ভেকোলা—যাওঁক হৰি ভকত। (ভেকোলাৰ প্ৰস্থান)

* * * *

(ৰাস্তাত খকৰা লকৰা। দিনৰ ৪ মান বজা হ'ব) দুয়ো ভেকোলাৰ ঘৰলৈ বুলি আহিছে। সিফালে ভেকোলাৰ ঘৰৰপৰা যদু বুঢ়া ওলাই আহিছে।)

খকৰা—হেৰি দেউতা, দেউতা, কোনফালে গৈছিলে।

যদু—নকৰি বোপাই। এই তহঁতৰ মিঠাইৰ বিয়াখন পাতিব খুজিছো অ', অহা জেঠৰ ১৫ তাৰিখে। সহায় সাৰথি কৰিবি বোপাইহঁত।

লকৰা—ছোৱালী ক'ত?

যদু—কতনো হব আৰু। এই ভেকোলা বুঢ়াৰ জীয়েক সুমথিৰা।

লকৰা—(বহি পৰে আৰু কান্দিবলৈ ধৰে)

যদু—কি হ'ল বোপাই, কি হ'ল।

খকৰা—একো হোৱা নাই দেউতা। তাৰ ভনীয়েকজনী মৰিল। তালৈকে মনত পৰি কান্দিছে। আপুনি যকগৈ।

যদু—নাকান্দিবি বোপাই। নাকান্দিবি। সংসাৰ এনেকুৱায়ে, জন্ম, মৃত্যু আৰু বিবাহ—বিধাতাৰ হাততহে। আমাৰ হাতত নহয় বোপাই। (যদুৱে এইদৰে কৈ গুচি যায়)

লকৰা—আই ঔ, মৰিলো ঔ, আজি ছমাহ তোৰ মুখখনকে চাই আছিলো সুমথিৰা। আজিৰ পৰা আৰু কাৰ হাতৰ তামোলখন খাম কোনে চাহ পানী দিব। কাৰ কথা দিনে ৰাতিয়ে ভাবি থাকিম। উ, উ, উ, উ (কান্দে)

খকৰা—হেই এতিয়াও বিয়া হৈ যোৱা নাই নহয়? নাকান্দিবিচোন। এই ছমাহে তোৰ ভাৰ ভেটিবোৰ কিয় খাইছিল সোধোগৈ বল।

লকৰা—অ' হয়। মোৰ চব ভাৰ-ভেটি, টকা সিকা, গাৰ খাটনি ঘূৰাই দিব লাগিব। নহলে ময়ো সুদাই নেৰো। ব'ল, ব'ল, ব'ল।

(বেগাই যায়)

(ভেকোলা বুঢ়াৰ ঘৰ। বুঢ়াই খৰাহী সাজি থাকে। সুমথিৰাই ধপাতৰ হোকাত জুই লগায় দিয়ে। বুঢ়াই কুহুৰ কুহুৰ কাঁহি ধপাত টানে। এনেতে লকৰা আৰু খকৰাৰ প্ৰবেশ)

লকৰা—হেই এতিয়া ধপাত টনা যেন দেখুৱাইছ। সুমথিৰাক কালৈ দিব খুজিছ 'ক'।

ভেকোলা—কিয় বোপাই। তোলৈকে দিব খুজিছিলো—কিন্তু ছোৱালী গলেহে হয়। মোৰ একেটি ছোৱালী। তাই সন্মত নহলে মই দিব নোৱাৰো।

লকৰা—মই দিব নোৱাৰো—মিঠাইলৈ দিব খোজা নাই? মোৰ সৰহকৈ মাটি নাই ভেটি নাই, সম্পত্তি নাই। অত ভাৰ-ভেটবোৰ কেলেই খাইছিলি? ভালে ভালে ঘূৰাই দে। (খঙত ৰঙা চঙা পৰে।)

ভেকোলা—হেৰৌ বোপাই। খঙনো কিয় খাইছ। মইতো তোক একো বিচৰা নাছিলো। ছোৱালী যায় যদি এতিয়াও তোকে দিম।

লকৰা—তোক দিম। মোক দিবি তই এতিয়া? তোৰ বেটীজনী দেখুৱাই দেখুৱাই মোক বলীয়া কৰিলি। বাপেৰে চোচোৰাই নিম।

সুমথিৰা—কোনে মোক চোচোৰাই নিব অ', বুঢ়ীমাৰে বুটি বাঢ়নীৰে অঁতাই দিয়া দেখিছ। (হাতত ঠাইসৰা শোঁতা লয়।)

খকৰা—হ'ল হ'ল লকৰা। এই বেশ্যাবোৰ এনেকুৱায়ে। বুঢ়াক দোষীলেনো কি হ'ব। ৰূপ দেখুৱাই দেখুৱাই তোকে খাই পেলালে।

লকৰা—খাই পেলালে। পেলাওক! ময়ো সতমন বুঢ়াৰ পুতেক লকৰা হয়নে নহয় চিনাকী দিম, বেটিক। এতিয়াই চোচোৰাই নিম। (লকৰাই চোঁচা লয়। সুমথিৰাই শোঁতা ডাঙে আৰু খকৰাই লকৰাক ধৰি টানি আনে।)

খকৰা—আহ! জহনী যোৱা। এই ডাইনীজনীয়ে তোক সুখ নিদিয়ে। এনেয়ে তই অত ভাৰ-ভেঁটবোৰ খোৱালি। বুঢ়াটোও কম নহয়।

লকৰা—এৰি দে খকৰা, এৰি দে, এৰি দে বোলো এৰি দে। অলপমান হিয়াখন চেঁচা পেলাও। ভাইৰ বেটীৰ মহতালিটো নেদেখিছ ?

খকৰা—হেই এইখন লোকৰ ঘৰ বুলি জানিছ নে ? নদাইহঁত থকা হলে আজি তোক গৰু মৰিওৱাদি মৰিয়াই বান্ধি থলেহেঁতেন।

ভেকোলা—(বাহিৰলৈ ওলাই) হেৰৌ, কোন আছ আহহক ঔ। লকৰাই মোৰ ছোৱালী-জনী নিলে ঔ।

লকৰা—মোক টানি নিনিবি ঔ। মোৰ হিয়া ভাগি গৈছে ঔ। মই কলৈ যাম। কি কৰিম।

(খকৰাই লকৰাক টানি নি বাট পোৱায়গৈ, ভেকোলাৰ—চিঞৰত কেইটামান ডেকা দৌৰি অহা দেখি খকৰাই টানি নিলত হুয়ো হাবিলৈ দৌৰ মাৰে।)

"জন-সেৱা'

—নবিন কুমাৰ



(ষ্টেশ্যনৰ টিকট লোৱা জুমৰ ভিতৰতে এজন বুঢ়াই চিঞৰি উঠে ।)

এজন বুঢ়া—হেৰৌ ভাল খালি ঔ, একেবাৰেই মোৰ মূৰত টঙনিয়াই মাৰিলি ঔ, (কান্দিবলৈ ধৰে)

লগৰীয়া—কি হ'ল, কি হ'ল, কান্দিছ কেলেই ?

বুঢ়া—কি হ'ব, কি সুধিছা, মোৰ ফুটা কপাল, মোৰ জেপৰপৰা আটাইকেইটা টকা কোনোবাই নিলে। টিকট লবলৈকে পয়চা এটাও নাই।

বুঢ়া—কি কৰিবা, কান্দিলে আৰু কি হ'ব ? এই জুমটোৰ মাজত সোমাইছিলা কেলেই ?

পুলিচ—কি হ'ল অ' বুঢ়া ? এতিয়াতো আৰু কোনো উপায় নাই ? শাৰী পাতি নিয়মমতে টিকট কেইটাও কটাব নোৱাৰা ? কিমান টকা আছিলেহে ?

বুঢ়া—পঞ্চাশটা আছিল।

পুলিচ—বাৰু, তুমি মোৰ লগত আহা, পিচত যি হয় হব। (বুঢ়াজনক পুলিচে লৈ যায়)

(ষ্টেশ্যনৰ প্লেটফৰ্ম্মত টিকট লোৱা যাত্ৰীসকল)

এজন বাবু--কি হ'ব আৰু, তৃতীয় শ্ৰেণীৰ টিকেট এটাহে লৈছো। সোমাবলৈকে পাওঁ বা নাপাওঁ।

(গাড়ী আহে। ভিৰ ইমান বেচি হৈছিল যে বাবুজনে তৃতীয় শ্ৰেণীত উঠিবলৈ কোনো সুবিধাকে নাপালে। দ্বিতীয় শ্ৰেণীৰ অৱস্থাও তথৈবচ। গতিকে যি কোনো উপায়েৰে এটা দ্বিতীয় শ্ৰেণীৰ ডবাত উঠি পৰিল। গাড়ী চলিবলৈ ধৰিলে। T. T. C. এ টিকেট চেক কৰি কৰি ডেকাজনক টিকেট বিচাৰিলে।)

বাবু--মোৰ টিকট তৃতীয় শ্ৰেণীৰহে। তৃতীয় শ্ৰেণীৰ ডবাত ঠাই নাপাই ইয়াতে উঠি আহিছো।

T. T. C —সেইটো হব নোৱাৰে। ইয়াত আহাৰ বাবে over charge দিব লাগিব।

বাবু—পয়চাই নাই প্ৰায়। তথাপিতো কিমান হ'ব কওকচোন।

T. T C.—মাত্ৰ দহ টকা।

বাবু—পাঁচ টকাহে আছে।

T. T. C.—সেয়ে নহব।

বাবু—মই অহা ষ্টেশ্যনত নামি যাবলগীয়া হলেও উপায় নাই।

T. T. C—সেইখন ধেমালি কৰিলে ন'হব। টকা দিলে দিয়া, নহলে কথা ভাল নহব। (বেচেৰা ডেকাজন খঙা চঙা পৰি গ'ল। খঙো উঠিছিল, তথাপি নিৰুপায়।)

এজন ডেকা—হেৰি, টিকেট নোলোৱাকৈতো গাড়ীত উঠা নাই। টকা জেপত নাথাকিলেনো ক'ৰপৰা দিব। তাৰোপৰি আগৰ ষ্টেশ্যনত নামি গৈ তৃতীয় শ্ৰেণীত ঠাই কৰি লবও পাৰিব। মোৰো এয়া তৃতীয় শ্ৰেণীৰ টিকটহে। গাৰ্ডকো কৈ আহিছো

T. T. C—গাৰ্ডক কৈ আহিলেই নহয়। গাৰ্ডে জানো certificate দিছে?

ডেকা—নাই দিয়া। আগৰ ষ্টেশ্যনত ঠিক কৰি লবলৈ কৈছে। এওঁ মোৰে নিচিনা মানুহ। সেইবাবে কথা একেটাই।

T. T. C.—Over charge দিব লাগিব।

ডেকা—নিদিম বুলিছো জানো? কিন্তু গাৰ্ডক কোৱাৰ দৰেহে। গাড়ী থামিলেই মই তেওঁৰ ওচৰলৈ যাম।

T. T. C.—পিচে এওঁ।

ডেকা - তেওঁ যাব।

T. T. C.—টিকেট চেক কৰা আমাৰ কৰ্ত্তব্য। তৃতীয় শ্ৰেণীৰ টিকেট লৈ দ্বিতীয় শ্ৰেণীত আহিবলৈ গাৰ্ডেও দিব নোৱাৰে। যি কি নহওক গাড়ী থাকিলেই আপোনালোক মোৰ লগত আহিব। গাৰ্ডে কি কৈছে সেইটোও জনা উচিত।

বাবু—ভাল, আমি দুয়ো যাম। (T. T. C. এ তান তান যাত্ৰীৰ টিকেট চাবলৈ ধৰে।)

ডেকা—ভয় নকৰিবি হীৰেণ। সিটো ষ্টেশ্যন পায়েই সকলো ঠিক কৰি লম। পিচে দ্বিতীয় শ্ৰেণীৰ ভাৰা হলে দিব লাগিব বুজিছ।

হীৰেণ - টিকেট মই কেতিয়াবাই বদলি কৰি দ্বিতীয় শ্ৰেণীৰ ভাৰা দিলোহেঁতেন। জেপত মাত্ৰ পাঁচ টকাহে আছে—বুজিছা যাদৱ

যাদৱ—তুমিনো ইমান কম টকাৰে কিয় আহিছিলাহে।

হীৰেণ—কিয় আহিছিলো। তুমিতো জানাই প্ৰবেশিকাটো দি টকাৰ অভাৱত আৰু পঢ়িব নোৱাৰিলো। এতিয়া চাকৰি বিচাৰি চিলঙলৈ গৈছিলো। মা-দেউতাইতো সদায়ে এনেয়ে বছৰাই খুৱাব নোৱাৰে।

যাদৱ—পিছে, চাকৰি পালেনে নাই?

হীৰেণ —আমাৰ নিচিনা বোৰেনো চাকৰি পায়নে? হোটেলৰ খৰছ দিওতেই আইয়ে কটনা কটা টকা ত্ৰিশটা শেষ হল, দেউতাই ধাৰ কৰি আনি দিয়া বিশ টকাৰ এই পাঁচটা বাকী আছেগৈ।

Interview অৱশ্যে দিলো। বেয়াও হোৱা নাই। কিন্তু পোৱাৰ আশা নাই। কিয়নো আমাৰ বেক কৰোতা নাই।

যাদৱ—বুজিছা হীৰেণ, এইদৰে আৰু নহব। তোমালোকৰ মাটিবাৰী আছেনে?

হীৰেণ—অলপমান আছে।

যাদৱ—তাতে খেতিবাতি নকৰা কিয়? গাওঁখনৰনো লগতে হিত নিচিন্তা কিয়? দেখিবা তোমাৰ উপকাৰৰ লগতে গাৱঁৰো উপকাৰ হ'ব। এইদৰে অনুনয় বিনয় কৰি ফুৰাৰ পৰা কোনো লাভ নহয়।

হীৰেণ—প্ৰবেশিকা পাছ কৰিনো কেনেকৈ হাল বাওহে। দেউতায়ো হাল বাবলৈ পঢ়ুৱা নাছিল।

যাদৱ—তুমি বৰ ভুল কৰিছা। মই আজি গ্ৰেজুৱেট হৈও তাকে কৰিছো। আমাৰ গাওঁখন চাবলৈ যাবানে? গাঁৱৰ উন্নতিৰ লগতে দেশৰো উপকাৰ হৈছে। দেশে বাহিৰৰ পৰা আজিও খাদ্য-শস্য আমদানি কৰি আছে। ফলত আমি দুখীয়া হৈ গৈছো। বুজিছা, ভিক্ষাবৃত্তি আৰু পৰনিৰ্ভৰশীলতাৰ অৰ্থ স্বাধীনতা নহয়।

হীৰেণ—সেইটো বুজিছো। আমাক জানো উপযুক্ত শিক্ষা দি দেশৰ গুৰীয়াল সকলে হাল বাবলৈ শিকাইছে?

যাদৱ—সেইটো সঁচা, তথাপি তোমাৰ নিচিনা খেতিয়কৰ লৰাবোৰে এই কথা বুজা উচিত। মোৰ কথা শুনা—আমাৰ অঞ্চলটোৰ কাৰবাৰ বৰ্ত্তমান মোৰে হাতুতে।

হীৰেণ—তুমি আকৌ কি কাৰবাৰ লৈছা?

যাদৱ—শুনা, এটা এটাকৈ কৈ যাও, সমবায় দোকান এখন খুলিলো। ইয়াৰ পৰা সকলোৱে মাল কিনে আৰু লাভৰো অংশ পায়। মই নিয়াৰিকৈ দোকানখন চলোৱাৰ কাৰণে মাহে পঞ্চাশ টকাকৈ বানচ্ পাও। সমবায় কৃষি পামৰ পৰা এইবেলি তিনি হেজাৰ লাভ কৰিছো। মোৰ ব্যক্তিগত পলু পোহা ফাৰ্ম্মখনৰ পৰা পাঁচ শ টকাৰ মুগা আৰু পাটৰ কাপোৰ বেচিছো, তেলৰ ঘানী এটাৰ পৰাও যথেষ্ট লাভ কৰিছো। ইয়াৰ উপৰিও স্থানীয় পঞ্চায়তৰ ময়ে সভাপতি। ৰাইজৰ যাবতীয় কামত চকু দি গোটেই অঞ্চলটোৰে উন্নতি কৰিছো।

হীৰেণ—বুজিছা যাদৱ। তুমি একেবাৰে দুখীয়াৰ লৰা নহয়। ৰাইজৰ সেৱা কৰিবলৈও সোণ ৰূপৰ আৱশ্যক।

যাদৱ—অৱশ্যে সেইটোও একেবাৰে মিছা নহয়।

হীৰেণ—বুজিছা! মই জাতীয় চৰকাৰৰ শিক্ষা নীতিটোও ইয়াৰ কাৰণে জগৰীয়া বুলি ভাবো।

যাদৱ—তোমাৰ কথাখিনিও মিছা নহয়। সেইবুলি যাদুকৰৰ দৰে আমাৰ নেতা সকলেও আমুল পৰিবৰ্ত্তন এটাও সোনকালে কৰিব নোৱাৰে। লাহে লাহে উন্নতিৰ পথত আগুৱাই গলেহে আমাৰ সমস্যা সমাধান হ'ব।

হীৰেণ—বুজিছা—বুনিয়াদীখনো এনেকুৱাই। মুখত বুনিয়াদী, কিন্তু কামত একোটো নাই। হেড্‌মাষ্টৰে চকীদাৰৰ দৰে কাম কৰিবলৈ ধৰিলে, শিক্ষা বিভাগৰ গুৰীয়াল সকলে আদৰ্শ দেখুৱালেহে ই প্ৰযোজ্য হ'ব পাৰে।

বুনিয়াদী মানে সত্যৰ প্ৰকাশ। ফাঁকি সোমালেই বুনিয়াদীৰ মূল লক্ষ্য ভ্ৰষ্ট হয়। এতিয়াকৈকে বুনিয়াদীৰ পৰা ফাঁকি যোৱা নাই। সেয়েহে কৃতকাৰ্য্য হব পৰা নাই।

যাদৱ অৱশ্যে সঁচা কথা, সেই বুলি আমি কেৱল মাত্ৰ সমালোচনা কৰি থাকিলেই নহয়। চেষ্টা কৰা হীৰেণ। চেষ্টা কৰিলে তুমিও সেই পিচপৰা অঞ্চলটোৰ নেতা হৈ উঠিবা। লগতে ৰাইজৰো উপকাৰ হব। ভাবি চাবা আমাৰ সকলো নেতাই চহকী মানুহৰ ঘৰৰ নহয়।

হীৰেণ — অৱশ্যে মই সেইটো জানো। আমাৰ ৺ গোপাল কৃষ্ণ গোখেলো প্ৰথমতে সাধাৰণ শিক্ষকহে আছিল। ময়ো তাকে কৰিম। আমাৰ অঞ্চলত মজলীয়া স্কুল এখনিকে নাই। ৰাইজৰ সহায়ত এইবেলি স্কুল এখনিকে খুলিম আৰু লগে লগে ৰাইজৰ হিতৰ কাৰণে পাৰ্য্যমানে চেষ্টা কৰিম। মই সাধাৰণ ভাৱে ফিজৰ পয়চা কেইটাৰ পৰা চলিব পৰাৰ বাহিৰেও হালবাই খেতি কৰিব পাৰিম। মাটি কম হলেও জাপানী প্ৰণালীৰে খেতি কৰিলে কম ঠাইতে বেচি শস্যও উৎপাদন কৰিব পাৰিম আৰু লগতে ৰাইজেও মোৰ আদৰ্শ লৈ জাপানী প্ৰণালীৰে খেতি কৰিব পাৰিব। এৰা যাদৱ আজি তুমি মোৰ চকু মেল খুৱালা।

যাদৱ — ধন্যবাদ — এ' হেণ্ড ছেককে এটা কৰোহে। তোমাৰ লগত হাত মিলাইহে আনন্দ পাম — বুজিছা। (এনেতে গাড়ী ষ্টেশ্যনত ৰয়হি। দুয়ো হেণ্ডছেক কৰি গাৰ্ডৰ ডবাৰ পিনে নামি যোৱা দেখা যায়।)

"পাঁচ-মিনিট"

(হিন্দী—অনুবাদ)

—তিলক চন্দ্ৰ শৰ্ম্মা শাস্ত্ৰী



মাত্ৰ পাঁচ মিনিট! লোশলাৰ সিপাৰে তেওঁ, লোৰ শিকলিৰে হাত বন্ধ। আৰু মই—হায় ভাগ্য! মই বাহিৰত পুলিচৰ পহৰাত ঠিৰ হৈ থৰ থৰকৈ কঁপি আছিলোঁ। মাত্ৰ পাঁচ মিনিটহে সাক্ষাতৰ সময় আছিল, চাওঁতে চাওঁতে সিও সমাপ্ত।

* * * *

অতীতৰ কথা কিয় মনত পেলাও—সি মোৰ হৃদয়ত অস্ত্ৰৰদৰে আঘাত কৰে। অতীতৰ গীত কাকনো শুনাওঁ—মনদি শুনোতা কোনোৰেই নাই। যদিও কোনোবাই শুনে অন্যমনস্ক হৈ বিমনভাবে। শুনি কয়—"ভনী! তোমাৰ ভাগ্য, ভগবানক স্মৰণ কৰা।" হায় দুৰ্ভাগ্যগ্ৰস্ত! ঈশ্বৰে এই অভাগাক সহায় নকৰে, পতিতক ঈশ্বৰে কদাপি উদ্ধাৰৰ সহানুভূতি নিদিয়ে। ক্ষুধিতক ঈশ্বৰে কেতিয়াও অন্ন-জল নদিয়ে। কান্দোতাৰ চকু-পানী টুপি মুচি দিবলৈ তেওঁ কেতিয়াও নাহে। তেওঁ স্বৰ্গৰ নন্দন কানন বিহাৰী। যাৰ প্ৰতি লক্ষ্মী অনুৰক্তা, তেওঁৰ প্ৰতিহে ঈশ্বৰেও অনুগ্ৰহ কৰে।

মোৰ নিচিনা দুৰ্ভাগিনী দৰিদ্ৰাৰ লগত তেওঁৰ কি সম্বন্ধ? দৰিদ্ৰৰ ঈশ্বৰ! সিহঁতৰ দুৰ্ভাগ্য-মই দুৰ্ভাগ্যৰ পালিত, দুৰ্ভাগ্যৰ দুলালীয়ে ঈশ্বৰক বিনাও কিয়? যদি বিনাওঁ—তেন্তে নিজৰ দুৰ্ভাগ্যক। সি আহে আৰু এখন নতুন পাহাৰ মোৰ মূৰত জাঁপি দি খিলখিলাই হাঁহিব ধৰে। মগ্ন হৈ সি ধীৰ নৱনেৰে তাণ্ডৱ নৃত্য কৰে।

এবাৰ যেতিয়া দুৰ্ভাগ্যক চিনিছিলোঁ—তেতিয়া এজন কৰ্ম্মহীন, যাৰ জীৱিকাৰ কোনো অৱলম্বন নাছিল। দৰিদ্ৰ গ্ৰেজুৱেটৰ লগত মোৰ লগ্ন গাঠি দি আনন্দৰ বাঁহী বজাবলৈ ধৰিলে—সি। দ্বিতীয়বাৰ যেতিয়া তাক মাতিলো—দুটি সন্তান পালোঁ। তৃতীয়বাৰ আকৌ যেতিয়া বিনালোঁ তেতিয়া মোৰ জীৱনৰ সৰ্ব্বস্ব, পতিতাৰ আশ্ৰয় আশ্ৰয়াৰ্থিনীৰ আশ্ৰয়ৰ মূল হত্যাৰ অপৰাধত জেললৈ গল--ফাঁচীৰ দণ্ড পালে। সকলো শেষ হল। এতিয়া আৰু তাক বিনাওঁ কিয়?

দৰিদ্ৰতাই যদি সমস্ত অপৰাধৰ মূল, তেন্তে দি দিয়া তেওঁক ফাঁচী। গুলিৰ দ্বাৰা উৰুৱাই দিয়া—কুকুৰৰ দ্বাৰা এনেভাৱে কামোৰোৱা যাতে তেওঁ চট্‌ফটাই মৰে। মই কওঁ—তেওঁ "খুনী"

নহয়—দৰিদ্ৰ, অপৰাধী নহয়—ক্ষুধিত, হত্যাকাৰী নহয়—বিপদগ্ৰস্ত, তেওঁক পাপী বুলি নকবা—ভোকাতুৰ বুলি কোৱা। কিটোনো কৰিছিল তেওঁ? কিনো পাপ কৰিছিল তেওঁ? একোৱেই কৰা নাই, যি কোনো পাপ নহয়। কেৱল পাপী পেটৰ কাৰণে, দৰিদ্ৰ পৰিয়ালটোৰ কাৰণে, অভাগা সন্তান দুটিক পোষণৰ কাৰণে এক প্ৰকাৰ সাধাৰণ চেষ্টা কৰিছিল। ন্যায়ে সেই প্ৰযত্নক, দুৰ্ভাগ্যই সেই চেষ্টাক খুন নামেৰে অভিহিত কৰিলে, ফাঁচীৰ ব্যৱস্থা কৰিলে। খাটিব নাই, তেওঁ ফাঁচীত ওলমি উঠক; কিন্তু মোৰ আনন্দ এই—তেওঁ অপৰাধী নহয়। শত সহস্ৰবাৰ কওঁ—তেওঁ পাপী নহয়; দৰিদ্ৰ তাঁক অভাগা, কিন্তু মানুহ।

পেটৰ জ্বালাত পৰি কুসঙ্গীৰ আশ্ৰয় ললে। চুৰ কৰিলে, ডকাইত কৰিলে, লুটপাত কৰিলে, সকলো কৰিলে—একমাত্ৰ সেই পেটৰ কাৰণেই নৈতিক দৃষ্টিত তেওঁ অপৰাধী, পাপী, হত্যাকাৰী ডকাইত। কিন্তু অলপ চিন্তা কৰি চোৱাচোন সংসাৰত নৈতিকতা কেৱল দৰিদ্ৰ সকলৰেই বস্তু জানো? ধামধন তেলীয়ে গোটেই গাৱঁতে ধাৰ দি সকলোকে নিজৰ অধীনত ৰাখিছে। তেওঁৰ সুদৰ সুতীক্ষ্ণ ধাৰত পৰি শত সহস্ৰ দৰিদ্ৰ সন্তানে প্ৰাণ এৰিছে। কিন্তু সেইটো পাপ নহয়। পাপ মাত্ৰ মোৰ দৰিদ্ৰ পতিৰ এটা সাধাৰণ অপৰাধ। বাৰু! তেওঁক সংসাৰৰপৰা আঁতৰি কৰা। কিন্তু ইয়াৰ দ্বাৰা জানো পাপৰ দুৱাৰ বন্ধ কৰিব পাৰিব? কেতিয়াও নোৱাৰে।

কালি এখন চিঠি পালো, চৰকাৰী, চিঠি—মোৰ পতিয়ে, মোৰ প্ৰাণৰ দেৱতাই, স্বামীদেৱে মোৰ লগত সাক্ষাত হব খোজে—অন্তিম সাক্ষাত। পৰহিলৈ তেওঁক ফাঁচি কাঠত ওলোমাব। তেওঁৰ শেষ ইচ্ছা—"প্ৰাণৰ প্ৰতিমা সন্তান দুটিক এবাৰ লবৰ আৰু সহধৰ্ম্মিনী পত্নীক শেষবাৰৰ বাবে এবাৰ দৰ্শন কৰাৰ। মই দুৰ্ভাগিনীয়ে পতিৰ অন্তিম দৰ্শনৰ কাৰণে ওলালো। তেওঁৰ সম্বন্ধে মই ইয়াকে জানো—তেওঁৰ মূৰৰ ওপৰত ক'লা ডাৱৰৰ ছাঁ পৰিছে, তেওঁৰ ডিঙিৰ কাৰণে কণ্ঠ হাড়ৰ পৰিবৰ্ত্তে ফাঁচৰ জৰী প্ৰস্তুত হৈ আছে। শৱ ঢাকনি কিনি থোৱা হৈছে—তেওঁৰ কাৰণে। কিন্তু তেওঁ আজি জীৱিত—মোৰ দৰে, আপোনাৰ দৰে—কি আচৰিত।

এবাৰ ভাবি চাওক, আপোনাৰ সৰ্ব্বাধিক প্ৰিয়জন কালৰ গ্ৰাসত আৰু আপুনি তেওঁক চাবলৈ গৈছে। আজি যি জনক আপুনি জীৱিত অৱস্থাত পাইছে, কাইলৈ পুৱা তেওঁৰ প্ৰাণহীন দেহটো আপুনি পাব—যাৰ কণ্ঠদেশ চিপজৰীৰ দ্বাৰা মসৃন হৈ পৰিব। ন্যায়ক মই দুষিবলৈ যোৱা নাই, মই ন্যায়ৰ ওপৰত আক্ৰমণ চলাব খোজা নাই। কিন্তু মনুষ্যত্বত সুধিছো—"কোৱা ভনী! এবাৰ কোৱা, ন্যায়, মুক, শ্ৰৱণশক্তি-হীন, অন্ধ; তাৰ ওচৰত যাকেই উপস্থাপিত কৰা হয়, সি তাৰেই পৰীক্ষা লয়। কিন্তু তোমাৰোতো হৃদয় আছে ভনী! মোৰ পক্ষৰ চিন্তা কৰি উচিত এবাৰ কোৱা।

মই গলো,—নিজকে পাহৰি পেলাই গলো। ভাবিছিলো—এবাৰ চৰণ কমল যুগলক শেষ-

বাবৰ কাৰণে হেপাহ পলুৱাই চুমি লম। এবাৰ তেওঁৰ হৃদয়ত মূৰথৈ কান্দি লম আৰু সুধিম—"হে দেৱ! মোলৈ জানো প্ৰতীক্ষা কৰিবা? কেতিয়াওতো পাহৰি নোযোৱা, মই অভাগীয়ে তোমাৰ উঠি অহা যৌৱনত একুৰা দপ্‌দপীয়া জুই জ্বলাই দিলো। তোমাৰ যৌৱনৰ মাদকতাত বিহৰ ঘোল ঢালিলোঁ। ক্ষমা কৰা, পাহৰি যোৱা নাথ! এয়া তোমাৰ সন্তান, ইহঁতক কোলাত তুলি লোৱা, এবাৰ পিতৃ স্নেহৰ শীতল জলেৰে ইহঁতক অভিষিক্ত কৰা, এই তোমাৰ ধন," মই যাব ধৰিলো জেলৰ পিনে। কোলাত আছিল সন্তান গোলাপ। কলে—"মা! ক'লৈ যাবি?" কি উত্তৰ দিওঁ? কি কৈ সেই অবোধক বুজাও? ক'লো—"বাচা! পিতাৰাক চাবলৈ নাযাবি? তেওঁ তহঁতক চাবলৈ ইচ্ছা কৰিছে।"

গোপালে আনন্দত উদ্ভাসিত হৈ প্ৰসন্নচিত্তে কলে—"অ' মা; পিতাদেউ বহুত দিন হ'ল অহা নাই। আজি পুতলা খুজিম, পয়চা খুজিম, মুন্নীক এটাও পুতলা নিদিও, মোৰ পিতাদেউ, তেওঁ মুন্নীৰ কোন আকো?" মোৰ হৃদয় চিৰাচিৰ হৈ শতধা বিভক্ত হল। হায়, দুৰ্ভগীয়া সন্তান! তহঁতৰ পিতাৰা আজি কালৰ কৰাল গ্ৰাসত। জীৱনৰ শেষ দিনটো আঙুলিৰ মূৰত গণিব লাগিছে। তেওঁ পিঞ্জৰাবদ্ধ। সাহস কৰি কঁলো—"বাচা! ভগবানক স্মৰণ কৰ।"

গোপালে মোৰ আঁচলত টানি ধৰি সুধিলে—"পিতাদেউ কেতিয়া আহিব? লগতেই লৈ আহিম মা! তুমি বাধা নিদিবা। তেওঁ মোৰ কাৰণে এখন সৰু চাইকেল লৈ আহিব—জয় গোবিন্দৰ নিচিনা, মা! সি মোক চাইকেলখন চুবলৈকে নিদিয়ে। কয়—চুলেই হেনো ভাগিব। চুলেই জানো চাইকেল ভাগে—মা। বৰ বদমাচ লৰা সি। মুন্নীকো মই মোৰ চাইকেল চুবলৈ নিদিম। মোৰ ফলিখন তাই ভাঙিছে। হকা বধা কৰিলেও নামানে। দাঁত কামুৰিবলৈহে ধৰে। মই পিতাদেউক নিশ্চয় কৈ দিম।"

* * * *

জেইলাৰে আদেশ কৰিলে—"লৈ যোৱা।" এজন চিপাহীয়ে লগত লৈ গল। দুয়োফালে কোঠাবোৰ, ডাঙৰ ডাঙৰ লোৰ শলাবোৰ আৰু তাতে ঈশ্বৰৰ শ্ৰেষ্ঠকলাৰ শ্ৰেষ্ঠ নমুনাবোৰ আৰু মানুহ! এজন, দুজন, চাৰিজন নহয়; শ, পাঁচ শ; সংসাৰৰ মাত্ৰ ময়েই অভাগী নহয়। হাজাৰ আছে—লাখ আছে।

এটা অন্ধকাৰময় কোঠাৰ ওচৰত নি ঠিৰ কৰালে। গোপালে ভয়তে কুঁচি মুচি মোৰ ভৰিৰ মাজতে ঠিৰ হ'লহি। সি কঁপিবলৈ ধৰিছিল, কুণ্ঠিত হৈ গৈছিল।

চিপাহীয়ে মাতিলে—"প্ৰকাশ"

মই চাৰিওপিনে চালোঁ। এইটো ফাঁচি ঘৰ। জীৱনৰ অন্তিম সময়ৰ কয়দীবোৰ ইয়াতে থাকে। এইঘৰৰ পূৰা বিশ্লেষণৰ যদি শক্তি পোৱা গলহেতেন, তেন্তে সংসাৰে এনে এখন সাহিত্য পঢ়িবলৈ পালেহেতেন যি সাহিত্যৰ

তুলনাত অন্য কোনো সাহিত্যই প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। এই কোঠাৰ প্ৰতি টুকুৰা ইটা মানুহৰ এনে তপ্ত নিশ্বাসৰদ্বাৰা নিৰ্ম্মিত কৰা হৈছে, ভাটিৰ জুইৰ কোনো আৱশ্যক নাই। এই মজিয়াত যে কিমান নয়নাশ্ৰু শুকাই গৈছে, তাক যদি জমা কৰিব পৰাগ'লহেঁতেন। সংসাৰৰ আধা সভ্যতাভিমানী লোক তাত বুৰি গলহেঁতেন, এই কোঠাত মৃত্যু সম্মোহিত হৈছে। হৰি! হৰি!! কোঠাটোৰ ভিতৰৰপৰা শব্দ হ'ল—ঋণ্ ঋণ্ ঝণ্! এজন ক্ষীন, দুৰ্ব্বল, হুতাশ, অৰ্দ্ধমৃত যুৱক দুৱাৰত আহি ঠিৰ হল। তেৱেঁই আছিল সেই অন্ধকূপৰ নিবাসি "প্ৰকাশ"; মোৰ অন্ধকাৰময় ভৱিষ্যতৰ অন্তিম 'প্ৰকাশ' গোপালৰ "প্ৰকাশ' আৰু মৰমী কন্যা মুন্নীৰ 'প্ৰকাশ'।

চিপাহীয়ে কলে—মাত্ৰ পাঁচ মিনিটৰ সময়, যি কথা আছে হৈ লোৱা, সোনকাল কৰা—যাতে পলম নহয়।

মই আঁতৰত ঠিৰ হোৱাৰ হুকুম পালো। কয়দীক মই কিবা দিয়া নিদিয়াৰ ভয় আছিল। মই দেখিলো—তেওঁৰ, চেহেৰা ডাড়ি চুলিৰে ভৰি পৰিছে—মূৰৰ চুলিবোৰ আউল বাউল আৰু ডাড়ি গোফ দীঘল। চকুদুটি বহি গৈছে। শৰীৰ শুকাই অস্থিচৰ্ম্মই সাৰ হৈছে। মই কলো—"গোপাল! পিতাৰাক প্ৰণাম কৰ।" গোপালে থকবককৈ মাটিত মূৰ দি প্ৰণাম কৰিলে মৱো সেৱা ললো। তেওঁ অস্পষ্ট প্ৰকাশত ঠিৰ দিছিল—সিপাৰে। গদ্ গদ্ কণ্ঠেৰে কলে—"সু - খে - থা—কা।" ই অন্তিম মিলন, শেষ আশীৰ্ব্বাদ, শেষ কথা বক্তব্য। বাক! কালিলৈ পুৱা আহি মোৰ শটো লৈ যাবা। মই জেইলাৰক কৈ থৈছো।" কথা শুনি মোৰ মূৰ ঘুৰিবলৈ ধৰিলে। নিৰাশাৰে মই মূৰেকপালে হাত দি বহি পৰিলো।

গোপালে কলে—"পিতাদেউ! যাওঁ ব'লা।" যেন কোনোবাই মোৰ হৃদয়ত প্ৰহাৰহে কৰিলে। কেনে সৰল আগ্ৰহ, তেওঁ ক'লে—"বাচা! মই পৰ কালৰ হে যাত্ৰী। তুমি পঢ়িবা। মাৰাৰ মনত কষ্ট নিদিবা।" মই দেখিলো—তেওঁৰ দুচকুৰ পৰা দুধাৰি চকু লো বাগৰি পৰিছে। লোৰ শলা কেইডালত ধৰি ঠিৰ হৈ আছে-নিৰ্জ্জীৱৰ দৰে। গোপালে আকৌ ক'লে—"পিতা, মুন্নীয়ে কান্দি থাকে। তাই মোৰ ফলিখনো ভাঙিছে। এখন ফলি কিনি দিয়া মোক।"

এটা হুমুনিয়াহ কাঢ়ি কলে—"শুনিছা, গোপালৰ ফলিখন ভাঙিছে। তাক ফলি এখন কিনি দিবা।"

কি ক'ম মই, মোৰ এনে অৱস্থা উপস্থিত হৈছিল—যেনিবা দুয়োখন কাণ শ্ৰুতিহীন হৈ পৰিছে। চকুৰ আগত অন্ধকাৰৰ ছাঁ প্ৰতিভাত হৈছিল।

আকৌ ক'লে—"সাৱধানে চলিৱা। লৰাছোৱালী দুটিক মৰম কৰিবা। আৰু গোপালক পঢ়ুৱাবা। মইতো এতিয়া যাওঁ। কিন্তু—গোপালক চিন্তা নকৰিবা। বিধিৰ বিধান। যি হবলগা আছিল, সি হৈছে।"

মই কলো "আৰু ······আৰু ·· ·· "

কণ্ঠৰুদ্ধ হৈ গ'ল, চকুৰপৰা যেনিবা মোৰ হৃদয়ৰ কলিজা ফাটি তুধাৰি তেজৰ সোঁত, লো ৰূপেৰে ববলৈ ধৰিলে।

চিপাহীয়ে কলে—"ব'লা! পাঁচ মিনিট শেষ হ'ল।" তেওঁ ক'লে—"বিদায় ·····"! এবাৰ মোৰ হৈ গোপালক চুমা এটা দিয়া। মই চাই লওঁ। পৰমাত্মাই তোমাক ধৈৰ্য্য দিয়ক ভবিষ্যত জীৱনত আকৌ মিলিম।"

চিপাহীয়ে কৰ্কশস্বৰে কলে—"জল্‌দী কৰ, সময় শেষ হৈ গৈছে।—ব'ল ······।"

"আবৰ সকলৰ সামাজিক জীৱন"

—গনেশ চন্দ্ৰ মজুমদাৰ।

তুষাৰ বৃত্ত হিমালয়ৰ পূব প্ৰান্তৰ নামনিত আবৰ পাহাৰ। অধিবাসী সকল আবৰ লোক। সেইবাবে ঠাইখনৰ নামো আবৰ পাহাৰ। বৰ্ত্তমানে এই ঠাইক চমুকৈ নেফা (N. E. F A.) বোলে। চৰকাৰী হিচাবে ইয়াক চিয়াংফ্ৰন্টিয়াৰ ডিভিজন বুলিও ধৰা হয়।

কেন্দ্ৰীয় গভৰ্ণমেণ্টে অসমৰ বুকুৰপৰা ফালি নি সম্পূৰ্ণ আঁৰ কাপোৰ এখনেৰে কেন্দ্ৰীয় শাসিত গোট এটাৰ সৃষ্টি কৰিছে।

এওঁলোক মঙ্গোলিয়ান মনুহ। খুব সম্ভৱ এওঁলোক তিব্বতৰপৰা অহা লোক। এওঁলোক কোন ধৰ্ম্মৰ মানুহ তাক সঠিককৈ কোৱা টান। কাৰণ, এওঁলোকৰ কোনো প্ৰাচীন লিপিবদ্ধ বুৰঞ্জী নাই। যথাসম্ভৱ খনন কাৰ্য্যৰ দ্বাৰা অনুসন্ধান কৰিলে হয়তো কোনো ঠাইত নহয় কোনো ঠাইত প্ৰাচীন শিলালিপি বা মুদ্ৰা পোৱা যাব পাৰে।

সমাজ পদ্ধতি

আবৰৰ সকলো গাঁৱতে এটা বা দুটা নামঘৰ আছে। এই নামঘৰবোৰক পাদাম আবৰে "মচুপ" আৰু মিয়ং আবৰে "দেৰে"

বুলি কয়। ইয়াক এক কথাত আদালত আৰু ভাৰনা ঘৰ বুলিও কব পাৰি।

গাৱঁৰ হাই কাজিয়া মাৰপিট আদিৰ নামঘৰতে কেবাং (মিটিং) কৰি দোষীক দণ্ডবিহা হয়। কেবাং নমনা মানুহক এঘৰীয়া কৰি ৰখাৰো নিয়ম আছে। দোষীয়ে দোষ স্বীকাৰ নকৰিলে, তাৰ ঘৰ দুৱাৰ ভাঙি সেই গাৱঁৰপৰা খেদি দিয়া নিয়ম আছে।

ইংৰাজ নহাৰ আগতে বহুমূলীয়া বস্তু চুৰ কৰা দোষীক কেবাঙৰ আইনমতে চোৰ বুলি প্ৰমাণিত হলে, তাক টোমৰ (বাহৰ খাং) ভিতৰত ভৰাই পানীত পেলাই দিয়া নিয়মো আছিল। অৱশ্যে বৰ্ত্তমানে এই নিয়ম নাই।

চলুং, তাৰান (উলিং), এতৰ আদি ডাঙৰ ডাঙৰ পূজা বা উৎসৱবোৰ এই নামঘৰতে সমূহীয়াকৈ পালন কৰা হয়। নামঘৰৰ ভিতৰত সাত আঠ খনমান মেৰাম (জুইশাল) আছে। ডাঙৰ ডাঙৰ গাৱঁৰ নামঘৰত বাৰ তেৰখন মানলৈকে তেনে ধৰণৰ জুইশাল থাকে।

তাৰোপৰি চিকাৰীৰ চিন স্বৰূপে মেঠোনৰ শিং, বৰা গাহৰিৰ দাঁত, বান্দৰৰ মূৰ, পহুৰ শিং আৰু চিবেন নামৰ এবিধ বনৰীয়া জন্তুৰ শিং আদি আঁৰি থোৱা হয়। একোটা নামঘৰ ৫০।৬০ ফুটৰ পৰা ১০০।১০০ ফুট পৰ্য্যান্ত দীঘল।

এই নামঘৰবোৰৰ উপৰিও প্ৰতি গাৱঁতে প্ৰতি অপিন (জাত) ৰ বুঢ়াসকলৰ কাম কৰা "ৰিটেক" নামৰ সুকীয়া ঘৰ আছে।

গালং আবৰৰ বাহিৰে অবিবাহিতা জীয়ৰী সকলৰ 'ৰিছেং' বা 'ৰাছেং' নামৰ সূতা কটা, আৰু পাঁজি বটা আৰু নাচগান কৰা ক্লাবৰ নিচিনা একোবিধ সুকীয়া ঘৰ আছে। তাত বয়সীয়াল লোকৰ "প্ৰবেশ নিষেধ"। আইন নহলেও নিয়ম আছে! আজিকালি এই ৰিছেংবোৰ উঠাই দিয়াৰ চেষ্টা চলিব ধৰিছে। এইখিনিতে এই ষাৰ কৈ থোৱা উচিত যেন ভাবোঁ যে আইং (বিদেশী) মানুহে এই ৰিছেঙক গণিকা যুক্তিৰে হীন দৃষ্টিৰে চায়। আচলতে ৰিছেঙৰ মূল অৰ্থ হৈছে অতীজতে আবৰৰ সকলো গাৱঁতে ইখনৰ লগত সিখনৰ অবাধে যুজ বাগৰ চলিছিল। এখন গাৱেঁ অইন গাৱঁৰ ওপৰত অকস্মাতে আক্ৰমণ কৰাৰ নিয়ম আছিল। সেইকাৰণে কোমল আৰু ভয়াতুৰা নাৰীসকলক বেলেগে নাৰী ৰক্ষা ঘৰ কৰি একেলগে ৰখাৰ ব্যৱস্থা কৰা হৈছিল। তাৰ ফলত শত্ৰু আক্ৰমণৰপৰা ৰক্ষা পৰিবলৈ হাবি জঙ্ঘলে পলাই সাৰিবলৈ লগতে বাতৰি দিয়াত উজু হৈছিল, তিৰোতাবিলাকেও লগে ভাগে থাকি পালপাতি লৈ মদ, ভাত যোগাৰ কৰি যুদ্ধলৈ যোৱা পুৰুষক যুদ্ধক্ষেত্ৰতে যোগান দিছিল। এইদৰে যুজাৰু সকলক সহায় কৰা মানে নাৰী সেনা হৈ স্ব গাৱঁৰ সেৱা কৰা। প্ৰবাদ আছে যে বিধবায়ো হাতত ধনু কাঁড়, ইয়কছা (দীঘল দা) লৈ শত্ৰুৰ লগত যুদ্ধ কৰিছিল।

কালক্ৰমে সেই নাৰী ৰক্ষা ঘৰেই ৰিছেং নামধৰি আজিও অবাধে চলি আছে। ৰিছেং ঘৰৰ মূল কাহিনী এয়ে।

গাওঁ সংগঠন

আবৰ পাহাৰ এখন জিলা যদিও এই জিলাৰ বহু ঠাই আজিও অনাবিষ্কৃত। গোটেই আবৰ পাহাৰৰ কথা দূৰতে থাকক, বহুতো গাওঁ বা অঞ্চলৰ সামগ্ৰিক ছবিও খুব কমেই পোৱা যায়।

গাওঁ অনুপাতে লোক সংখ্যাও কম নহয়। একোখন গাৱত ২০।২৫ ঘৰৰ পৰা ৫০০।৬০০ ঘৰ মানুহ থকা ডাঙৰ গাওঁ আছে। গাওঁবোৰ পাহাৰৰ প্ৰায় ওখ ঠাইত সজা হয়। এওঁলোকে খেৰৰ ঘৰতকৈ টকৌ পাতৰ ঘৰহে বেচি ভাল পায়। কোনো কোনো অঞ্চলত জেং, পাত আৰু বেত পাতেৰেও ঘৰ সাজে। ঘৰৰ ভিতৰত কোনো কোঠালি নাই, চাৰিওফালৰ বেৰেই মাত্ৰ। এওঁলোকৰ সকলোৱে চাংঘৰ সাজে। দুৱাৰবোৰ মুধৰ বেৰৰ পিনেহে ৰাখে। মুধৰ চাল অলপ দীঘল কৰি ঘৰৰ সন্মুখত "ৰুঙ্" নামৰ একোখন বাৰান্দা দিয়ে।

হাই কাজিয়া মিট্‌মাট্ কৰিবলৈ প্ৰতি গাৱঁতে কেইজন মান গাওঁবুঢ়া থাকে। প্ৰধান গাওঁবুঢ়াক চৰকাৰৰ তৰফৰ পৰা নিয়োগ পত্ৰ দিয়ে। অইন গাওঁবুঢ়া সকলক প্ৰধান গাওঁবুঢ়াই বাচি লয়। গাওঁবুঢ়াক আবৰ ভাষাত গাম্ বোলে। এই এই গাম্‌সকলেই 'কেবাঙ'ৰ মালিক। আজিকালি "বাঙ্" নাম দি কেইবাখনো গাৱঁ মিলি 'কাউন্সিল' সভা পাতি পঞ্চায়ত বিলাকৰ কাম হাতত লৈছে। কাউন্সিল পৰিচালনা কৰিবলৈ একোজন চেক্ৰেটেৰী থাকে। চেক্ৰেটেৰীয়ে হিচাব ৰক্ষকৰো কাম কৰিবলগীয়া হয়। চেক্ৰেটেৰীক আবৰ ভাষাত 'কেবাং আবু' বোলে।

গাৱঁত অকস্মাতে জুই লাগিলে নুমাবৰ বাবে প্ৰায় গাৱঁতে "লাম্‌কা কক্‌নাম" নামৰ গাওঁৰক্ষী দল থাকে। তেওঁলোকে গাৱঁ পহৰা দিব লাগে। কোনো অঞ্চলত গাওঁৰক্ষী বাহিনীক গাৱঁৰ মানুহে মিলি কৰ্ত্তব্যৰ সময়ত ভাত আৰু আপং (লাও পানী) যোগাৰ দিয়া নিয়ম আছে।

জাতি-বিভাগ

এওঁলোকৰ বহুতো খেল উপখেল আছে। খেলবোৰৰ ভিতৰত পাদাম্, মিয়ং আৰু গালঙেই প্ৰধান। আবৰ বোলোতে পাদাম্, মিয়ং, গালং পাচী; ব'ৰি, ব'কাৰ, আগিন্ ইত্যাদি খেলৰ সকলোকে বুজায়। এই খেলবোৰৰ ভিতৰতে আকৌ ভুকীয়া উপখেলো আছে। এই উপখেল বোৰক তেওঁলোকে "অপিন" অৰ্থাৎ জাত বুলি পৰিচয় দিয়ে। যেনে পাদামৰ উপখেল—পেমে, পেৰ্তিন, লেগ,' ইৰাং, মেগু ইত্যাদি। মিয়ঙৰ – জাম,' মাজে, তাতীন, তাতাক তালী, তাচিং ইত্যাদি। গালঙৰ – আঙু, এটে, নছী ইত্যাদি।

কোনো কোনো অঞ্চলৰ নামাকৰণ কৰিও আবৰ বুলি পৰিচয় দিয়া হয়। যেনে – চিমং, আবৰ, কাৰ্ক আবৰ, তুতীং আবৰ ইত্যাদি। তেওঁলোকৰ ভিতৰতো অপিস্ (জাত) আছে। যেনে—চিমিং আবৰৰ পেয়াং, ন'পি, ব'লি ইত্যাদি। কাৰ্ক আবৰৰ তাপাং, ডংকে, আলি নাঙু ইত্যাদি। তুতীং আবৰৰ লংচুং, নিঙ্গ, তুগ্‌গং ইত্যাদি।

সাজপাৰ

ডেকা আৰু বুঢ়াবোৰে ওগন্ (লেংটি) পিন্ধে। পিৰোতাবোৰে নানা ৰঙৰ গালে বা

গাছেং নামৰ মেখেলা ব্যৱহাৰ কৰে। আজি-কালিৰ বা বতাহ ছোৱালীয়ে মুগা, পাটৰ ৰিহা মেখেলাও পিন্ধিব ধৰিছে। এওঁলোকৰ প্ৰায় সকলো মতা আৰু মাইকীয়ে বাউসী ওলোৱা চোলা ব্যৱহাৰ কৰে। ভিতৰুৱা কোনো কোনো গাৱঁত এতিয়াও সম্প্ৰাৰস্থাৰ লোকো নোহোৱা নহয়।

আভৰণ

গালং তিৰোতাৰ বাহিৰে অইন আবৰৰ মতা-মাইকী সকলোৱে ঘুৰণীয়া পাহকটা চুলি কাটে।

মিএঃ আবৰৰ প্ৰায় মতা মাইকীয়ে শৰীৰৰ বিভিন্ন অঙ্গত নীল ৰঙৰ যোগ, বিয়োগ, পূৰণ, হৰণৰ চিনযুক্ত আৰু দিলোৱা নিয়ম আছে। গালং আৰু মিয়ঙৰ ছোৱালীয়ে বেন'প্ নামৰ পাতি তালৰ নিচিনা এবিধ অলঙ্কাৰ কৰ্ণালত আঁৰি লয়। বয়সিয়াল তিৰোতাবোৰে চুম্বিং নামৰ এবিধ অলঙ্কাৰ ককালত পিন্ধে। পাদাম্ অঞ্চলৰ ছোৱালীয়ে লোৰ বেৰি কেৰুৰদৰে কাণত ওলোমাই লয়। আচৰিত কথা সেই বেৰিবোৰ ইমান গধূৰ যে কোনো কোনো ছোৱালীৰ কাণ বাহুলীৰ ডোকাৰদৰে তললৈ ওলমি দোঁ খাই থাকে তাৰ উপৰিও তাম্‌পিলাং (টকাৰ মালা) আৰু চন্দ্ৰং (জোনবিৰী) ডিঙিত পিন্ধে। মতা-বোৰেও প্ৰায় তাদক্ (মণি) পিন্ধে। ডিঙিৰ মণিয়ে ধনীৰ প্ৰমাণ বুলি আবৰৰ এটা প্ৰবাদ আছে।

দা আৰু ধনু কাঁড়, আবৰ মানুহৰ ৰৰ বস্তু। এই দুটা বস্তু মতা মানুহৰ লগত থাকেই। মূৰত একোবিধ ডুমুনুপ্ নামৰ টুপী পিন্ধে। এই টুপীবোৰ হুবহু চাহাবৰ টুপীৰ নিচিনা (Like hat)। লৰা ছোৱালীবে যে পহুৰ নোম কাণত আৰি লয়। ওপৰ পৰ্ব্বতৰ ভিতৰুৱা গাৱঁৰ ছোৱালীবোৰে মণিৰ উপৰিও জুনুকা পিন্ধে।

বিবাহ-পদ্ধতি

আবৰ মানুহৰ বিয়া বুলিবলৈ বিশেষ কোনো আনন্দ উৎসৱ নাই। ডেকা গাভৰুৰ প্ৰণয়ৰ বিনিময়তে বিয়া হয়। যেতিয়া কোনো লৰাৰ মাক বাপেকে তেওঁলোকৰ লৰাই কোনো ছোৱালীৰ লগত প্ৰণয় কৰাৰ কথা শুনে, তেতিয়াৰ পৰা লৰাৰ মাক বাপেকে সেই ছোৱালীৰ মাক বাপেকলৈ ভাত, মদ আৰু মঙহ পঠিয়াবলৈ ধৰে। ছোৱালী দিবলৈ সন্মত নহলে ছোৱালীৰ কাৰণে পঠোৱা কোনো বস্তুকে গ্ৰহণ কৰা নহয়।

কোনো কোনো ক্ষেত্ৰত মাক বাপেকেও ছোৱালী চাই লৰাক বিয়া কৰাই দিয়ে। আবৰ সমাজত বাল্য বিবাহ আৰু বিধৱা বিবাহৰো প্ৰচলন আছে। ঠাই বিশেষে কোনো কোনো অঞ্চলত সন্তান গৰ্ভত থাকোতেও গৰ্ভৰ সন্তানৰ লগত বিয়াৰ বিনিময়ত ভাত, মঙহ, মদ ইত্যাদি আদান প্ৰদান কৰা নিয়ম আছে। অৰণ্যে লাহে লাহে এই নিয়ম উঠি যাব ধৰিছে।

আৰৰ ডেকাই বিয়াৰ আগতে শহুৰেকৰ ঘৰত কিছুদিন খাটি দিয়াৰ নিয়মো আছে। কোনো কোনো অঞ্চলত একোজন পুৰুষে কেবাজনী তিৰোতাও ৰাখে। গালং অঞ্চলত এজনী তিৰোতাই কেবাজনো পুৰুষ স্বামী হিচাবে লয়। গালওৰ লোক প্ৰথামতে আটাইবোৰ স্বামী একেঘৰৰ ককায়েক ভায়েকৰ ভিতৰতে হব লাগে। এনেধৰণৰ বিবাহ-পদ্ধতি মহাভাৰতত উল্লেখ থকা দ্ৰৌপদীৰ লগত পঞ্চ পাণ্ডৱৰ ঘটা বিবাহ বান্ধোনত দেখা যায়। পাদামৰ বাহিৰে অইন খেল উপখেলৰ একে অপিন (জাত)ৰ ভিতৰত বিয়া হোৱাৰ নিয়ম নাই।

অতীজতে ছোৱালীৰ লগত যৌতুক স্বৰূপে ধনী মানুহে বেটী-বন্দী (Slave) ও লগত দিছিল। কিন্তু আজিকালি সেই প্ৰথা লোপ হৈছে। আৰৰ ভাষাত বন্দীক পাগ্‌ৰ আৰু বেটীক পাগ্‌নে বোলে।

ধৰ্ম্ম

আৰৰসকল কোন ধৰ্ম্মৰ মানুহ তাক সঠিক-কৈ কোৱা টান। আহাৰৰ লগত খৃষ্টিয়ানৰ সামঞ্জস্য আছে। আকৌ অগ্নি, ইন্দ্ৰ, বায়ু, বৰুণ আদি প্ৰাকৃতিক দেৱতাসকলক আৰাধনা কৰা দৃষ্টিৰে চালে হিন্দু ধৰ্ম্মৰ লগত মিল পোৱা যায়।

পূজা-পদ্ধতি

এওঁলোকে হিন্দুৰদৰে সূৰ্য্য, চন্দ্ৰ, ইন্দ্ৰ আদি দেৱতাসকলক আৰাধনা কৰে। চলুং, এতৰ, আৰান আদি ডাঙৰ ডাঙৰ পূজা বা উৎসৱবোৰত দেওধাইৰ লগতে মতা মাইকী সকলোৱে বৃত্তাকাৰে নাচ-গান কৰে। দেওধাই বৃত্তৰ মাজত থাকে।

বেমাৰ আজাৰত বুঢ়াবুঢ়ীসকলে ৰোগীৰ আৰোগ্যাৰ্থে ভগবানৰ ওচৰত বিলাপ কৰি কৰি প্ৰাৰ্থনা কৰে, আৰৰ ভাষাত দেওধাইক মিৰি বোলে, ধৰ্ম্মৰপ্ৰতি বিশ্বাস থকা দেওধায়ে মৃতকৰ সকামৰ ভোজ ভাত গ্ৰহণ নকৰে।

আৰৰ পাহাৰত আজিৰ দিনতো এনেকুৱা দুই এজন দেওধাই আছে যে মন্ত্ৰৰ গুণত নিৰ্দ্ধাৰিত ঠাইত কেইঘণ্টামানৰ কাৰণে হলেও অবতৰতো বৰষুণ দিয়াব পাৰে। অতিবৃষ্টি হলে সূৰ্য্য দেৱতাক আৰাধনা কৰি ৰ'দো দিয়াব পাৰে। আৰৰ পাহাৰ যাদু-মন্ত্ৰৰ দেশ নহলেও এই ঠাইৰ প্ৰায় মানুহে যাদু-মন্ত্ৰ বিশ্বাস কৰে। কুকুৰাৰ কণি আৰু আগ মওহেৰে মঙল চাই গৰ্ভৱতী তিৰোতাৰ গৰ্ভৰ সন্তান লৰা নে ছোৱালী তাকো কব পৰা মঙলতী আজিও আৰৰ পাহাৰত আছে। ওপৰত উন্নুকিয়াই অহা গৰ্ভ বিবাহ প্ৰথাত মঙলতীৰ কথামতেই বিবাহৰ বিনিময়ত বস্তুৰ আদান-প্ৰদান চলে।

নেদেখা মানুহে বিশ্বাস নকৰিবও পাৰে যে বাঁহৰ চুঙাত পানী গৰম কৰি সেই উতলা পানীত হাত ভৰাই দোষী নিৰ্দ্দোষী প্ৰমাণ কৰাৰ নিয়ম আৰৰ পাহাৰৰ ভিতৰুৱা গাওঁবোৰত আজিও চলি আছে। বৰ্ত্তমান যুগৰ আইন পদ্ধতিৰে যদিও এইবোৰ প্ৰথা বন্ধ কৰিবলৈ যত্ন কৰা হৈছে, তথাপিও জন সাধাৰণৰ বিশ্বাসৰ

অনুকূলে লুকাই চুৰকৈ হলেও সেই নিয়ম চলি আছে। এনেধৰণৰ পৰীক্ষামূলক কাৰ্য্যক আবৰ ভাষাত "আম্‌কা চুনাম্" বোলে। কোনো কোনো ক্ষেত্ৰত বাঘদাঁত কামুৰিবলৈ দিও সত্যাসত্যৰ প্ৰমাণ চোৱা হয়।

এওঁলোকৰ নিজস্ব সমাজ ব্যৱস্থা চাবলৈ গলে কঠিন যদিও প্ৰশংসা কৰিব লগীয়া। কাৰণ এওঁলোকৰ ভিতৰত চোৰ, ডকাইত আনকি ভিক্ষাৰীও নাই। সকলোৱে কাম কৰি খোৱাই এওঁলোকৰ নিয়ম।

সম্পত্তি

আবৰ মানুহৰ সম্পত্তি বুলিবলৈ টকা, মণি, ডাঙ্কী (ধাতুৰ চৰিয়া), গৰু, মেঠোন, গাহৰি, কুকুৰা, কুকুৰ আদিয়েই প্ৰধান। আচলতে টকা পয়চাৰ সিমান চলন্তি নাই। বস্তুৰ বিনিময়তে গাওঁবোৰ চলে বুলিলেও হয়। যেনে—কুকুৰা দি, গাহৰি মণহ দি মণি সলাই লোৱা নিয়ম। গৰু, মেঠোনৰ কাণ কাটি, মতা গাহৰিৰ দাঁত ভাঙি নিজৰ নিজৰ পোহনীয়া জীৱ-জন্তুৰ চিন ৰখা হয়। কুকুৰাৰ ভৰিত ৰঙা ক'লা আঁচু বান্ধি নাইবা ডোকাৰ পাখী কাটিও চিন ৰখাৰ নিয়ম আছে।

কৃষিপদ্ধতি

এওঁলোকৰ বেচি ভাগে জুমখেতি কৰে। আজিকালি কোনোৱে কোনোৱে পানী খেতিও কৰিব ধৰিছে। এওঁলোকে বিশেষকৈ এই কেইটা ফচলৰ খেতি কৰে। যেনে—ধান, কনি ধান, গোমধান, কচু, মিঠা আলু, ৰঙালাও, কোমোৰা. আদা, জলকীয়া, ইত্যাদি।

ইয়াৰ উপৰিও তেওঁলোকৰ ভাষা মতে আঙেৎ আৰু মিকুং নামৰ দুইবিধ উপকৰা খেতি কৰে। এই দুয়োবিধ খেতিয়েই আকালতৰা ফচল।

মিকুঙেৰে আপাং নামৰ এবিধ পনীয়া মদ তৈয়াৰ কৰে। দুখীয়া মানুহে আকৌ মিকুং পটাত গুৰি কৰি চাউলৰ লগত মিহলাই ভাত কৰিও খায়। আঙেতো চাউলৰ লগত মিহলালে ভাত বাঢ়ে আৰু ই বল কাৰক।

এওঁলোকে খেতিকৰা মাটিবোৰ ২।৩ বছৰলৈ সাৰৰ বাবে চন্ পেলাই থয়। মাটি সৰহীয়া গাওঁবোৰে ৭।৮ বছৰলৈও চন্‌পেলাই ৰাখে।

সংকাৰ প্ৰথা

আবৰ মানুহৰ মৰিশালীবোৰ গাৱঁৰ নিচেই ওচৰতে। মানুহ মৰিলে এওঁলোকে খৰি নিদিয়ে, পোতে। খৰি দি সংকাৰ কৰা আবৰৰ নিয়ম নাই। সমাধিৰ ওপৰত বৰষুণ নপৰিবলৈ ওপৰত এচলীয়া চালি সাজি দিয়া হয়। এই চালিৰ বেৰে চালে মৃতকৰ জীৱিত কালত ব্যৱহাৰ কৰা দুই এখন কানি কাপোৰ দা টুপী, ধনু, কাড়, জাপি ইত্যাদি কেইপদমান বস্তু আঁৰি দিয়া হয়। ধনী মানুহ মৰিলে মেঠোনৰ শিঙো আঁৰি ৰাখে। অৱস্থাপন্নলোকে দুই একপদ মণি, আৰু টকা পয়চাও লগতে পুতি দিয়ে।

গিৰিহঁতে পুৰা গধুলি কবৰৰ ওপৰত জুই জ্বলাই মৃতকৰ আত্মাৰ সদগতিৰ অৰ্থে বিলাপ কৰি ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰে। মৰমৰ আপোনজন মৰিলে যি বস্তুৰেই নহওক গিৰিহঁতে খোৱাৰ আগতে সদায় মৃতকক অলপমান হলেও দিয়ে। কিছুমানে এই নিয়ম মৰাৰ দিন ধৰি বছৰ দুবছৰলৈকে পালন কৰে।

সামৰণি

আবৰ মানুহে বেচি বিলাসিতাৰ বস্তু ভাল নাপায়। সুঠাম দেহ, লোদোৰ পোদোৰ হাত ভৰি, ৰঙিন দেহাবৰণ, স্বাধীনচিতীয়া মুকলি জীৱন আবৰৰ আচৰিত বৈশিষ্ট্য।

“ত্ৰজান যুজ’

অনুবাদ

গ্ৰীক পৌৰাণিক উপাখ্যানমতে হেৰা (ৰোমান সকলৰ জু’ন) এথেনা (মিনাৰ্ভা), আৰু এফ্ৰ-দাইট্ (ভেনাচ) এই তিনিগৰাকী দেবীৰ বিবাদতে ত্ৰজান সকলৰ ক্ষমতা আৰু শক্তি আৰু ত্ৰয়নগৰৰ পতন হয়।

দেৱতা আৰু দেবীসকলে পিলিয়াচ আৰু থেটিচৰ বিয়া এখন ভোজমেলেৰে উপভোগ কৰিছিল। দ্বন্দৰ দেবী য’লৈকে যায় ত’তে এখন খৰিয়াল নলগোৱাকৈ নাথাকে। সেইবাবে তেওঁ নিমন্ত্ৰণৰ পৰা বাদ পৰিল। তেওঁ কম নহয়। আমাৰ জানো টুটকীয়া নাৰদে এইবোৰ সুযোগ এৰিব? তেৰেঁা নেৰিলে। তেওঁ “আটাইতকৈ সুন্দৰী অনুপমা গৰাকীলৈ দান” বুলি লিখা এটা সোণৰ আপেল উৎসৱ বিভোৰ জনসমুদ্ৰলৈ দলিয়াই দিলে। প্ৰকৃততে দেবী-সকলে ৰূপ লাৱণ্যত কাকো নিজতকৈ বেছি উচ্চ স্থান দিবলৈ নিবিচাৰে। ই মানৱ জগতৰো প্ৰকৃতি-গত ধৰ্ম্ম। গতিকে আপেলটোক কেন্দ্ৰ কৰিয়েই বিবাদৰ সুত্ৰপাত হল। তিক্ততা ক্ৰমে ঘনীভূত হল আৰু ত্ৰয় নগৰৰ ৰজা প্ৰিয়ামৰ পুতেক যুবৰাজ পেৰিছক এই বিবাদৰ মিমাংশা কৰি দিবলৈ ভাৰ দিয়া হল। মাটিৰ মানুহে স্বৰ্গীয় শক্তিৰ বিবাদ মিমাংশা কৰিবলগীয়াত পৰিল। শ্ৰীবৎস ৰজাই শনি লক্ষ্মীৰ বিবাদ মীমাংশা কৰিবলৈ গৈ যি সমস্যাত পৰিছিল এওঁৰো সেয়ে হল।

শক্তি ঐশ্বৰ্য্যৰ অধিকাৰিণী দেবী হেৰাই তেওঁক শক্তি ঐশ্বৰ্য্যৰ প্ৰলোভন দেখুৱালে। ৰণদেবী এথেনাই যুদ্ধ জয়ৰ যশস্যা আৰু গৌৰৱ যাচিলে। কিন্তু আমাৰ ৰতিদেবী তুল্যা এফ্ৰ-ডাইটে পৃথিবীৰ আটাইতকৈ সুন্দৰী গাভৰু গৰাকীৰ প্ৰেম দিবলৈ বিচাৰিলে। প্ৰেমে মানৱক অন্ধ কৰে, যৌৱনবলীয়া কোঁৱৰ প্ৰেমৰ নতুন ভঙ্গিমাত অস্থিৰ হল। সেইবাবে তেওঁকেই আপেলটো দি দিলে। তেতিয়াৰেপৰা হেৰা আৰু এথেনা, যুবৰাজ পেৰিছ আৰু ত্ৰয় নগৰৰ ঘোৰ শত্ৰু হৈ উঠিল।

গ্ৰীচদেশৰ স্পাৰ্টা নগৰৰ ৰজা মেনিলাচৰ ভাৰ্য্যা হেলেনেই পৃথিবীৰ ভিতৰত সৰ্ব্বাপেক্ষা ৰূপলাৱণ্য সম্পন্না সুন্দৰী আছিল। পেৰিছে এফ্ৰডাইটৰ ৰক্ষণাবেক্ষণত গ্ৰীচলৈ সমুদ্ৰ যাত্ৰা কৰিলে আৰু মেনিলাচৰ ৰাজকাৰেওত অভ্যৰ্থিত হৈ হেলেনৰ প্ৰেম আদায় কৰিবলৈ সমৰ্থ হল। দেৱদেবীসকলৰ কৃপা দুমুখীয়া। ডাকিনীৰ ভৱিষ্যত বাণীত স্কটলেণ্ডৰ ৰজা ডনকানক হত্যা কৰি মেকবেথে সিংহাসন লৈ সফল কাম হোৱাৰ দৰেই তেওঁৰো প্ৰথম উদ্দেশ্য এফ্ৰডাইটৰ কৃপাত সফল হল। পেৰিছে হেলেচ্‌পণ্ট (দাৰ্দ্দেনেলিচ্‌) প্ৰণালী অতিক্ৰম কৰি হেলেনৰ সৈতে নিজৰ ঘৰ পালেহি।

অন্যায়ে প্ৰতিশোধ বিচাৰে। ই জগতৰ চিৰাচৰিত ৰীতি। মেনিলাচেও গ্ৰীক ৰাজকোঁৱৰসকলৰ সাহায্য ভিক্ষা কৰিলে, যেনেকৈ শ্ৰীৰাম চন্দ্ৰই সীতা উদ্ধাৰৰ নিমিত্তে সুগ্ৰীৱৰ সহায় বিচাৰিলে এৱেঁ৷ তাকে কৰিলে। তেওঁলোকে এই মহৎ অন্যায়টো সকলো গ্ৰীকৰ ওপৰত কৰা এটা ডাঙৰ ভুল বুলি ধৰি ললে। দুবছৰ কাল যুদ্ধ প্ৰস্তুতিৰ পিচত গ্ৰীক জাহাজবোৰ ত্ৰয় নগৰৰ অভিমুখে ৰাওনা হল। ত্ৰজানসকলো প্ৰস্তুত হল। ৰামে যেনেকৈ নিৰ্ব্বিঘ্নে সাগৰত সেতু বান্ধি লঙ্কালৈ গল, এওঁলোকেও তাকেই কৰিলে। বৃদ্ধ ৰজা প্ৰিয়ামে যুদ্ধ কৰিব নোৱাৰিলেও ওচৰচুবুৰীয়া ৰাজকোঁৱৰ আৰু মুখিয়াল লোকসকলৰ সৈতে মিত্ৰতা সূত্ৰত আবদ্ধহৈ যথেষ্ট সহায় আৰু সহানুভূতি আদায় কৰিলে। নগৰখনো শক্তিশালী গড়েৰে সুৰক্ষিত আছিল যেনিবা ৰাৱণৰ স্বৰ্ণলঙ্কাৰ চাৰিওফালে থকা গড়বোৰহে।

নানা অৱস্থাৰ মাজেদি গ্ৰীকসকলে ন বছৰতকৈও অধিক কাল ট্ৰয় নগৰ অবৰুদ্ধ কৰি ৰাখিলে। তাৰ পিচত সাহসী আৰু নিপুণ গ্ৰীকবীৰ আকিলেচৰ আগামেম্‌ননৰ লগত মনোমালিন্য ঘটিল আৰু তেওঁৰ বন্ধু পেট্ৰক্লচৰ মৃত্যু নোহোৱা পৰ্য্যন্ত এই সংঘৰ্ষত আগভাগ লবলৈ অস্বীকাৰ কৰিলে। কিন্তু বন্ধুৰ মৃত্যুত তেওঁৰ প্ৰতিহিংসাৰ জুই দপদপকৈ জ্বলি উঠিল আৰু পুনৰাই আগবাঢ়ি গল। কিন্তু হেক্টৰক হত্যা কৰি আকিলেচ্‌ নিজেই মৰা পৰিল আৰু গ্ৰীকসকল হতাশাৰ ছাঁয়াই আগুৰি ধৰিলে। অডিচিয়াচ আছিল জ্ঞানী গ্ৰীকবীৰ। তেওঁ জোৰেৰে নগৰ দখল কৰাৰ আশা পৰিত্যাগ কৰিবলৈ উপদেশ দিলে। তেওঁ কঠৰে নিৰ্ম্মাণ কৰা ঘোঁৰাৰ দ্বাৰা নগৰ দখল কৰাৰ এটা অভূতপূৰ্ব কৌশল আবিষ্কাৰ কৰিলে। বলেৰে জয় কৰিব নোৱাৰা ত্ৰয় নগৰ ছলেৰে জয় কৰিবলৈ স্থিৰ কৰিলে। মায়াবী মহীৰাৱণক হনুমানে কৌশলেৰে দ্বিখণ্ডিত কৰাৰ দৰেই তেওঁৰ বুদ্ধিয়ে বেচ সমাদৰ লাভ কৰিলে। তেওঁৰ মতে হেলেনৰ অপহৰণত মেনিলিয়াচে বেজাৰ পালেও গ্ৰীকসকলৰহে প্ৰকৃত সন্মানত আঘাট পৰিছে। এই জাতীয় সন্মান অক্ষুণ্ন ৰাখিবৰ কাৰণে তেতিয়ালৈকে সাহসী গ্ৰীকবীৰসকলে প্ৰাণদান দিলে। তেৱেঁ৷ ইথাকা ৰাজ্যৰ (ভূমধ্য সাগৰৰ

আয়োনিয়ান দ্বীপপুঞ্জৰ এটা দ্বীপ) দেশ প্ৰেমিক প্ৰখ্যাত বীৰ। ভগবানৰ কি অপাৰ মহিমা! দেৱীয়ে হনুমানক সহায় কৰাৰ দৰেই ৰণদেবী মিনাৰ্ভাই (এথেনা) কাঠেৰে নিৰ্ম্মিত কৌশলী ঘোঁৰা সজাত অডিছিয়াচক সহায় কৰিলে। ৰণ-দেৱীয়ে পূৰ্ব্বৰ অপমানৰ পেটক তুলিবলৈ ৰণচণ্ডীৰ মূৰ্ত্তি ধাৰণ কৰিলে।

যেনে আঁচনি তেনে কাম। এশ যোদ্ধা ধৰা প্ৰকাণ্ড ভিতৰ ফোপোলা এটা কাঠৰ ঘোঁৰা গ্ৰীক খনিকৰ এজনক সাজিবলৈ পৰামৰ্শ দিয়া হ'ল। যথাসময়ত ঘোঁৰা প্ৰস্তুত হ'ল। অডি-চিয়াচ, মেনিলিয়াচ আৰু অন্যান্য গ্ৰীকবীৰ-সকল ইয়াৰ ভিতৰত সোমাল। ওলাব পৰা দুৱাৰখন তলফালে মাটিৰ লগত ভালদৰে বন্ধ কৰা হ'ল। তাৰ পিচত অৱশিষ্ট গ্ৰীকসকলে শিবিৰ ভাঙি সাগৰৰ ফালে যাত্ৰা কৰিলে। গ্ৰীক্ জাহাজবোৰে ট্ৰয় বন্দৰ এৰি টিনিদাচ্ দ্বীপৰ ফালে যাত্ৰা কৰি সাগৰীয় কুঁৱলীৰ লগত মিলি যোৱা দেখি ত্ৰজানসকল আনন্দ বিভোৰ হ'ল— ভাবিলে গ্ৰীকসকল উলটি গ'ল। ইন্দ্ৰজিতে ৰাম লক্ষ্মণক মাৰি থৈ যোৱাৰ নিচিনা যে হ'ব এই কথা ত্ৰজানসকলে নাজানিছিল। গ্ৰীক্‌বিলাকে এই কাৰিকৰি মূৰ্ত্তিটো ট্ৰয় নগৰৰ পৰা অপহৰণ কৰিলে. ৰণদেবী এথেনাৰ খং উঠে বুলি শান্তিৰ প্ৰতীক হিচাবে ইয়াক এৰি থৈ যোৱা বুলি ভাবিলে। কিন্তু কৌশলীবিলাকে ই এটা ফন্দি বুলি ধৰি লৈছিল। পুৰোহিত লাওকুনে ত্ৰয়-বাসীক এই ঘোৰাটোৰ সম্পৰ্কে সাৱধান বাণী শুনালে। তেওঁ বলি দিয়াৰ উদ্দেশ্যেৰে ঘোৰা-টোক পৰীক্ষা কৰিবলৈ এদাঁতিত তীক্ষ্ণ যাঠি ভৰাই দিলে আৰু এটা গৰ্ভস্থ শব্দ শুনিবলৈ পালে। ইতিমধ্যে এটা শিকলি বন্ধ গ্ৰীক সৈনিকক ভেৰাৰখীয়া কিছুমানে লৈ অহা দেখা গ'ল আৰু লোকসমূদ্ৰৰ চিঞৰত পুৰোহিতৰ সতৰ্ক বাণী তল পৰিল। এই সৈনিক জনৰ নাম আছিল চিনন। গ্ৰীকসকলে চিননক এটা মিছা প্ৰতাৰণামূলক গুজৱৰ সহায়েৰে ঘোৰাটো ত্ৰয়নগৰীৰ ভিতৰলৈ নিওৱাবলৈ এৰি থৈ গৈছিল। সি সনত্ৰ-ভাৱে কবলৈ ধৰিলে।—"মোক দয়া কৰক। দেৱতাসকল সন্তুষ্ট হ'বৰ কাৰণে গ্ৰীক্‌বিলাকে মোক বলি দিব খোজাৰ পৰাই মই সাৰিলো। অসন্তুষ্টা ৰণদেবীৰ প্ৰতি শান্তিৰ চিনস্বৰূপেহে এই প্ৰকাণ্ড কাঠৰ ঘোৰাটো নিৰ্ম্মান কৰাইছিল। ই যাৰে হস্তগত হ'ব সেয়ে এথেনাৰ কৃপা লাভ কৰিব। এইবাবে ইয়াক যাতে নগৰীৰ ভিতৰলৈ নিব পৰা নহয় সেই নিমিত্তেই ইমান ডাঙৰকৈ নিৰ্ম্মান কৰোৱাইছিল।"

কিছুমানে এতিয়াও সন্দেহ কৰিছিল। কিন্তু আকস্মিকৰূপে এটা দৈব দুৰ্ঘটনা ঘটিল। দুটা সাপ পানীৰপৰা উঠি আহি পুৰোহিত লাওকুন আৰু তেওঁৰ পুতেক দুটাক মেৰিয়াই ধৰি বধ কৰিলে।

ত্ৰয়নগৰীৰ ধৰ্ম্মভীৰু বাসিন্দাসকলে এই পবিত্ৰ দানটিৰ বিৰুদ্ধে সাৱধান কৰাৰ কাৰণে তেওঁক শাস্তি দিয়া হৈছে বুলি চিঞৰি উঠিল।

সেইবাবে ঘোৰাটো নগৰীৰ ভিতৰলৈ লৈ যোৱা হল। সেই ৰাতি বহুদিন অৱৰুদ্ধ কৰি ৰখা নগৰবাসীৰ আনন্দ চায় কোনে? যেনিবা ৰাৱণে শক্তিশেল মাৰি লক্ষ্মণক মাৰি থৈছে আছিল। লক্ষ্মণৰ মৃত্যুত ৰাক্ষসৰ যেনে আনন্দ হৈছিল ট্ৰয়বাসীৰো সেয়ে হল। ঘোৰাটো লৈ অহাৰ কাৰণে ৰণদেবী তেওঁলোকৰপ্ৰতি সন্তুষ্টা হৈছে বুলি ট্ৰয়ৰ যুদ্ধাসকলে ধৰি ললে আৰু তেওঁলোক নিশ্চিন্তমনে সেই ৰাতি শুবলৈ গ'ল।

ট্ৰয়বাসী নিদ্ৰামগ্ন হোৱা দেখি চিননে ঘোৰাটোৰ পৰা ওলাই অহা বাট মেলি দিলে আৰু তাৰ ভিতৰৰ পৰা প্ৰসিদ্ধ গ্ৰীক্‌বীৰসকল ওলাই আহিল। তেওঁলোকে জুই জ্বলাই জাহাজলৈ সঙ্কেত দেখুৱালে। যেনে ব্যৱস্থা তেনে কাম। জাহাজ ট্ৰয়ৰ অভিমুখে ৰাওনা হল। জোনৰ পোহৰ আৰু বায়ুৰ সহায়ত জাহাজ বন্দৰত উপস্থিত হল আৰু ক্ষন্তেকৰ ভিতৰতে হাজাৰ হাজাৰ গ্ৰীক্‌বীৰ মোজাকৰ দৰে ট্ৰয়ৰ আলি-পদূলিত ভৰি পৰিলহি।

ট্ৰয়বাসীৰ টোপনি ভাগোতে তেওঁলোকৰ আৰু কৰিবলৈ একোৱেই নাথাকিল। মুঠতে তেওঁলোকে লাওকুনৰ সাৱধান বাণী মনত পেলাই অনুশোচনা কৰিবলৈ ধৰিলে। গোটেই ৰাতি হত্যাকাণ্ড চলিল। পিচ দিনা ৰাতিপুৱা নগৰ থকা ঠাইত ভস্মীভূত ধ্বংশাৱশেষৰ চিনহে দেখা গল। বৃদ্ধ ৰজা প্ৰিয়ামৰ মূৰহীন দেহ সমুদ্ৰৰ তীৰত পৰি ৰল।

ৰামে ৰাৱণক এইদৰে হত্যা কৰা নাছিল। হনুমানৰ লঙ্কাদাহৰ লগতো ইয়াৰ তুলনা নহয়। যিকিয়েই নহওক সুন্দৰী হেলেন পুনৰ স্বামী মেনিলিয়াচৰ বুকুলৈ উভটি আহিল।

যুদ্ধক্লান্ত গ্ৰীকসকলে দহবছৰৰ মূৰত স্বদেশলৈ প্ৰত্যাবৰ্ত্তন কৰিলে পেৰিচৰ দোষত এখন নগৰ ধ্বংস হল।

"চাবোন তৈয়াৰ কৰাৰ প্ৰণালী"

—অনুবাদ।

অভাৱেই আবিষ্কাৰৰ মূল। কলম্বচে ভাৰতলৈ আহিবৰ কাৰণে নতুন পথ বিচাৰি নতুন পৃথিবীৰ সন্ধান পালে। এইদৰেই অভাৱগ্ৰস্ত জগতৰ অসাধাৰণ ব্যক্তিৰ মস্তিষ্ক পৰিচালনাত আমি সদায়েই নতুনত্বৰ বাতৰি পাইছো — নতুনত্বৰ কৌতুকময় আবেগৰ। জোৱাঁৰত সৃষ্টি পাতনিৰ নববিকাশ দেখিবলৈ পাইছো। এই নব বিকাশৰ পৰিণাম হয়তো বহুত সময়ত বিষময়ো হৈছে। আবিষ্কাৰকে প্ৰথম অনুপ্ৰেৰণা অভাবনীয় ভাবেহে উপলব্ধি কৰে। বাল্মিকী মুনিৰ—

"মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্ৰৌঞ্চমিথুনাদেকমবধীঃ কামমোহিতম্ ॥"

এই শ্লোকৰ পৰা যেনেকৈ ৰামায়ণ মহাকাব্যৰ অমৃতময় লিখনি নিঝৰি পৰিল, সেই দৰেই ব্যক্তিত্বৰ পূৰ্ণবিকাশে মানৱ সমাজৰ অভাৱ অনাটন গুচাই নতুন বস্তু দি থৈ গৈছে। কিন্তু আবিষ্কাৰকে এই নতুন বস্তুৰ প্ৰকৃত সত্বা প্ৰথমতে উপলব্ধি কৰিব নোৱাৰে।

চাবোনৰ আবিষ্কাৰক জনেও প্ৰথমতে ইয়াৰ বিষয়ে একো নাজানিছিল। গলবিলাকে (ফ্ৰান্সৰ পুৰণা নাম) সম্ভৱতঃ ফোনিচিয়ানসকলৰ পৰা এইবিষয়ে শিক্ষা পাইছিল আৰু ৰোমানসকলে এই গলসকলৰ পৰাই নিৰ্ম্মাণ প্ৰণালী জানিছিল। ৰোমান লিখক প্লিনিয়ে প্ৰথম শতিকাত চাবোনৰ বিষয়ে উল্লেখ কৰে। আগ্নেয়গিৰী বিধ্বস্ত পম্পাইত ইয়াৰ এটা সম্পূৰ্ণ কাৰখানা আৰু চাবোনৰ নিচিনা কিছুমান সুৰক্ষিত অৱশিষ্ট উৎপন্ন পোৱা হৈছিল। চাবোন এবিধ কোনো চৰ্ব্বি জাতীয় এচিদৰ সৈতে এটা ধাতুৰ লোণ জাতীয় সংমিশ্ৰণ বুলি ৰসায়নে কয়। চদিয়াম, পটেচিয়াম আৰু এম'নিয়াম লোণ পানীত দ্ৰবীভূত হয় আৰু ইয়াৰ চফা কৰা আৰু ফেনোৱা ধৰ্ম্মও আছে। চৰ্ব্বি বা তেলৰ ওপৰত হোৱা খাৰৰ (পটাচ, চ'দা বা এম'নিয়া) ক্ৰিয়াতে

চাবোনৰ উৎপত্তি। এই প্ৰণালীক ইংৰাজীত চেপনিফিকেচন (Saponification) অৰ্থাৎ চাবোন তৈয়াৰী প্ৰণালী বোলে।

১৭৯১ চনত নিকোলাচ লে ব্লাঙ্কে কৰা কৃত্ৰিম চ'দাৰ প্ৰণালীয়ে উনৈশ শতিকাৰ আগ-ভাগত চাবোন শিক্ষাৰ ক্ৰমবিকাশত যথেষ্ট উদ্যম যোগায়। কেৱল ফৰাচী ৰাসায়নিক পণ্ডিত মাইকেল ইউগিন চেভ্ৰিউলে ১৮২৩ খৃষ্টাব্দলৈকে জন্তুৰ চৰ্ব্বি, গ্লিচাৰিণ আৰু চৰ্ব্বিযুক্ত এচিদৰ যৌগিক পদাৰ্থবুলি নেদেখুৱালৈকে ইয়াক বৈজ্ঞা-নিক দৃষ্টি কোণেৰে নিৰীক্ষণ কৰা হোৱা নাছিল। তেওঁৰ মতে চাবোন নিৰ্মানো চৰ্ব্বিক গ্লিচাৰিণৰ খাৰত হোৱা ধাতুৰ পৰিবৰ্ত্তন মাত্ৰ। চৰ্ব্বি স্নৈহিক এচিদৰ গ্লিচাৰিণেৰে সৈতে হোৱা এটা সংমিশ্ৰণ।

চাবোন তৈয়াৰৰ কাৰণে নানা জন্তু বা উদ্ভিদ জাতীয় তেল ব্যৱহাৰ কৰা হয়। প্ৰস্তুত চাবোনৰ আৱশ্যকীয় ধৰ্ম্ম সংৰক্ষণ কৰিবৰ কাৰণে সাধাৰণতে এটা মিশ্ৰণ বাচি লোৱা হয়। ব্যৱ-হৃত জন্তুৰ চৰ্ব্বিৰ ভিতৰত গৰু ও ভেড়াৰ মঙহৰ চৰ্ব্বি আৰু টান তিমিমাছৰ তেল সাধাৰণতে ব্যৱহাৰ কৰে। উদ্ভিদৰ চৰ্ব্বিৰ ভিতৰত নাৰিকল, তাল গছৰ শাঁহ, কপাহ গুটি, জলফাই, ছয়া (Soya) আৰু অন্যান্য তেল পৰে। সাধাৰণতে টান চাবোন আৰু কোমল চাবোন তৈয়াৰ কৰিবৰ কাৰণে কষ্টিক চ'দা আৰু কষ্টিক পটাচ ব্যৱহাৰ কৰা হয়।

খাৰৰ মাত্ৰা বেচি হলে চাবোনে গাৰ ছাল পোৰে আৰু কাপোৰ ফালে। আনহাতেদি চৰ্ব্বিৰ মাত্ৰা বেচি হলে চাবোনখিনি তেলেতীয়া হয়। সেইবাবে খাৰৰ আৰু চৰ্ব্বিৰ মিশ্ৰণৰ মাত্ৰা আনুপাতিক হিচাবে ঠিক কৰি লব লাগে। দহৰ পৰা ত্ৰিশ টনলৈকে ধৰা ডাঙৰ নলীযুক্ত পাত্ৰত চাবোন তৈয়াৰ কৰা হয়। জোঙা তলিৰে সৈতে পাত্ৰটো চুঙাৰ নিচিনা। গলা চৰ্ব্বি আৰু কষ্টিক চ'দাৰ দ্ৰৱণ সুমাই দিবৰ নিমিত্তে প্ৰবেশ নলী আৰু গৰম আৰু জুলীয়া প্ৰস্তুত চাবোন উলিয়াবৰ কাৰণে চামনি কটা নলী আছে। পাত্ৰটো ভাপৰ নলীৰে গৰম কৰা হয়।

চৰ্ব্বিক মিশ্ৰণটো পাত্ৰত থৈ, ভাপৰ সৈতে দ্বাৰা এশ ডিগ্ৰী চেন্টিগ্ৰেডলৈকে উত্তপ্ত কৰা হয়। চৰ্ব্বিখিনি চাবোনলৈ পৰিণত কৰি-বলৈ অলপ মানহে বেচি কষ্টিক চ'দা ব্যৱহাৰ কৰা হয়। কষ্টিক চ'দাৰ দ্ৰৱণটোৱে চৰ্ব্বিৰে সৈতে এনেদৰে তৈয়াৰ কৰা হয় যে ১২ ৰপৰা ২৪ ঘণ্টাৰ ভিতৰতে চাবোন প্ৰস্তুতিৰ কাম শেষ হয়।

চকলা বা দানা প্ৰস্তুতি

লৱণযুক্ত দ্ৰৱণ অতি মাত্ৰাত উতলি থাকো-তেই উতলৰ কাম সম্পূৰ্ণ হয় আৰু চাবোনে দানা বান্ধে। তেতিয়া পৰম বাষ্পখিনি উলি-য়াই দিয়া হয় আৰু কেইঘণ্টামানৰ পিচতে ইয়াৰ দুটা চামনি বান্ধে। ওপৰৰ চামনিটো চাবোন পিণ্ডৰ আৰু তলৰ চামনিটো খাৰ পানীৰ।

ইয়াত লোণ, চ'দা আৰু বেচিভাগ চৰ্ব্বিৰ পৰা ওলোৱা গ্লিচাৰিণ থাকে। তলৰ চামনিটো পাত্রৰ তলৰ নলী এটাৰে বাহিৰ কৰি তাৰপৰা গ্লিচাৰিণ-খিনি উলিয়া হয়।

চাবোন পিণ্ডটো দুবাৰ বা তিনিবাৰ পানীৰে ধোৱা হয় আৰু প্রতিবাৰতে নিমখেৰে সৈতে দানা বন্ধোৱা হয়। ইয়াৰ পিচত নিৰ্দ্দিষ্ট অনু-পাতত পানী আৰু চ'দা দি চাবোন পিণ্ডখিনি উতলোৱা হয় আৰু চাবোন পিণ্ডটো পুনৰ দুটা চামনিত ভাগ হৈ ওলায়। এই দ্রৱণৰ ওপৰৰ $\frac{4}{5}$ অংশ খাটি চাবোন আৰু তলৰ খিনিৰ শত-কৰা ৩০ ভাগ চাবোন, বাৰ বৰণৰ গেদ, লোণ আৰু চ'দা। দুয়োটা চামনিকে প্রায় ৭০° ডিগ্রী চেন্টিগ্রেডত কেইবাদিনো ৰখা হয় আৰু জুলীয়া পৰিষ্কাৰ চাবোন খিনি চামনি কটা নলীৰে উলিয়াই অনা হয়। ক'লা বৰণৰ তলৰ চামনি-টোৰ পৰা নিম্নশ্রেণীৰ চাবোন তৈয়াৰ কৰে।

পৰিষ্কৃত চাবোন জাল দিলে গোট মাৰে। সেই বাবে অলপ গৰমহৈ থাকোতেই শেষবাৰ প্রস্তুত কৰা এটা পাত্রৰ ভিতৰলৈ বোৱাই নি ঘোঁট-নিৰে সৈতে ৰং আৰু নানা প্রকাৰ পৰিপূৰক বস্তুৰ লগত মিহলাই পেলোৱা হয়। মিহলোৱা শেষ হলে এই জুলীয়া চাবোনখিনি গোট মাৰিবৰ কাৰণে চেপেটা সজাৰ ভিতৰলৈ বোৱাই দিয়া হয়। চেঁচা কৰা প্রণালীত প্রায় এসপ্তাহ সময়ৰ আৱশ্যক। টান চাবোন তৈয়াৰ কৰিবৰ কাৰণে এই চাবোনখিনিক সজাৰ এমুখৰ পৰা খুলিওৱা হয়। ইয়াৰ পিচত চেপেটা বস্তুখিনিক টুকুৰা-টুকুৰকৈ কাটি আমি ব্যৱহাৰ কৰা চাবোন তৈয়াৰ কৰে।

অন্য প্রকাৰে চাবোন তৈয়াৰ কৰা প্রণা-লীও আছে। অৰ্দ্ধদগ্ধ আৰু চেঁচা কৰা এই প্রণালীত জোখমতে চৰ্ব্বি আৰু কষ্টিক চ'দাৰ দ্রৱণ ভালদৰে মিহলোৱা হয়। বস্তুখিনি গলিবৰ কাৰণে নিয়মিত পৰিমাণে গৰম কৰা হয় আৰু স্বাভাৱিকতে নিৰ্ম্মাণ প্রণালী সমাধা হবৰ কাৰণে কেইবাদিনো থৈ দিয়া হয়। এই প্রণালীত গ্লিচাৰিণ বাহিৰ কৰাৰ প্রয়োজন নহয়। সুগন্ধি তাৰু পৰিপূৰক বস্তু, ৰং আদি লগ লগাই নিৰ্দ্দিষ্ট সজাৰ ভিতৰলৈ চাবোনখিনিক বোৱাই দিয়া হয়।

পূৰ্ব্ববৰ্ত্তী প্রণালীটো বেচি ভাল। ইয়াত অন্তৰ্বৰ্ত্তী মিশ্রণৰ সহায়েৰে গৰম পানীৰ চাপত চৰ্ব্বিখিনি, চৰ্ব্বিজাতীয় এচিদ আৰু গ্লিচাৰিণলৈ বিভক্ত হৈ যায়। গ্লিচাৰিণ অঁতৰাই লৈ অহা হয় আৰু তৈলিক এচিদে চদিয়াম কাৰ্ব্বনেট বা ক'ষ্টিক চ'দাৰ লগত ৰাসায়নিক ক্রিয়াত চাবোন উৎপন্ন কৰে। ইয়াক অবিৰাম (Continuous) প্রণালী বোলে।

শেহৰটো হল লাইম (Lime) প্রণালী। এই প্রণালীত ক'ষ্টিক চ'দাৰ পৰিবৰ্ত্তে চৰ্ব্বিক চূণেৰে সৈতে (milk of lime) চাবোনলৈ পৰিণত কৰা হয়। এইদৰে গঠিত হোৱা

চাবোন (lime soap) গ্লিচাৰিণৰ পানীৰপৰা পৃথক কৰা হয় আৰু চ'দিয়াম কাৰ্ব্বনেটৰ দ্ৰৱণৰ লগত উতলোৱা হয়। চাবোন গঠিত হয় আৰু কেলচিয়াম কাৰ্বনেট গোট মাৰে।

চ'দাৰ সলনি যদি পটাছ খাৰ ব্যৱহাৰ কৰা হয়, চাবোনখিনি গোট নামাৰি জুলীয়া বা কোমল হৈ থাকে। পটাছ খাৰৰ চাবোন চেঁচা কৰা আৰু উতলোৱা দুয়োটা প্ৰণালীতে কৰিব পৰা হয়। উতলোৱা প্ৰণালীত লোণেৰে সৈতে চাবোন দানা বান্ধি নোলায়। কিন্তু ভালদৰে মিলহৈ, তললৈ ভাপ হৈ যায়। দুয়োটা প্ৰণালীতে গ্লিচাৰিণখিনি চাবোনতে বৈ যায়।

ঘৰুৱা আৰু টইলেট্ (Tolet) **চাবোন।**

চৰ্ব্বিৰ শতকৰা ৬৪ ভাগ চাবোন থকা পৰিষ্কাৰ চাবোনক উৎকৃষ্ট চাবোন বুলিব পাৰি। ইয়াক সজাত ভৰাই চটাচটে কটা হয় আনকি মাজেসময়ে ৰজন চাবোনো (Ro-in Soap) যোগ দিয়া হয়। এই গোটা ধুনা (Rosin) এচিদেৰে তৈয়াৰী আৰু ক'ষ্টিক চ'দাৰ লগত ৰাসায়নিক ক্ৰিয়া কৰাৰ পিচত ৰজন চাবোন হয়। চৰ্ব্বিৰ তুলনাত ই সস্তা, কিন্তু চাবোনৰ লগত শতকৰা ১০ৰ পৰা ২০ ভাগ পৰিমাণে মিহলালে ই ফেনোৱা ক্ষমতা বেচি কৰাৰ উপৰিও চাবোন ডোখৰ দেখিবলৈ উজ্জ্বল হয়। হালধীয়া দাগ লগাই কাৰণে কাপোৰ ধুবৰ কাৰণে ই অনুপযুক্ত। ৰাণ চাবোনত (Run Soap) প্ৰকৃত চাবোনৰ সৈতে চ'দিয়াম কাৰ্ব্বনেট বা চ'দিয়াম চিলিকেত্ থাকে। উৎকৃষ্ট চাবোনতকৈ ৰাণ চাবোন নিম্নখাপৰ। ঘৰুৱা চাবোনৰ ভিতৰত ফিল্ড্ চাবোনেই (Filled Soap) আটাইতকৈ নিম্নখাপৰ, মাটি, চক বা অভ্ৰৰ সৈতে নাইবা চ'দিয়াম কাৰ্ব্বনেট আৰু চিলিকেত্ৰ সৈতে ইয়াক নাই মোমাইতকৈ কণা মোমাই হিচাবে ব্যৱহাৰ কৰে। নিম্নখাপৰ চাবোনত চৰ্ব্বিৰ পৰিমাণ শতকৰা ২০ ভাগতকৈও কম।

টইলেট্ চাবোন ভালধৰণৰ জন্তুৰ চৰ্ব্বি আৰু নাৰিকল, তালগছৰ শাহঁ, জলফাই আৰু অন্যান্য উদ্ভিদজাত তেলেৰে তৈয়াৰ কৰা হয়। কেষ্টাইল (Castile) চাবোন চৰ্ব্বি নোহোৱাকৈয়ে জলফাইৰ পৰা তৈয়াৰ কৰা হয়। টইলেট্ চাবোন তৈয়াৰ কৰোঁতে শতকৰা ৬৪ ভাগ পৰিষ্কৃত চাবোন থাকে আৰু চৰ্ব্বিক পদাৰ্থ মিহিকৈ কাটি শতকৰা ৭৫ ভাগৰ পৰা ৮০ ভাগ পৰ্য্যন্ত নোহোৱালৈকে অবিৰাম শুকুৱা যন্ত্ৰত দিয়া হয়। শুকুৱা মিহি চৰ্ব্বিক পদাৰ্থখিনি চেপনিৰে (roller) চেপি গুৰি কৰা হয় আৰু ইয়াত সুগন্ধি বস্তু, ৰঙীন পদাৰ্থ আৰু লাইচল কাৰ্ব্বলিক নাইবা গন্ধকৰ নিচিনা আৰোগিক বস্তু যোগ দিয়া হয়। নিম্ন শ্ৰেণীৰ চাবোনত আতা, চেনি বা ইন্দ্ৰিয়গম্য গাখীৰ আৰু পনীৰ থকা বস্তুৰে পুৰুৱা হয়। স্বচ্ছ চাবোন উৎপাদনত গ্লিচাৰিণ দিয়ে আৰু বেচি তেল দিলে তেলেতীয়া চাবোনৰ উৎপাদন হয়।

শুকুৱা গুৰি চৰ্ব্বিক চাবোনখিনিক এতিয়া গোটা দ'মৰূপে হেঁচা দি তায়ত কাৰ নাইবা

দৈৰ্ঘিক ঘূৰ্ণীয়া মাৰিৰ আকাৰত জোৰেৰে বাহিৰ কৰি অনা হয়। এতিয়া জোখমতে কাটি চাপ মাৰি বান্ধি, বিক্ৰীৰ কাৰণে সাজু কৰা হয়। এই গুৰিৰ চৰ্ব্বিক চাবোন টইলেত্ চাবোনৰ দৰে উৎপাদিত কৰা হলেও মূলগত বস্তুকেইটাৰ সংমিশ্ৰন হৈছে কোমল পটাচ্ চাবোন আৰু সাধাৰণ চ'দা চাবোন, গ্লিচাৰিণ আৰু গমো মাজেসময়ে যোগ দিয়া হয়।

তৰপীয়া (flakes) চাবোনত গুৰি চৰ্ব্বিক চাবোনতকৈ পানীৰ পৰিমাণ কম। ক্ষীণ চামনিৰে উত্তপ্ত ৰোলাৰ যন্ত্ৰৰ মাজেদি পাৰ কৰি পৰিষ্কাৰ চাবোনখিনি শুকুৰা হয় আৰু তেতিয়া তৰপে তৰপে কাটি তৰপীয়া চাবোন উৎপাদন কৰা হয়। চাবোনত এতিয়াও কম পৰিমাণে পানী থাকে আৰু উত্তপ্ত ৰোলাৰ যন্ত্ৰৰ মাজেদি বোৱাই পুনৰ শুকাই টুকুৰা টুকুৰে কাটি পেলোৱা হয় নাইবা এটা সুন্দৰ জেত্ যন্ত্ৰৰ মাজেদি গৰম বতাহৰ সোঁত বোৱাই জুলীয়া চাবোনৰ পানীৰ কণিকাবোৰ আঁতৰাব পাৰি। এই অৱস্থাত শুকান চাবোনৰ মিহি গুৰিৰ উৎপন্ন হয়। ধোৱা পাওদাৰত (washing powder) চাবোনৰ পাওদাৰখিনি চ'দিয়াম কাৰ্ব্বনেট, চ'দিয়াম ফ'ছফেট্ বা চ'দিয়াম পাৰ্বৰেটৰ সৈতে মিহলাব পাৰি। ই এটা ক্ষীণ ৰাসায়নিক প্ৰক্ৰিয়াৰে বগা কৰা পদাৰ্থ (bleaching agent)। মোহৰা (abrusive) চাবোনত মিহি বালি বা পিউমিক পাথৰৰ উপাদান থাকে।

অলকহলত চাবোন গলাই, ইয়াৰ অপৰিষ্কাৰ অংশখিনি তলত পৰিবলৈ দি আৰু অলকহল খিনিক ভাপৰূপে উৰাই দিয়াৰ পিচত স্বচ্ছ চাবোনৰ উৎপাদন হয়। এইদৰে হোৱা জুলীয়া বিজল বস্তুটো শুকুৱালে এটা স্বচ্ছ দ'ম পোৱা হয়। গ্লিচাৰিণক বাদ দি বাদামৰ তেলৰ পৰা চেঁচা কৰা প্ৰণালীৰে তৈয়াৰ কৰা চাবোন অৰ্দ্ধ স্বচ্ছ হয়। সস্তীয়া স্বচ্ছ চাবোন গ্লিচাৰিণ যোগ দি উৎপাদন কৰা হয়। লোণযুক্ত পানীত ফেনোৱা নৌ-চাবোন নাৰিকল বা তাল গছৰ শাঁহৰ লগত পটাচ্খাৰ আৰু চ'দাৰ মিশ্ৰণ দি তৈয়াৰ কৰে। জুলীয়া অৱস্থাতে ভীষণভাৱে জোকাৰি পোকাৰি বায়ুৰ কণিকা কিছুমান ভৰালে ওপোঙা চাবোনৰ উৎপাদন হয়।

ধোৱা পথলাৰ বাহিৰেও চাবোন বয়ন শিল্পত ব্যৱহাৰ কৰে। হাইড্ৰকাৰ্ব্বনিক তেলেৰে সৈতে লগলগাই ইয়াৰপৰা জন্তুৰ চৰ্ব্বিৰ নিচিনা বস্তুও উৎপন্ন কৰে।

"বিহু-গামোচা খন"

—নাৰায়ণ মহন্ত,



আজি কুলিয়ে কুউ কুউ কৰিছে। সচাকৈয়ে বসন্তৰ পঞ্চম সুৰৰ মাদকতাই মনলৈ এটা অনাবিল আনন্দৰ ঢৌৰে হৃদয় তন্ত্ৰী কঁপাই তুলিছে। প্ৰকৃতিদেৱী আজি ৰূপহী, গছ-লতিকাই নতুন সাজেৰে সজ্জিত হৈ বহাগী আইদেউৰ লগত ৰূপ কোঁৱৰৰ বিয়াখন সুকলমে সমাধা কৰিবলৈ উলহ মালহ লগাইছে। সিহঁতৰ আনন্দই বা চাই কোনে! প্ৰকৃতি আজি আনন্দ মুখৰা। তেওঁৰ জীৱনৰ যৌৱন মাদকতাৰ ঢলত আই পৃথিৱী নানা বৰণেৰে ৰঞ্জিতা হৈ উঠিছে। কপৌফুল কেইজোপাৰ ফুলৰ থোপাবোৰলৈনো কি চাবা! এই উলহ মালহ উৎসৱ বিভোৰা প্ৰকৃতিৰ ৰূপৰ জেউতিয়ে কি যে মাদকতা আনি দিছে ক'ব নোৱাৰো। তাতে বহাগীৰ কিচ্‌-কিচিয়া ক'লা চুলি তাৰিত কপৌ ফুলৰ থোপাটো দেখিলে এনেহে ভাব হৈ গা ৰঞ্জিত ৰঞ্জিত কৰে যে ইয়াক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি।

বহাগী গাভৰুৰ এয়ে পীৰিতি হেনো। সেয়েহে বহাগীক প্ৰকৃতি আৰু পীৰিতিৰ কেৰাহি চাৱনিৰ মাদকতা ভৰা দুযুৰি চকুৰ ৰহস্য মিলন বুলি কোৱা হয়। সেয়েহে বিহুৱলীয়া ডেকা-গাভৰুৱে বহাগী আইক দিনে ৰাতিয়ে বিনাব লাগিছে; পীৰিতিৰ ঢৌৰে উথল মাথল লগাইছে। ময়ো ইহঁতৰ মাজৰে, মোৰো জানো পীৰিতি নাই—নিশ্চয় আছে।

সেইদিনা যিদিনা সাদৰীয়ে পানী আনিবলৈ যাওঁতে বুকুৰ আঁচলখন খহি লাৱণী ৰূপটিয়ে দেখা দিছিলে—সেইদিনাখনৰ কথা, সাদৰী আৰু মই, লাজকুৰীয়া ছোৱালীটিয়ে দেহি মোক দেখি ৰঙা-জঙা পৰি আঁচলখন ডাঙি ললে আৰু মোৰ ফালে কেৰাহি কেৰাহিকৈ চাই গুচি গ'ল। যোৱা সাদৰী—কিন্তু বিহুৰ দিনাখনো এইদৰে চাই পীৰিতি কৰিবা—মই ৰব নোৱাৰি গাই পেলালো।

কেৰাহি কেৰাহিকৈ নাচাবি লাহৰী
হিয়া মোৰ কাঢ়ি লৈ গলি,
গুপুত কথাটি মনত লৈ থাকিবি
পীৰিতিৰ সময় ঐ হ'লি।

সেইদিনাখনৰ পৰা সাদৰীক লগ নোপো-ৱাকৈ থকা নাই—পাইছো, কিন্তু কথাহে পাতিব নোৱাৰো। অকলশৰেও পাইছো—মাত নোলায়, এই কাৰণেই সাদৰী—তোক ভাল পাওঁ। তই জানো ভাল পাব!

পৰহিলৈ বিহু, বিহুলৈ জানো মোক নামাতিবি? তোৰ হাতৰ জানো তামোল এখন খাবলৈ নাপাম?

এৰা সৌৱা—সাদৰী আহিছেই, এৰা তাই বা কি কয় এতিয়া, মানুহো নাই, আজি তাইক সুধিয়েই পেলাম নেকি?

"সাদৰী, কোন ফালেনো যাব? আমাক বিহুলৈ নামাতনে কি?

"বিহুলৈনো তোক নামাতি কাক মাতিম অ'? পিছে এইখন লচোন "এইবুলি সাদৰীয়ে লুকুৱাই অনা গামোচাখন কাষলতিৰ তলৰপৰা উলিয়াই দিলে।

মই গামোচাখন ললেও তাইৰ চলচলীয়া চকু পানী বিৰিঙা চকু যোৰ দেখি এটা অজান বিষাদৰ আশঙ্কাত কি কৰো কি নকৰো লাগিল। হায় ভগৱান! কি বা সম্বাদ পাওঁ, মই সুধি পেলালো।

"কি হৈছে সাদৰি! এইদৰেনো কান্দিছ কেলেই! তোৰ মুখত হাঁহি এমোকোৰা নেদেখিলে মোৰ বৰ বেজাৰ লাগে অ' লাহৰী।

"কান্দিছো কেলেই? বুজিছ চেনাই, তই যিদিনাই মোলৈ বুলি মন কৰিছিলি, সেই বিহু নাম গাইছিলি,—ময়ো বেয়া পোৱা নছিলো—কি কৰিম! সান্দহ খোৱা বালিৰ তলপৰিছে, মোক বহাগৰ ভিতৰতে ধনবৰলৈ বিয়া দিব। মোক পাহৰি পেলা—বিহুৱা, নতুন এজনী বিয়া কৰাই ঘৰ সংসাৰ কৰিবি।", এই বুলিয়েই উচুপিবলৈ ধৰিলে।

মোৰ বুকু চিৰিং কৰে গ'ল। মই লৰা-লৰিকৈ সাদৰীক ওচৰতে বহুৱাই কৈ পেলালো। "বুজিছ সাদৰী, তোৰ অবিহনে মোৰ সকলো শুদা হ'ল। মোক আৰু একো নালাগে, তয়ে ধনবৰৰে সৈতে সুখেৰে থাকগৈ।" সাদৰীয়ে আকৌ উচুপি উচুপি কান্দিবলৈ ধৰিলে। মই সাদৰীৰ বুমলীয়া হাত দুখন মোৰ হাতৰ মাজত সুমুৱাই লৈ কবলৈ ধৰিলো ক'ৰপৰা যে মনৰ বল আহিল ক'ব নোৱাৰো, মই ক'লো "তই যে এইবেলি বিহুতলিও এৰিলি, বিহু নাগাবিনে কি?"

"বিহু আৰু কি গাম চেনাই, কোনেনো মোৰ চকুলৈ চাই হাঁহিব।"

"ময়ো বিহু গোৱা নাই সাদৰী, তোক নেদেখিলে বিহুতলিত থাকিবৰ মন নাযায়, কিন্তু সাদৰী, তোৰ ইচ্ছা হলে আমাক কোনেও আঁতৰ কৰিব নোৱাৰে। তই জানো মোৰ হিয়া শাঁত পেলাবলৈ নাহিবি লাহৰী? তোৰ অবিহনে মোৰ জীৱন অসাৰ।"

সাদৰীয়ে ঘপৰাই মাত লগালে। "নিশ্চয় যাম, চেনাই।"

"তই চুৰা পেলাবলৈ অকলশৰে পিচফালে ওলাই আহিবি। তাৰেপৰা তোক সেইদিনা

পলুৱাই নিম। ঘৰৰ সকলোৱে বিছুতলিলৈ গলি বুলি ভাবিব আৰু বিচাৰ খোচাৰ কৰোমানে আমি পলাই বহুত দূৰ পামগৈ। এতিয়া ঘৰলৈ যা সাদৰী।"

"যাম—এতিয়াই যাম, পিছে এনেয়ে আকৌ মোক আওখতিখন নকৰিবি চেনাই।"

"আওখতিনো কিটো কৰিম, তয়ে মোৰ দেহ লাওঁ। আহ, আগতীয়াকৈ চুমা এটাকে খাই লওঁ আহ।

"সেইটো নকৰিবি চেনাই, তই যেতিয়া সম্পূর্ণকৈ নিবি, মইতো তোৰেই—যাবি আকৌ দেই," এইবুলি সাদৰীয়ে উচাৎ মাৰি লাহেকৈ উঠি গুচি গ'ল। ময়ো আত্মবিভোৰ হৈ শলাগি থলেও গৈ থকা সাদৰীলৈ একেথিৰে চাবলৈ ধৰিলো।

এয়ে আমাৰ বহাগৰ পবিত্র ভালপোৱাৰ গাৱঁলীয়া জীৱনৰ পকা পীৰিতি। অসমৰ চুকে-কোণে থকা গাৱঁলীয়া ডেকা-গাভৰুৰ এয়েই প্রণয়ৰ জোৱাঁৰ।

ক্রমশঃ—



‘কলমৰ চতুৰালি”

পুতুলে স্কুলব পৰা আহি মেজতে কলমটো পেলাই থৈ ভিতৰলৈ গল। কলমৰ ওচৰতে বৈ থাকিবনো কেনেকৈ ? কিয়নো আমাৰ পুতুল মইনাৰ বৰ ভোক লাগিছিল। কলমৰ ওচৰতে দোৱাতটোও আছিল। লাগিল খৰিয়ালখন—বুজিছা।

কলম—হেৰা দোৱাত কাই ! ইমানটোনো ভেম কেলেই ? কাৰ আগতনো গঙ্গাটোপটো যেন দেখুৱাইছা ?

দোৱাত—মোৰ ভেম হৈছে ! মই গঙ্গাটোপ, বাকুটো অ’, দেখা নাই, দিনৰ দিনটো পেতুকণা লৰাটোৰ লগত ফুৰিফুৰি মোৰো মান ইজ্জত আটাইবোৰ নাশ কৰিলি। সি জানে কি ? যেতিয়াই পাই তেতিয়াই কাগজবোৰ লেতেৰা কৰিব—এয়েহে।

কলম—মোৰ গাতহে এতিয়া দোষ হল। বোলো পেটুকণা লৰাইহে তোমাৰে মোৰে গৌৰৱ কণ ৰখাইছে। সিয়েই কালিলৈ দেশব গুৰিয়াল হবগৈ—বুজিছা। তেতিয়া কি হব ?

দোৱাত—“তোৰ মূৰটো হ’ব। এতিয়াতো সি পেতুকণা লৰা। নেদেখিছ সি কেনেকুৱা লেতেৰা। এনে লেতেৰা মখাই আকৌ দেশৰ গুৰিয়াল হবগৈ। বাৰু অ’,” কলমে কিন্তু দোৱাতৰ মইমতালি ভাল নাপালে। সেইবাবে কৈ পেলালে।— “বোলো—ডাঙৰীয়া, এতিয়া তোমাক বুলিবলৈও ভয়হে লাগিছে। জানোছা মানীৰ মানটোৱেই কেনিবাদি যায়। এৰা নমস্কাৰ, বিদগ্ধ কবিৰাজৰ “হৰিতকী বিভীতকী সৰ্ব্বৰোগনাশক” মূলমন্ত্ৰেৰে পূজা কৰিছে যেতিয়া আপুনি নিশ্চয় এজন ডাঙৰ লোক। মোক মাফ্ কৰিব। আমি আকৌ সিমান ডাঙৰ নহয় কাৰণেই পেটুকণাটোৰ লগত ঘুৰি ফুৰিব লাগে। এৰা চাপ্ৰাচী, চাপ্ৰাচীনো ডাঙৰীয়াৰ ওচৰ লৈ নাহি কোন আহিব ?”

দোৱাতে এই কথাত অলপ ভালহে পালে। সি ভাবিলে - হয়তো ই চাপ্ৰাচীয়েই। সেই বাবেহে মোক সদায় আমনি কৰি থাকে। মানুহে কথাতে কয় বোলে চকীদাৰ চাপ্ৰাচীবোৰৰ বাহাদুৰি কি চাবা ? সেই বাবেহে ইয়াৰ ইমান ফুটনি। দোৱাত এইবেলি গহীন হ’ল আৰু চাপ্ৰাচীৰ

নিচিনাকৈ গহীন সম্বোধন কৰি কলমক মাত লগালে—"হেৰ' কি বিদগ্ধৰ গল্প কৈছ, বুজাই কচোন।"

কলমে বুজিলে—ই এটা অজগৰু। সেই বাবেহে ই ঠাট্টাকো বুজি নাপাই মোক এনেদৰে চাপ্ৰাচীৰদৰে তঁয়াহয়াকৈ মাতিছে। বাৰু মাতক। ময়ো চাপ্ৰাচীৰ নিচিনাকৈ কথা কোৱাই ভাল। তেহে ইয়াক মজাটো দিব পাৰিম।

"হয় ডাঙৰীয়া! এজন পণ্ডিত কবিৰাজৰ বহুতো শিষ্য আছিল। তালৈকে আপোনাৰ নিচিনা ডাঙৰ মানুহৰ ডেকা এজনে কবিৰাজী পঢ়িবলৈ গ'ল। গুৰুৱে সদায় শিষ্যসকলক "হৰিতকী বিভীতকী সৰ্ব্বৰোগ নাশক" বুলি কৈ ইয়াৰ না উপকাৰ, ঋতুভেদে ব্যৱহাৰ আদি নানা প্ৰকাৰৰ উপদেশ দিয়া শুনি তেওঁ ভাবিলে—এৰা এই শিষ্যবোৰে এনেয়ে ইয়াত পঢ়ি মৰিছে। হৰিতকী বিভীতকী গোটাই ঔষধ দিলেই হয় দেখোন।' এইবুলি ভাবি গুৰুৰ ওচৰৰপৰা বিদায় লৈ এখন চহৰত তেওঁৰ ব্যৱসায় আৰম্ভ কৰিলে। সঁচাকৈয়ে ডাঙৰীয়া—এই কবিৰাজ জনৰ মগজৰ মগহ টুকুৰা আপোনাৰদৰেই ডাঙৰ আছিল। বহুত গাৱঁলীয়া বেপাৰীয়ে উপকাৰ পোৱাত তেওঁৰ নাম বৈ বৈ গ'ল। এনেকি এজন মানুহৰ এটা ৰঙা গৰু হেৰাওতে তিনটা ডাঙৰ হৰিতকীৰ বৰি দিলে। বৰি খাই ঢল পুৰাতে ভগানৰা ছিঙি শৌচ কৰিবলৈ গৈ গৃহস্থই বাৰীৰ এচুকত বাঁহ জোপাৰ তলতে ৰঙা গৰুটো ঘাঁহ খাই থকা পালে। চাওক ডাঙৰীয়া, তেওঁৰ ঔষধে কেনেকৈ গুণ দিলে।"

দোৱাতে চালে কথাটো সচা। ই ঠিকেই কৈছে। সেইবাবে স্বস্তিৰ নিশ্বাস পেলাই মিচিকিয়া হাঁহি এটা মাৰি তাৰ কাষতে মাটিতে পৰি থাকিবলৈ চাপ্ৰাচী কলমক আদেশ কৰিলে।

কলমে দেখিলে ই একেবাৰেই অজগৰু। সেইবাবে ইয়াক পোনে পোনেহে অপমান দিব লাগিল।

"বোলো ডাঙৰীয়া, তই দেখোন একেবাৰেই অধামূৰ্খ! হেৰো গৃহস্থটো শৌচ কৰি কৰি মৰি থাকিল। তাৰ পিচত ৰজাৰ ঘৰত বিচাৰ হোৱাৰ পিচত চিৰকাললৈ তেওঁৰ ব্যৱসায়ৰ অন্ত পৰিল। তোৰ নিচিনা অধামূৰ্খ এলাবাচুবোৰে জান কিটো। ময়েই আজি জগত জ্বলাইছো—বুজিছ। 'অস্ত্ৰতকৈ কলম বেচি শক্তিশালী'। কবি ইকবালৰ কলমৰ বাহাদুৰিৰ কবিতাৰ ভঙ্গিমাত আজি যে পাকিস্তানৰ জন্ম হ'ল সেই কথা তই জাননে নেজান? কলমে জগতত আজিলৈকে যিমানবোৰ কাম কৰিছে মহা মহা যোদ্ধা আৰু অসীম শক্তিশালী ৰজা মহাৰজাসকলেও তাক কৰিব পৰা নাই, সংস্কৃতত আছে—

'স্বদেশে পূজিতো ৰাজা,

বিদ্বান্ সৰ্ব্বতঃ পূজিতঃ।' বুজিছ। তইহে কলমৰ বহতীয়া হৈ কলমৰ মুখৰ আগত দীঘল

দি পৰি থাকি চাপ্ৰাচীৰ কাম কৰ। এতিয়া কোন চাপ্ৰাচী বুজিলিনে?

দোৱাতে খণ্ডত একো নাই হৈ কিবা এটা কৰিৱৰ খোজোতেই আমাৰ পুতুল মইনা খাই বৈ ওলাই আছিল। দোৱাত আৰু কলমে সেই পিনেই টলকনা মাৰিলে।



অকনমান অকনমানীৰ বিয়া

—নাৰায়ণ মহন্ত

মিনুৰ আছিলে এটা অকনমান কেঞা আঙুলি-টোৰ সমান লৰা; সৰু হলে কি হ'ব? সি যে মিনুৰ দেহ লাও। পুৱাৰ পৰা গধুলিলৈকে তাক খুৱাওঁতে ধুৱাওঁতেই তাইৰ সময় যায়। এই বাবে তাই ককায়েক আৰু মাকৰপৰা হয়তো কেতিয়াবা গালিও খাইছে, মাজে সময়ে তুই এটা চৰো পাইছে। তেওঁ জানো মিনুৱে তাক এৰিব পাৰিব?

সৰু কাৰণেই মিনুৱে তাৰ নাম ৰাখিছিল অকনমান। অকনমান হলেনো কি হব? তাৰ যে বৰ্ত্তমান বয়স ষোল বছৰ। মিনুতকৈ বাৰ বছৰৰ ডাঙৰ। মিনুৰ দেউতাকে হেনো কলিকতালৈ যাওঁতে এই মাৰ্ব্বলৰ পুতলাটো কিনি আনিছিল। অ' পুতলা হে! লৰা নহয়। মাৰ্ব্বলৰ পুতলা হলেনো কি হ'ব? তাৰ আছে প্ৰাণ আৰু ভাবিবপৰা শক্তি। আমাৰ দৰেই সি সংসাৰৰ ঘাত-প্ৰতিঘাত, সুখ-দুখ, হৰ্ষ-বিষাদ, আমোদ-প্ৰমোদ আদি সূক্ষ্ম অনুভূতিবোৰ নীৰৱে উপলব্ধি

কৰিছে। সিও প্ৰকৃতিৰ বশবৰ্ত্তী। সেইবাবে তাৰ চফল জীৱনত যৌৱনৰ মাদকতাই পূৰা দমে ক্ৰিয়া কৰিছে। কিন্তু তেনে এটা অকনমান বাওঁনা পুতলা লৈ সহানুভূতিনো কোনে দেখুৱাব? তথাপি সি মিনুজনীক মাকৰদৰেই ভাল পায়।

মিনুৱে তাৰ আলপৈচান ধৰোতে, গা-পা ধুৱাওঁতে খাবলৈকে পাহৰে। সেইবাবে মিনুৰ মাকে কতদিন পুতলাটো চুৰা পাতনিলৈ দলিয়াই পেলাইছে কোনে ক'ব? কেতিয়াবা আকৌ ঠাই সাৰোতে পালে সাৰিয়েই চোতালৰ মূৰৰ জাবৰৰ দ'মত পেলাই থয়গৈ। ৰঙা চঙা পৰি উচুপি উচুপি কন্দা মিনুজনী নোহোৱা হলে তাৰনো কি গতি হলহেতেন কোনে ক'ব?

আজি কিন্তু শেষৰ এক জাত। মিনুৰ মাকে খঙতে একো নাইকিয়া হৈ পুতলাটো গধুলি ৰাস্তালৈ দলিয়াই পেলালে। তাতে ডবা পিটা বৰষুণ। বেচেৰা অকনমানে বৰষুণতে গোটেই ৰাতি কান্দি কান্দি ৰাস্তাতে পৰি থাকিল। ৰাতিপুৱা নগৰ পৰিষ্কাৰ কৰা মেটৌৰৰ ডেকা লৰা এটাই সেই পিনেদি যাওঁতে পুতলাটোৰ ওপৰত চকু পৰিল। সি তুলি লৈ জেপত ভৰাই থলে। অকনমানেও বৰষুণত তিতি থাকি জেপত সোমাই থাকিবলৈ পাই ভালেই পালে। কিন্তু জেপ পালে কি হ'ব? সি ময়লাৰ গোটত নাকৰপৰা হাত গুচাব নোৱাৰা হল।

কিছু সময়ৰ পিচত ডেকাটিয়ে ঘৰ পাই চাৰি বছৰীয়া জীয়েক মুন্নীক অকনমানক দিলে। মুন্নীয়ে অকনমানক ধুৱাই পখলাই লৈ লগৰীয়া কৰি ললে। অকনমানেও নাকৰ পৰা হাত গুচাই কিছু শান্তি পালে; ঘৰখন বৰ পৰিষ্কাৰ পৰিচ্ছন্ন নাপালে। তাৰোপৰি মুন্নীয়ে কেতিয়াবা যতে পাই ত'তে বোকাই বালিয়ে তাক পেলাই থয়। সেয়ে নহয়—তাক দিয়া কাপোৰ কানিবোৰো লেতেৰা।

এইবোৰ যিকিয়েই নহওক এদিন মুন্নীয়ে ঝৰণাটোৰ কিনাৰত পানীতে পেলাই থৈ পাহৰি ঘৰলৈ গুচি গ'ল। সেইদিনা ৰাতিলৈ ইমান বৰষুণ হল যে ঝৰণাটো ফেনে ফোটোকাৰে বাঢ়ি পানীৰে উপচি পৰিল আৰু ডাঙৰ বৰালি মাছ এটাই অকনমানক কিবা কিবি খোৱা বস্তু বুলি ভাবি গিলি থলে। অকনমান পিচে খোৱা বস্তু নহয় আকৌ! বালক কৃষ্ণক দুষ্ট অঘাসুৰে গিলি খোৱাৰ অৱস্থানো কি কবা।

"পেচ' ফিঙ্কি ভিতৰৰ বায়ু দিলে টান।
মূৰ্দ্ধা ফুটি অসুৰৰ বাজ ভৈলা প্ৰাণ॥"

আমাৰ বৰালি বোপাৰো মূৰ্দ্ধা ফুটি প্ৰাণ বাজ নহলেও ঢেলপঙা দিলে। বোপাৰ এনে তল ওপৰ অৱস্থা হল যে এনে ডাৱৰীয়া বতৰৰ চিপ্‌চিপীয়া বৰষুণৰ সময় ডোখৰো শ্ৰীমতীৰে সৈতে চফৰ ফুৰিবলৈ যাব নোৱাৰিলে। প্ৰকৃতিৰ নিয়মৰ কিন্তু ব্যতিক্ৰম নঘটিল। বসন্তৰ বিৰ্ বিৰ মলয়াৰ ঢৌ, কুলিৰ মাদকতাময় সুৰৰ লহৰ আৰু ভোমোৰাৰ ফুলৰাণী হঁতৰ লগত কৰা পেমালিৰ মাদকতা মাছ ৰাজ্যৰ সদৌ প্ৰজাই

উপভোগ কৰিলে। এনেকৈ বোপাই তল ওপৰকৈ থাকোতেই ওচৰবে হৰিমন বুঢ়াই পছোৱাৰে খুছি তাক ধৰি ঘৰলৈ লৈ গল। এনে এটা ডাঙৰ মাছ অকলে খাবলৈ বেয়া পাই, জমিদাৰ দেউতাৰ ঘৰতে ভেটি দিবলৈ লৈ গ'ল। জমিদাৰে মাছটো দেখি বৰ ভাল পালে। তেওঁ ৰৰকৈ সন্তুষ্ট হৈ সেই বছৰৰ খাজানা খিনিকে ৰেহাই দিলে: বুঢ়ায়ো স্বস্তিৰ নিশ্বাস এটা পেলাই ঘৰলৈ উভতি আহিল।

জমিদাৰৰ ঘৰত মাছটো কাটিলত তাৰ পেটতে অকনমান ওলাই পৰিল। ইমান সময়ে অকনমানৰ যে কি হৈছিল কি ক'ম। সি নাড়ী ভুক এসোপাৰ মাজত বন্ধ হৈ জড়সৰ হৈ পৰি আছিল; গৰমত তাৰ প্ৰাণ বায়ু কেতিয়া ওলাই যাই, কেতিয়া ওলাই যাই লাগিছিল। ইমানতে যেনিবা তাক জমিদাৰৰ লগুৱাই মাছৰ পেটৰ বন্ধ কাৰাগাৰটোৰ পৰা উদ্ধাৰ কৰি শান্তি দিলে। জমিদাৰৰ পাঁচ বছৰীয়া পুতেক গোপালে অকনমানক পাই হাতত লৈ নাচিবলৈ ধৰিলে। সি একেটা লৰতে মাকৰ ওচৰ পাই পুতলাটো দেখুৱাই হাঁহিবলৈ ধৰিলে। মাকে অকনমানক হাতত লৈ ধুৱাই-পখলাই মিঠা-তেল অকনমান গাত ঘঁহি দিলে। গোপালৰ এতিয়া আনন্দ চাই কোনে? কিন্তু চাৰি বছৰীয়া জুনুৱে পুতলাটো নাপাই কান্দিবলৈ ধৰিলে। এতিয়া অকনমানক গোপালেও নেৰে জুনুৱেও নেৰে। জমিদাৰনীয়ে উপাই নাপাই কালিলৈ তেনেকুৱা এটা পুতলা কিনি আনি দিম বুলি জুনুক সান্ত্বনা কৰিলে

পিচদিনা জমিদাৰে জমিদাৰনীৰ অনুৰোধ এৰাব নোৱাৰি নগৰলৈ গৈ অকনমানি ধুনীয়া ছোৱালী এটি কিনি আনি দিলে। জুনুৰ অকন-মানী জনী হলে মাৰ্বলৰ নাছিল। সেইবাবে এইজনী বৰ ধুনীয়া আছিল। নহবইনো কিয়? জমিদাৰে বেয়া বস্তু কিনিবনে? গোপালে জুনুৰ অকনমানী জনী দেখি মুখ আমোলাই পেলালে।

অকনমানে হলে অকনমানীক দেখি বৰ ভাল পালে। তাইৰ ধুনীয়া অবয়বটো চাই তাৰ তৃপ্তি নপলোৱা হল। সেই বাবেইনে কি কব নোৱাৰো, চাৰি চকুৰ মিলন এবাৰ নহয়, কেইবাবাৰো হৈছে; কিন্তু কথা একাষাৰকে পাতিবলৈ সুবিধা পোৱা নাই। গোপালেও নিদিয়ে জুনুক, জুনুৱেও গোপালক নিদিয়ে। পিচদিনা জেমিয়ে মুখেৰে কামুৰি নি অকনমানীক বাহিৰ চোতালৰ বোকাতে পেলাই দিলে; বেচেৰী অকনমানীৰ গাত বোকা লাগি জুনুৰী পুতুৰী হল। গোপালে ইয়াকে দেখি হাঁহিবলৈ ধৰিলে। জুনুৰ লাগিল পেছ—কাগজৰ পুতলা একনী আনি দিছে—এতিয়া এই লেতেৰা বোকাবোৰ কোনে ধুব? ধুলে জানো ৰং নাযাব?

বুঢ়া জমিদাৰৰ এটা অকৰামুৰীয়া খং আছিল। তেওঁৰ এই খং উঠিলে কোনেও মাত মাতিবলৈ সাহ নকৰে। তেতিয়া তেওঁৰ খঙৰ কোবত কেতিয়াবা গছত গৰু উঠে, আৰু হালোওা

কাগত সোমায়। ৰাতিপুৱাতে এই কান্দোনখনৰ আমুৰি তেওঁ সহিব নোৱাৰিল। এই দুটায়ে কাজিয়াৰ গুৰি বুলি ধৰি লৈ অকনমান আৰু অকনমানী দুয়োটাকে গোটাই লৈ মালিনীৰ ঘৰৰ ফালে দলিয়াই পেলাই দিলে। গোপাল আৰু জুমুৰে ভয়তে চেপেটা মাৰিলে। মালিনীৰ গোলাপী বুলি এজনী গাভৰু ছোৱালী আছিল। তাই পুতলা দুটা বুটলি লৈ ভালদৰে মুচি-কাচি একেটা বাকচতে ভৰাই থলে। তেতিয়াৰ পৰা অকনমান আৰু অকনমানীয়ে সুখেৰে একেলগে বাস কৰিবলৈ ধৰিলে। অকনমানে তাৰ জীৱনৰ দুখময় কাহিনীবোৰ কেতিয়াবা অকনমানীক কৈ নিজৰ দুখ পাতলায়। অকনমানী নোহোৱা হলে অকনমানৰ যে কি নহল হেতেন কোনে কব?

—:০:—



"ইণ্ডোচীনীয় সাহিত্য"

—অনুবাদ

থাইসকলৰ সাহিত্য শ্যাম আৰু চৈনিক ভাষা-সাহিত্যৰ অন্তৰ্গত। ইণ্ডোচীনীয়, আন্নামী, কম্বোডীয়, লাওচান আৰু শ্যামী ভাষা থাই ভাষাৰে অন্তৰ্গত। অসমীয়া, বঙালী, হিন্দী আদি উত্তৰ ভাৰতৰ ভাষাবোৰৰ ভিতৰত যেনে সম্বন্ধ এই ভাষাকেইটাৰো তেনেকুৱাই বাই ভনীৰ সম্বন্ধ। এই কথাটো সাহিত্যৰ প্ৰকাশত পৰিস্ফুট হৈছে। এই বিশিষ্ট ধৰণটো ছন্দৰ নিবীড় সম্বন্ধ থকা কবিতা আৰু সমতাৰক্ষী গদ্যত প্ৰকাশ পাইছে। আন্নামী সাহিত্য এক শব্দাংশৰ ছান্দিক আৰু নিৰ্দ্দিষ্ট ক্ৰম মতে এই ছন্দই শব্দৰ সমতা ৰক্ষা কৰে। অন্যান্য ভাষাখিনিও প্ৰধানকৈ একক শব্দাংশৰ, কিন্তু পালী আৰু সংস্কৃতৰ পৰা অনা জটিল শব্দ সমষ্টিৰো সমাবেশ কৰা হৈছে। এই আটাই খিনিকে সাহিত্যিক দৃষ্টিভঙ্গিৰে সমান্তৰাল ভাৱে জটিল বাক্যৰ বাক্যাংশৰ সমতা ৰক্ষা কৰাত ব্যৱহাৰ কৰা হয়।

সাহিত্যৰ মূল ভিত্তি হৈছে বৌদ্ধ ধৰ্ম্মৰ পদানুসৰণ। অনুবাদ সাহিত্য বাদ দিলেও বুদ্ধদেৱৰ জীৱনৰ অসংখ্য পৌৰাণিক ঘটনাৱলীৰ বিবৰণ সম্বলিত গল্পৰ সংখ্যাই বহুত। এই বিলাকৰ ভিতৰত অলৌকিক গল্প, জন্তু মানুহলৈ পৰিবৰ্ত্তিত হোৱাৰ বিবৰণ, নৈতিক সাধু, ৰোমাঞ্চকৰ বিবৰণ আৰু করুণ কাহিনী বা নাটকেই বেচিকৈ পোৱা যায়। আনকি গদ্য সাহিত্যও সিচৰিত ছন্দৰ সমষ্টি। এইবিলাকৰ ভিতৰত গাৱঁলীয়া লৌকিক গীত, ভালদৰে সন্নিবিষ্ট কৰা নিপুণ হাতৰ সমাবেশ মন কৰিব লগীয়া। হাতী এটাই অভ্যৰ্থনা জনোৱা শ্যামী ভাষাৰ সুন্দৰী গাভৰুগৰাকীৰ গল্প "ফুম্ হুন"ত দৃশ্যৰ সাজ-সজ্জা, বৰ্দ্ধিত আৰু বিশিষ্ট গুণেৰে পৰিবৰ্দ্ধিত হৈ লাওচান, কম্বোডীয় আৰু আন্নামী ভাষাতো পোৱা হয়। শ্যামী কবিতাৰ তিনটা প্ৰধান ছন্দ ক্লন্, কেপ্, আৰু ক্লং চুবুৰীয়া ভাষা কেইটাৰ গ্ৰহণযোগ্য আৰু সিহঁতৰ নামে সৈতে গ্ৰহণো কৰিছে। বিদায় কালৰ প্ৰেম সঙ্গীত, ধাই গীত বীৰ ৰসৰ লোকগীত, করুণ সঙ্গীত আদি অলেখ। বৌদ্ধধৰ্ম্ম বা চৈনিক কনফুচিয়াস্ মতাৱলম্বী দাৰ্শনিক পণ্ডিতসকলৰ মতত ভিত্তি কৰি নৈতিক ছন্দত সোৱৰণি হিচাবে লৰা-ছোৱালীবোৰৰ শিক্ষা দিয়া হয়। বহুত চৈনিক খেয়ালী কবিতা এই জাতীয় সাহিত্যৰ অঙ্গ হৈ পৰিছে; মাজে সময়ে বেচিখিনিৰে অলপমান বিষয়-বস্তু পৰিবৰ্ত্তন কৰি বেচিকৈ আকাৰৰ সলনি কৰা হয়। পঢ়াশলীয়া প্ৰাথমিক কবিতা পুথি চীনৰ ছান্ট্ জু-ছিং ৰৰ বেচিকৈ জনাজাত আৰু এতিয়াও ইণ্ডোচীনৰ স্কুলবিলাকত ব্যৱহাৰ কৰা হয়।

সংস্কৃতিত শক্তিশালী চীন আৰু ভাৰত দুখন চুবুৰীয়া দেশে সদায়েই ইণ্ডোচীন বাসীৰ ওপৰত গভীৰ ছাঁ পেলাইছে। মাজে সময়ে এনে একোটা প্ৰভাৱ পৰে আৰু আকৌ এটা সংযোজনাৰ জন্ম হয়। এনে কামৰ ভিতৰত বৌদ্ধ কনফুচিয়াস্ মতাৱলম্বী নীতি শাস্ত্ৰৰ "বহুমূলীয়া অন্তৰাত্মাৰ আয়না" (Precious mirror of the heart) আন্নামীসকলৰ জনপ্ৰিয়। চীনা চৰিত্ৰসকলৰ বিষয় বস্তুৰে সৈতে ইয়াক সহজ আন্নামী বৈশিষ্ট্যতাত পঢ়িবলৈ পোৱা হয়। কিন্তু অন্য ভাষাত কেৱল অনুবাদিত হিচাবেহে পোৱা যায়।

আইনৰ লিখনিয়ে ইণ্ডোচীনীয় সাহিত্যত বিশেষ স্থান অধিকাৰ কৰিছে। এতিয়াও বেচি সংখ্যক জীৱিত থকা ৰজাৰ ৰাজ-আজ্ঞাৰ দ্বাৰাই সাধাৰণতে ব্যাখ্যা সহ আইনৰ পাঠ দিয়া হয়। শ্যাম, কম্বোডিয়া আৰু লাওচে ভাৰতক তেওঁলোকৰ প্ৰধান উৎস আৰু আদৰ্শ বুলি ধৰি লৈছে। আন্নামীসকলে বেচিকৈ চীনতে ভেজা লয়। এইদৰেই খৃষ্টানসকলৰ পূৰ্ব্ববৰ্ত্তী এখন ভাৰতীয় আইন, মনুসংহিতা খৃষ্টপূৰ্ব্ব ৫০০ৰ পৰা ইয়াংজুৰ দক্ষিণে চীনত কিম্বদন্তীৰে সৈতে কাষে কাষে চলি আছে। সাধাৰণতে গদ্য আৰু কবিতাৰে মিশ্ৰিত বুৰঞ্জী এটা বৰ ডাঙৰ বিভাগ। সংক্ষিপ্ত বাস্তৱবাদী হিচাবে আন্নামে চীনৰ ঠাঁচ গ্ৰহণ কৰিছে: কিন্তু অন্যান্য ভাষাৰ ভাষা-সাহিত্যৰ বুৰঞ্জী আচৰিত ধৰ্ম্ম প্ৰাণ সধুৰ সৈতে

মিহলি। ইণ্ডোচীনীয় নাটকৰ বিষয় বস্তু আৰু ধৰণ কৰণে এই সত্যতা নিৰ্ণীত কৰিছে। অসংখ্য নাটক, গীতি-নাট্য আৰু হৰ্ষ-বিষাদৰ সমাবেশ থকা পুথি পোৱা হয়। সকলোৱে জাতীয় বুৰঞ্জীৰ কিছুমান উল্লেখযোগ্য সময়ৰ কথা সূচায়। এই চৰিত্ৰবিলাকে বুৰঞ্জীৰ সৰু সৰু কিতাপৰ জনাজাত শ্ৰেষ্ঠ মনীষীসকলৰ নাম সোঁৱৰাই ৰাখিছে।

আধুনিক সাহিত্যই এতিয়াও নিৰ্দ্দিষ্ট আকাৰ লোৱা নাই। স্বাভাৱিকতে ফৰাচীৰ প্ৰভাৱ প্ৰবল হলেও মনস্তাত্ত্বিক উপন্যাসৰ কঠোৰ বাস্তৱে ইণ্ডোচীনীয় সকলক সোৱাদ দিব নোৱাৰে। সৰহ ভাগ আধুনিক উপন্যাসকে স্থানীয় ঠাঁচত লিখি পশ্চিমীয়া উপন্যাসৰ পৰা অনুবাদ কৰিছে। মুক্ত ছন্দৰ কাৰণে কৰা চেষ্টা ফলৱতী হোৱা নাই। এনেকি পুৰণা আৰু আধুনিক প্ৰসঙ্গৰ মাজতো জিলিকি আছে।



মোৰ জীৱন লগৰী ৰ'দালিৰ আগমনত পঢ়ুৱৈৰ সমাজৰ অইন নহলেও তামোল এখন আৰু ফিকা চাহ পানী এবাতি মুকলি হব। ডঙুৰা জীৱনত তামোল আৰু চাহ পানী বাতি দিব নোৱাৰি মাজে সময়ে ভাবিব লগীয়াত পৰিছিলো।- এতিয়া যেনিবা ৰ'দালিয়ে সেই অভাৱ পূৰাইছে। চেনি হলে দিব নোৱাৰো। সিদিনা বলিয়া ফাগুনৰ মধুৰ জোনালী ৰাতি পুৰণি বাৰীৰ এচুকৰ কুঁহিয়াৰ কেইডালি যেনিবা পেৰি গুৰৰ টেকেলি ছুটামান বৰ চাঙৰ ওপৰত তুলি থৈছিলো, টেকেলি কেইটা কি চাব—ধোঁৱা লাগি বলিয়া বাঁহীৰ পঞ্চম সুৰৰ ৰাগ টনা সেই কলিয়াৰ গাটিৰ দৰেই কৃষ্ণবৰণীয়া হৈছে। ত'বে অকনমান ফিকা চাহ বাতিৰ লগতে দিব পাৰিম, ঘিণ নকৰিব আকৌ? কলপাতবোৰো নাইকিয়া হল, ফটা কাগজ এটুকুৰাতে নহব জানো?

ৰ'দালি মোৰ মানত ৰূপহী, বিৰহৰ দাবানল সুমাব পৰা সেই শাওণ মহীয়াৰ বিজুলি, ঢেৰেকণিৰে সৈতে কলহৰ মুখেৰে ঢলা বৰষুণ জাকি, তেওঁৰ শান্ত প্ৰকৃতিৰ কথাবাৰি, অসামান্য ৰূপ আৰু মিচিকিয়া হাঁহিটিয়ে তাপিত প্ৰাণত বিমল জেউতি চৰাই দিছে। আহা ৰ'দালি! তুমি মোক নেৰিবা। তব বয়সতে লগ এৰা দি ৰঘুপতি ৰামৰ দৰে কন্দুৱাই নামাৰিবা। মোৰ লৰ ভুণও নাই। কাৰ মুখলৈ চাই মই শোক পাহৰিম? সেয়েহে কৈছো—ৰ'দালি! কোকিল কণ্ঠেৰে মোৰ জীৱন মৰুভূমিৰ মাজত সঙ্গীতৰ পঞ্চম সুৰেৰে দিগ্ দিগন্ত বিধৌত কৰা—যাৰ সঙ্গীতৰ অলিয়া বলিয়া মাধুৰিমাময় তানত মই বাস্তৱ জীৱনৰ ঘাত প্ৰতিঘাতবোৰ পাহৰি থাকিব পাৰো।

আহক বন্ধু! চোতালত ছুৰবিৰন গজিবলৈ নিদিব; My familiar friend ছুবলৈকে

আহ্বান জনাইছো। অৱশ্যে চেনিৰে সৈতে চাহ, গড়্খাৰৈ কিনাৰৰ আকন এঠা যেন মহুৰ থমা দৈ কণেৰে ৰৰা চাউলৰ জলপান হলে দিব নোৱাৰো—বিহু পিঠাও নাই। কল তলৰেপৰা হুমৰ গুৰিত বহালৈকে যি বিলৈখন হল তাত জানো সহানুভূতি নজনায়? কি কম! শহুৰো নহয় কম, শাহুও নহয় কম। লেখি লেখি বঙালী কুঠাৰৰ পিঠিত মৰিয়াই মৰিয়াই নগদ ডেৰ হেজাৰমান ললে। মাটি নাই, বাৰী নাই, মুঠতে একোটো নাই। কি সোপাৰেনো বিয়াখন পাতিলো কব নোৱাৰো। সেই বাবেহে কৈছো বন্ধু মোৰ ৰ'দালিক ৰ'দ দি থাকিবলৈ দিয়ক। তেওঁ কিচ্‌কিচিয়া চুলিতাৰি মেলি আমাক আত্মবিভোৰা যোগী ভোলানাথ বলিয়া হৈ ৰূপহীন পাচে পাচে দৌৰি ফুৰাৰদৰে দোৰাই লৈ ফুৰক। জটাধাৰী আশুতোষক আটাইবোৰে হাঁহিলে—আমাকো হাঁহক। মাত্র আপোনালোকে হলে ৰ'দ লবলৈ নেৰিব। ৰ'দালিৰ দুৱাৰ সকলোলৈকে উন্মুক্ত। বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধসকলকো উমাদেবীয়ে উমাপতিক শুশ্রূষা কৰাৰ দৰেই শুশ্রূষা কৰিব। পিছে সহৃদয় পাঠক-পাঠিকা আৰু বন্ধু বান্ধৱ সকলে কবিতা কুঁৱলীৰ বাক্স ফাট্‌ ৰূপটোৰ লগতে আধা আলো আধা ছাঁৰ অলঙ্কাৰপূৰ্ণ পুৰণা ৰূপটোও দেখিবলৈ পাব। পুৰণিকনো কেনেকৈ বাদ দিম? সেইবাবে ৰেন ক্ষমা কৰে।

মোৰ বন্ধুসকলে জানো মোক অলপ সহায় নকৰে। আহোতে কেইখিলামান পাণ, দুটামান তামোল, পাৰিলে এটোপোলা চাহ লৈ আহিব-চোন। তেহে চাহ এটোপাকে দিব পাৰিম। নহলে বন্ধু! আমাৰ পানীত হাঁহ নচৰা অৱস্থা।

বন্ধু! হুমৰ গুৰিত বহিবলৈ দিয়া সকলক, মোৰ বৰ যাত্রীসকলক কি দি সন্তোষ কৰিম?—এষাৰি মাত্র মাত দিছো। বোলো অহৈন নহলেও ভূমি, পানী, জুই, ঠাই আৰু এষাৰি সাদৰী মাতকে দিছো নলব জানো?

* * * * *

শিশু-চ'ৰা

মৰমৰ সোণ মইনাহঁত!

তোমালোকৰ দাদাৰে অহা সংখ্যাৰ পৰাই তোমালোকৰ লগত কথা বাৰ্ত্তা পাতিব খুজিছে। পিচে তেওঁ কি ধৰণেৰেনো কথা পাতে সেই কথা তোমালোকক জনাবলৈ কৈছে; আৰু ময়ো বেটু পাতৰ তলপিঠিত দাদাৰৰ নিয়মাৱলীখন তোমা-লোকৰ কাৰণে তুলি তেওঁৰ মহাদেৱ কোপৰ পৰা হাত সাৰিলো। পঢ়ি চাবা আকৌ? এই সংখ্যাত ভালদৰে প্ৰকাশ কৰিব নোৱাৰি তোমা-লোকৰ দাদাৰে বৰ দুখ কৰিছে।

শিশু-চ'ৰা

"মইনালৈ বুলি"

—দাদা—

অ' মোৰ মইনা তোমালৈ বুলি
মেলিলো সঁফুৰা খন,
বাছক বনীয়া ফুলৰ শৰাই
ৰমক জমক মন।

পদুমে হাঁহিছে খোকাই কান্দিছে
লৰালিৰ মিতিৰালি,
কাকনে: মাতিম কাক নিচুকাম
অমাতৰ চতুৰালি।

তুমি মোৰ মইনা ফুলি উঠা দেই
চৌদিশ উজল কৰি,
দেশ মাতৃকাই তোমাক বিচাৰি
চাইছে হাঁহিটি মাৰি।

কণ জুন্ জুন্ নুপুৰ বাজিছে
বহাগী অ.হৈৰে বিয়া,
আমাৰ সোণটিয়ে সিঞাঁৰি ফুৰিছে
বহাগীৰ সমনীয়া।

চুলীয়া কালীয়া পেপাৰ মাতত
জগত বিভোৰ হল,
জিলিয়ে বাইছে ফেচাই নামতী
টিনিকি টিন্দাও বোল।

লাহ বিলাহত ফুল বাগীছতে
পিন্ধিছে ফুলাম শাৰী,
তুমিও মইনা চিনি লোৱা এয়া
সংসাৰৰ ভবিষ্য কড়ি।

এটি প্ৰাণী অকলশৰীয়া

—জে: গোস্বামী
ঘোষামৰা

এটি প্ৰাণী অকলশৰীয়া—
বিদায় বেলিকা যদি
হিয়া ধুনি কান্দি কান্দি
চকুগাল উথহায় —
নাপাব বিচাৰি—
পাবি ক'ত বিচাৰিলে ?
জনমতে সাধি যে নাহিলি !

* * * *
* * * *

হৃদয়ৰ পাহে পাহে
অনন্ত জোৰাঁৰ তুলি
শুভ্ৰ জোনালী নিশা
আকাশৰ তৰা লেখি
গাব যদি নিজে ৰচি
নিজৰেই গান,
তেতিয়াও নাপাব বিচাৰি
পাবি ক'ত বিচাৰিলে ?
জনমতে সাধি যে নাহিলি।

* * * *
* * * *

অতীতৰ সেই স্মৃতি—
কলঙৰ পাৰে পাৰে
ঝাঁও বনৰ আঁৰে আঁৰে
হাবাথুৰি খাই ফুৰি
তুগালেদি ধাৰাসাৰে
চকুলো বোৱাই
কৰ যদি জীৱন নিপাত
তেতিয়াও নাপাৱ বিচাৰি
পাবি ক'ত বিচাৰিলে—?
জনমতে সাধি যে নাহিলি !

* * * *
* * * *

মৰুভৰ দাৰুণ জ্বালাক,
গুফৰাই নেউচি যদি,
গেৰুৱা বসন পিন্ধি
শৰীৰত ভস্ম সানি
জটাধাৰী হই,
অতীতৰ সেই গৌতমৰে
সেই একে আহঁত তলতে
হাজাৰ হাজাৰ বাৰ সাধনা কৰিলে
নাপাৱ বিচাৰি
পাবি ক'ত বিচাৰিলে ?
জনমতে সাধি যে নাহিলি !

* * * *
* * * *

সদায় সন্ধিয়া যদি
ধুপ-ধুনা আৰতিৰে
মোৰ সেই দেউলৰ
পূজাৰ বেদীত বহি
ঘোষা-পদ গাই গাই
হাজাৰ হাজাৰ বাৰ সাধনা কৰিলে
না—পা—ৱ বি—চা—ৰি—
পাবি ক'ত বিচাৰিলে ??
জনমতে সাধি যে নাহিলি !

মৰমৰ সোণহঁত!

জয় জয়তে তোমালোকলৈ ধন্যবাদ জনাই মোৰ টোপোলা মেলিছো। এইবাৰৰ টোপোলাটো একেবাৰেই উকা। বুজিছা! এনে পৰিচালক ডাল ওলাল; আলোচনীখন চপা হৈ নোলোৱালৈকে অনুমতিয়েই নিদিলে। কি কৰিবা। এইবাৰৰ পৰা হলে বুঢ়াৰ হাতত চেঙেলি পৰিছে; সেইবাবে তোমালোকে চেঙেলি মাছৰ দেও কেইটা সদায় চাবা দেই। আজিলৈ বিদায় হে।

তোমালোকৰ —

"দাদা"

"বহু ভাৰ্য্যা বিড়ম্বনা"

—বিনোদ বৰুৱা

মহাৰাজ দশৰথ আছিল পবিত্ৰ ইক্ষ্বাকু বংশৰ দিনমণি। তেওঁৰ বলবীৰ্য্য আৰু পৰাক্ৰম ইমান বেচি আছিল যে স্বৰ্গৰ দেৱতাসকলেও তেওঁক খাতিৰ কৰিব লাগিছিল। সেইবাবেই তেওঁ দেৱৰাজ ইন্দ্ৰৰ অনুৰোধ অনুসৰি দুৰ্দান্ত অসুৰবোৰক স্বৰ্গৰাজ্যৰপৰা খেদাই দি নিষ্কণ্টক কৰি দিছিল। বলী হলেও যুজত ঘাঁ লাগিবই। এপুখুৰী মাছ ধৰোতে এটা নহয় এটা মানুহক সিঙিয়ে জানো নিবিন্ধে? মহাৰাজ দশৰথৰ গাটো ঘাঁ হল। কিন্তু দ্বিতীয়া ভাৰ্য্যা কৈকেয়ীয়ে শুশ্ৰূষা কৰি ভাল কৰিলে। তাতে তেওঁ অতি সন্তুষ্ট হৈ কৈকেয়ীক এটা বৰ দিব খুজিলে। বুদ্ধিমতী কৈকেয়ীয়ে তেওঁৰ কুমন্ত্ৰণাদাত্ৰী দাসী কুঁজীৰ পৰামৰ্শমতে সময় অনুসৰি বৰ বিচাৰিব বুলি জনালে।

ইয়াৰ কিছুদিনৰ পিচতে দশৰথ ৰজাৰ গুহ্যত এটা বিহফোঁহোৰা হল। ৰজাই যন্ত্ৰণাত চটফটাবলৈ ধৰিলে। কোনোবাই পুঁজখিনি মুখেৰে শুহি বাহিৰ কৰি আনিব পাৰিলে ৰজা ভাল হব বুলি ৰাজবৈদ্যই জনাই দিলে। এইবাৰো কৈকেয়ীয়ে এই কাম কৰি তেওঁক ভাল কৰিলে। সেইবাবে তেওঁ পুনৰ সন্তুষ্ট হৈ আৰু এটা বৰ দিব খুজিলে। বুদ্ধিমতী কৈকেয়ীয়ে আগৰদৰেই উত্তৰ দিলে।

ইয়াৰ বহুকালৰ পিচত দশৰথৰ জ্যেষ্ঠ পুত্ৰ ৰঘুবংশৰ ভুষণ শ্ৰীৰাম চন্দ্ৰৰ অভিষেক পাতি বৃদ্ধ ৰজাই সিংহাসন চমজাই দিবলৈ মন কৰিলে। কিন্তু কুঁজীৰ বুদ্ধিমতে কৈকেয়ীয়ে নিজৰ পুত্ৰক ভৰতকহে ৰজা পাতিবলৈ ইচ্ছা কৰিলে। বৃদ্ধ ৰজাই আগেয়ে দিব খোজা বৰ দুটাৰে কৈকেয়ীয় ভৰতক ৰজা পাতিবলৈ বিচাৰিলে। সেই

কাৰণে তেওঁ কুজীৰ পৰামৰ্শমতে ৰোহ ঘৰত কান্দি কাটি পৰি থাকিল। বৃদ্ধ ৰজা দশৰথে ৰামৰ সিংহাসন প্ৰাপ্তিৰ সু-খবৰ কৈকেয়ীক দিবলৈ আহি দেখে যে তেওঁ মাটিত বাগৰি কান্দিকাটি পৰি আছে। দশৰথে নানা প্ৰকাৰ শান্ত্বনা দি তেওঁৰ বেজাৰৰ কাৰণ সুধিলে। কৈকেয়ীয়ে আগেয়ে দিব খোজা বৰ দুটাৰ কথা মনত পেলাই দি এটা বৰেৰে ভৰতক ৰজা পাতি আৰু আনটো বৰেৰে ৰামক চৌধ্যবছৰ বনবাসলৈ পঠিয়াই দিবলৈ খাটনি ধৰিলে। তাৰোপৰি কৈকেয়ীয়ে এই কথাও জনাই দিলে যে তেওঁ এই কথা ৰখাব নুখুজিলে সত্য নষ্ট হব।

বৃদ্ধৰজা দশৰথ সেইপিনেই মূৰ্চ্ছা গল, যি কি নহওক ৰামো বনবাসলৈ গল আৰু ভৰতেও সিংহাসন পালে। কিন্তু বৃদ্ধৰজা দশৰথে ৰামৰ বেজাৰতে প্ৰাণত্যাগ কৰিলে। মহাৰাজ দশৰথৰ যদি কেইবাগৰাকীও ভাৰ্যা নহলহেঁতেন কেতিয়াও এনে হবলৈ নাপালেহেঁতেন। সেইবাবেহে কোৱা হয় "বহু ভাৰ্যা বিড়ম্বনা।"

জানি থোৱা

ভাৰতৰ পঞ্চশীল নীতি–(১) পৰস্পৰে পৰস্পৰৰ সীমা আৰু সাৰ্ব্বভৌমত্ব মানি লোৱা (২) অনাক্ৰমণ, (৩) আনৰ ভিতৰুৱা সমস্যাত হস্তক্ষেপ নকৰা (৪) সমতা আৰু পাৰস্পৰিক লাভ আৰু (৫) শান্তিপূৰ্ণ সহ-অৱস্থান।

: জন সংখ্যা ইয়াৰ হিচাবেই আটাইতকৈ ভয় লগা। পৃথিবীৰ জনসংখ্যা প্ৰায় ২৫০০ নিযুত, ১৯৭৫ চনত ৪০০০ নিযুত হৈ মানুহে পৃথিবীৰ সম্পূৰ্ণ অধিকাৰ লব। ১৯৫১ চনত ভাৰতৰ জনসংখ্যা—প্ৰায় ৩৫৭ নিযুত ১৯৫৮ চনত প্ৰায় ৪০ নিযুত, ১৯৭৫ চনত হবগৈ ৫৬৩ নিযুত। ২০০০ চনত ভাৰত আৰু চীনৰ জনসংখ্যা প্ৰায় ২৫০০ নিযুত হবগৈ। তেতিয়া কি হব বাৰু ভাবি চোৱাচোন ?

: জুলাইৰ ১৫ তাৰিখে প্ৰধান মন্ত্ৰী শ্ৰীনেহেৰুৱে এলাহাবাদত কৈছিল—"গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ উপায়েৰে দাৰিদ্ৰ্য, ভোকাতুৰ আৰু নিবনুৱা সমস্যা গুচাই পুৰণি গাঠনিটো সলনি কৰিবলৈ আমি স্থিৰ কৰিছো।"

তলৰ উত্তৰবোৰ দি সভ্য হবা নেই ?

(১) SEATO আৰু NATO (২) UNICEF আৰু U.A.R. (৩) UNESCO আৰু COSMOS (৪) মধ্য এচিয়া কি কি দেশ লৈ গঠিত হৈছে (৫) ইবাকত কেনেকুৱা সলনি হৈছে ? (৬) মোছাডেক আৰু নাগী কোন ? (৭) তসমক

শিল্পপ্ৰধান ৰাজ্য কৰাত কি কি বাধা আছে? (৮) প্ৰান‌াৰ আগৰ নাম কি? (৯) দ্বিতীয় মহাসমৰত সক্ৰিয় অংশ লৈ জয় হোৱা প্ৰধান শক্তি পাচোটাৰ নেতা কেইজনৰ সৈতে নাম দিয়া। (১০) মূলধন হলে অসমত কি কি শিল্পৰ নিমিত্তে কেচা বস্তু পোৱা যাব?

সভ্য ভৰ্ত্তিৰ ফৰ্ম্ম :—

নাম

অভিভাৱকৰ নাম

স্কুল

শ্ৰেণী .... ডাকখানা

মহকুমা অসম।

(১) মউপিয়া সোণহঁতে সদায় এই স্তম্ভৰ পৰিচালকক দাদা বুলিহে সম্বোধন কৰিব আৰু দাদাকে সুধি পঠিওৱা প্ৰতি কথাৰে উত্তৰ দিব।

(২) শিশুৰ উপযোগী কবিতা, গল্প আৰু সংক্ষিপ্ত জীৱনী ইয়াত সদায়েই দিয়া হব। ইয়াৰ বাহিৰে অন্য প্ৰবন্ধৰ ঠাই এই চ'ৰাত নাই। অৱশ্যে জানিবলগীয়া কথাৰ আৰু বৰ্ত্তমান সময়ৰ ঘটনা সমূহৰ সম্যক জ্ঞান জানিবৰ নিমিত্তে বিভিন্ন কলম এটা প্ৰতি সংখ্যাতে থাকিব।

(৩) কবিতা বা গল্প লিখা প্ৰতি মউ পিয়াৰ নাম প্ৰতি সংখ্যাৰ এটা কলমত সদায়েই প্ৰকাশ হব। লিখাৰ যোগ্যতা আৰু সংখ্যানুযায়ী ক্ৰম লগাইহে নাম প্ৰকাশ কৰা হ'ব। যুঠতে ই প্ৰায় প্ৰতিযোগিতাৰ নিচিনা হৈয়েই উঠিব।

(৪) ব্যক্তিগতভাবে চিঠি দি কোনো উত্তৰ দিয়া নহয়। দাদাই লিখা একোখন চিঠি এই কলমৰ ওপৰতে সদায় থাকিব। আৰু তাতে উত্তৰ, প্ৰত্যুত্তৰৰ যি আৱশ্যক হয় দাদাই দি থাকিব।

(৫) পাঁচ বছৰৰ পৰা যোল বছৰলৈকে স্কুলত পঢ়া সকলো ছাত্ৰ-ছাত্ৰীয়েই এই চ'ৰাৰ সভ্য হব পাৰিব।

(৬) যি কোনো কবিতা বা প্ৰবন্ধ ইয়াত প্ৰকাশিত হলেই তেওঁ শিশু-চ'ৰাৰ আজীৱন সভ্য বুলি পৰিগণিত হব। তাৰোপৰি দেউতা-

কৰ যোগেদি এক সংখ্যা কাগজৰ নিয়মীয়া গ্ৰাহক হলেও সভ্য বুলি দাবি কৰিব পাৰিব। সভ্যসকলৰ নাম শিশু-চ'ৰাৰ এটা কলমত সদায়েই প্ৰকাশ কৰা হ'ব।

(৭) সভ্যসকলৰ বাহিৰে আনে সোধা কোনো প্ৰশ্নৰে উত্তৰ দিব পৰা ন'হব।

(৮) ৰাজনীতিৰ বিষয়ে কোনো কথাৰ সক্ৰিয় সমালোচনা সদায় বাদ দি যোৱা হব। জাতিৰ ভবিষ্যত গুৰি ধৰোতা কণ কণ মইনা-হঁতে কেৱল মাত্ৰ মানসিক, নৈতিক, শাৰীৰিক আৰু আধ্যাত্মিক উন্নতি সাধন কৰি দেশৰ ভবিষ্যত উপযুক্ত নাগৰিক হবলৈহে চেষ্টা কৰা উচিত। এতিয়াই স্বাধীন দেশৰ মইনাহঁতে ৰাজনীতি আলোচনা কৰিবলৈ গলে নিজৰ জীৱনৰ উন্নতিত হেঙ্গাৰ পৰাৰ উপৰিও ভবিষ্যতে জাতিৰো অপকাৰ হব।

(৯) দুই তৃতীয়াংশ মইনা সভ্যৰ সমৰ্থন ক্ৰমে নিয়মাৱলীৰ সংশোধন হব পাৰিব। ইয়াৰ উপৰিও এই চ'ৰাৰ পৰিচালক দাদাকে কিবা যোগ বা বাদ দিয়াৰ আৱশ্যক হলেও আধাতকৈ বেচি সংখ্যক মইনা সভ্যই আপত্তি কৰিলে তেওঁৰ সংশোধনী নাকচ হ'ব।

'ৰ'দালি'ৰ নিয়মাৱলী

১। ৰ'দালি বছেৰেকত চাৰি সংখ্যা প্ৰকাশ হ'ব।

২। উচ্চাঙ্গৰ সাহিত্য সমালোচনা, মৌলিক ৰচনা, গল্প প্ৰৱন্ধ, বিজ্ঞান, পুৰাতত্ব, সংস্কৃতি, কবিতা, চিনেমা শিল্প, লোকগীতি আদিয়ে ৰ'দালিত ঠাই পাব। আৱশ্যক অনুযায়ী লগতে আলোকচিত্ৰ আদি পঠালে ব্লক কৰি দিব পৰা হব।

৩। লিখক-লিখিকাসকলে সম্পূৰ্ণ নাম-ঠিকনাৰে সৈতে ফুলস্কেপ কাগজৰ এপিঠিত লিখিহে প্ৰৱন্ধ-পাতি পঠাব।

৪। প্ৰৱন্ধ-পাতি এমাহৰ আগতে সম্পাদকৰ তলৰ ঠিকনাত পঠাব।

৫। এজেণ্ট সকলক শতকৰা ২৫্ টকা হাৰে কমিচন দিলেও দহখনৰ কমে এজেন্সিভুক্ত কৰা নহব।

৬। দলীয় ৰাজনীতি বা সাম্প্ৰদায়িক বিদ্বেষপূৰ্ণ কোনো প্ৰৱন্ধ-পাতি প্ৰকাশ কৰা নহব।

৭। লিখক-লিখিকা সকলৰ নকল কৰা লিখনিৰ বাবে সম্পাদক দায়ী নহয়— কিন্তু অন্য দায়ীত্ব সম্পাদকৰ।

৮। কোনোবাই বিজ্ঞাপন দিলে সুলভ মূল্যত প্ৰকাশ কৰা হব।

সম্পাদক—**ৰ'দালি**
পোঃ সৰ্ব্বোদয় (লাহোৱাল)
ডিব্ৰুগড় (অসম)

বিজ্ঞাপন

সম্পূৰ্ণ এপিঠিত	... ...	২০্	বিশ টকা
তলফালৰ বেটুপাতৰ এপিঠিত	...	২৫্	পঁচিশ টকা
এপিঠিৰ ½ ভাগত	... ...	৫॥	চাৰে পাঁচ টকা
এপিঠিৰ ¼ ভাগত	... ...	৩্	তিনি টকা
আধা পিঠিত	... ...	১০্	দহ টকা
এপিঠিৰ ⅛ ভাগত	... ...	২্	দুই টকা

পৰিচালকৰ ইচ্ছানুযায়ী উপৰুক্ত নিৰিখৰ সালসলনিও হব পাৰে।

পৰিচালক—
ৰ'দালি,
পোঃ সৰ্ব্বোদয় (লাহোৱাল)
ডিব্ৰুগড় (অসম)

: ঈশ্বৰীয় প্ৰকাশ মাত্ৰ কোনো এক ৰাষ্ট্ৰ বা জাতিৰ সম্পত্তি নহয়।

: প্ৰাৰ্থনা কৰা ভিক্ষা কৰা নহয়, প্ৰাৰ্থনা হৈছে আত্মাৰ চিঞৰ।

: পৰম সত্য অকলেই তিষ্ঠি থাকে, সত্য সাধ্য, অহিংসা সাধন।

: নিৰ্ভয়তাতহে বল আছে। শৰীৰৰ মাংস বৃদ্ধি হোৱাত বল নাই।

: ভীৰু হোৱাৰ কাৰণেহে আমি আনৰ ৰক্ত বিচাৰো।

হিন্দুস্থান প্ৰেছ, ডিব্ৰুগড়